www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


সপোন সেয়া নহয় যিটো আমি টোপনিত দেখোঁ, সপোন সেয়াহে যিয়ে আমাক শুবলৈ নিদিয়ে। - ড° এ. পি. জে. আব্দুল কালাম

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৪৪ | সোমবাৰ | ১৩ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 244 | Monday | 13th July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## জুলাইৰ পৰা ৭০ লাখ পৰিয়াললৈ বিনামূলীয়া চাউল, আগষ্টৰ পৰা ৰেহাই দৰত মচুৰ দাইল-চেনি

### মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা ঃ ১,৩৪, ২৩৭ মেট্ৰিক টন চাউল বিতৰণ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ জুলাই ঃ** অসম চৰকাৰে খাদ্য সুৰক্ষা আঁচনিৰ অধীনত এক বৃহৎ পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যৰ প্ৰায় ৭০ লাখ পৰিয়াললৈ বিনামূলীয়াকৈ চাউল বিতৰণ সম্পন্ন কৰিছে। ৫ পৃষ্ঠাত

## সুযোগ ! সীমান্তৰ অসমীয়া গাঁৱত বলপূৰ্বক লোকপিয়লৰ জৰীপ নগাৰ

### চৰকাৰ-প্ৰশাসনৰ দুৰ্বল স্থিতিৰ সীমান্তবাসীৰ দুৱাৰ-দেৱালত নম্বৰ লিখি আতংকৰ সৃষ্টি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ১২ জুলাই ঃ** অসম-নাগালেণ্ড সীমা সমস্যাক কেন্দ্ৰ কৰি গোলাঘাট জিলাৰ সৰুপথাৰ মহকুমাৰ সীমান্তৱৰ্তী অঞ্চলত পুনৰ সৃষ্টি হৈছে তীব্ৰ উত্তেজনাৰ। চৰকাৰৰ দুৰ্বল আৰু উদাসীন মনোভাৱৰ সুযোগ লৈ নগালেণ্ডে পুনৰ অসমৰ বিবদমান ভুখণ্ডত বলপূৰ্বক লোকপিয়লৰ জৰীপ আৰম্ভ কৰাৰ অভিযোগ উত্থাপিত হৈছে। সীমান্তৰ অসমীয়া গাঁওসমূহত ৫ পৃষ্ঠাত

### স্তব্ধ গুৱাহাটী-উজনি অসমৰ যাতায়াত ঃ বিকল্প পথৰ পৰামৰ্শ

# যোৰাবাটত পুনৰ কৃত্ৰিম বানৰ তাণ্ডৱ

**ষ্টাফ ৰিপৰ্টাৰ, সোণাপুৰ, ১২ জুলাইঃ** অসমৰ প্ৰাণকেন্দ্ৰ যোৰাবাটত পুনৰ কৃত্ৰিম বানপানীয়ে ভীষণ ৰূপ ধাৰণ কৰিছে। শনিবাৰে নিশা আৰু দেওবাৰে পৰা মুষলধাৰ বৰষুণৰ ফলত যোৰাবাট আৰু ইয়াৰ সমীপৱৰ্তী অঞ্চলসমূহ পানীৰ তলত জুৰুলা হৈপৰে। উজনি অসম আৰু নামনি অসমৰ মাজত সংযোগ স্থাপন কৰা এই গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় ঘাইপথখন পানীৰে সাগৰসদৃশ হৈ



পৰাত উজনিমুৱা আৰু গুৱাহাটী অভিমুখী হাজাৰ হাজাৰ বাহন আবদ্ধ হৈ পৰিছে। যোৰাবাটৰ বান পৰিস্থিতি ইমানেই ভয়াবহ যে, ব্যক্তিগত গাড়ী, বাণিজ্যিক বাহন, অট'ৰিক্সা আৰু মটৰচাইকেলকে ধৰি বহু বাহন পথৰ মাজতে বিকল হৈ পৰে। চালকসকলে নিজৰ বাহন ঠেলি কোনো মতে সুৰক্ষিত স্থানলৈ নিবলৈ চেষ্টা চলাবলগীয়া হয়। প্ৰশাসনে এই ৫ পৃষ্ঠাত

## ভূমি ৰক্ষা আন্দোলনৰ সক্ৰিয় নেতা প্ৰণৱ দলেৰ গ্ৰেপ্তাৰ

### কাজিৰঙাত পঞ্চতাৰকা হোটেল প্ৰকল্পৰ বিৰোধিতা কৰিছিল দলেয়ে



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ জুলাই ঃ** অসমৰ ভূমি অধিকাৰ কৰ্মী তথা যুৱ নেতা প্ৰণৱ দলেৰ গুৰুত্বপূৰ্ণ গ্ৰেপ্তাৰে ৰাজ্যত চাঞ্চল্য সৃষ্টি কৰিছে। দেওবাৰে গুৱাহাটী মহানগৰীৰ সুন্দৰপুৰ অঞ্চলৰ পৰা দিছপুৰ আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰে। কাজিৰঙাৰ হাতীখুলিৰ ইংলে পথাৰত ব্যক্তিগত খণ্ডৰ পঞ্চতাৰকা হোটেল নিৰ্মাণ প্ৰকল্পৰ তীব্ৰ বিৰোধিতা কৰি আহিছিল প্ৰণৱ দলেয়ে। তেওঁ অভিযোগ কৰিছিল যে, এই প্ৰকল্পই কাজিৰঙাৰ জৈৱ-বৈচিত্ৰ্য আৰু সেই অঞ্চলৰ ৫ পৃষ্ঠাত

## বাজেটত বান নিয়ন্ত্ৰণ আৰু ক্ষুদ্ৰ উদ্যোগৰ বাবে এক টকাও নাই ঃ অখিল গগৈ

### 'ঋণেই বাজেটক ছালি পেলাইছে ঃ এই বাজেট উন্নয়নৰ নহয়, অসমীয়াক অকৰ্মণ্য কৰাৰ বাজেট'



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ জুলাই ঃ** ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে ৰাজ্য চৰকাৰে দাখিল কৰা বাজেটৰ তীব্ৰ সমালোচনা কৰি ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কয় যে, এই বাজেটত ৰাজ্যৰ দুটা গুৰুতৰ সমস্যা- বানপানী নিয়ন্ত্ৰণ আৰু গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগ-ৰ বাবে এক টকাও বৰাদ্দ কৰা হোৱা নাই। এএনআইৰ সৈতে এক সাক্ষাৎকাৰত গগৈয়ে ৫ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীয়ে নিজে ৰোলাৰ চলাই নষ্ট কৰিলে কফছিৰাপ

## ৰাজ্যত ৪৭২.৫১ কোটি টকাৰ নিচাযুক্ত দ্ৰব্য দাহ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ জুলাইঃ** অসম চৰকাৰে 'নিচামুক্ত অসম' গঢ়াৰ লক্ষ্যৰে এক বৃহৎ ড্ৰাগছ ধ্বংস অভিযান সম্পন্ন কৰে। দেওবাৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সমান্তৰালভাৱে অনুষ্ঠিত এই কাৰ্যসূচীত মুঠ ৪৭২.৫১ কোটি টকা মূল্যৰ নিচাজাতীয় সামগ্ৰী বিজ্ঞানসন্মত পদ্ধতিত দাহ কৰি বিনষ্ট কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নলবাৰী জিলাৰ দৌলাশালস্থিত অসম আৰক্ষী বাহিনীৰ চৌহদত আয়োজিত



ৰাজ্যিক পৰ্যায়ৰ মূল অনুষ্ঠানত অংশগ্ৰহণ কৰি নিজ হাতে ৰোলাৰ চলাই বৃহৎ পৰিমাণৰ কফছিৰাপ নষ্ট কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত পোষ্ট শ্বেয়াৰ কৰি কয়, "সমাজৰ মাৰাত্মক ব্যাধি ড্ৰাগছৰ বিৰুদ্ধে আমি শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছোঁ। ইয়াৰেই অংশস্বৰূপে আজি দৌলাশালত ৰাজ্যিক পৰ্যায়ত নিচাযুক্ত দ্ৰব্য বিনষ্টকৰণ কাৰ্যসূচীৰ শুভাৰম্ভণি কৰিলোঁ। অসম আৰক্ষীয়ে ৫ পৃষ্ঠাত

## ১৮ জুলাইত গুৱাহাটীত কৃষি আন্তঃগাঁথনি পুঁজি কাৰ্যসূচী

### প্ৰস্তুতিমূলক বৈঠক কৃষিমন্ত্ৰী পীযূষ হাজৰিকাৰ পাঁচ সহস্ৰাধিক কৃষক, বেংক বিষয়া থাকিব উপস্থিত

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ জুলাই ঃ** অহা ১৮ জুলাইত গুৱাহাটীত অনুষ্ঠিতব্য কৃষি আন্তঃগাঁথনি পুঁজি (Agricultural Infrastructure Fund–AIF) কাৰ্যসূচীৰ পূৰ্বে দেওবাৰে এখন গুৰুত্বপূৰ্ণ প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। জনতা ভৱনত অনুষ্ঠিত এই বৈঠকত কৃষিমন্ত্ৰী পীযূষ হাজৰিকাই অধ্যক্ষতা কৰে আৰু কাৰ্যসূচীটোৰ ৫ পৃষ্ঠাত

### মালিগাঁও, কাহিলীপাৰা, জটীয়াত পৰিদৰ্শন ঃ নলা পৰিষ্কাৰ আৰু পানী নিষ্কাশন ব্যৱস্থা কৰিবলৈ নিৰ্দেশ

## বৰষুণৰ পিছতে বানত জুৰুলা গুৱাহাটী মন্ত্ৰী কৌশিক ৰায়ৰ পৰিস্থিতি বুজ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১২ জুলাই ঃ** ৰাজধানী গুৱাহাটীৰ বৰষুণৰ দিনবোৰ যেন পুৰণি অভিশাপৰ দৰে হৈ পৰিছে-বৰষুণ নামিলেই চহৰখন কৃত্ৰিম বানপানীত বুৰ যায়। শনিবাৰে নিশা পৰা প্ৰচণ্ড বৰষুণৰ পাছত দেওবাৰেও গুৱাহাটীৰ বহু অঞ্চল পানীৰ তলত জুৰুলা হৈ থাকে। এই পৰিস্থিতিক বুজিবলৈ আৰু সমাধানৰ পথ বিচাৰি নগৰ উন্নয়ন মন্ত্ৰী কৌশিক ৰায়ে দেওবাৰে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে প্ৰথমে ৫ পৃষ্ঠাত

## ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিবলৈ অভিভাৱকৰ SIRৰ তথ্য বাধ্যতামূলক

### নিৰ্বাচন আয়োগৰ নতুন নিৰ্দেশ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১২ জুলাই ঃ** ভোটাৰ তালিকাৰ বিশেষ নিবিড় পুনৰীক্ষণ (এছআইআৰ) প্ৰক্ৰিয়াত এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আনিছে ভাৰতৰ নিৰ্বাচন আয়োগে। নতুন নিৰ্দেশনা অনুসৰি, এতিয়া ভোটাৰ তালিকাত নতুনকৈ নাম অন্তৰ্ভুক্ত কৰিব বিচৰা আবেদনকাৰীয়ে তেওঁলোকৰ পিতৃ-মাতৃৰ এছআইআৰ সম্পৰ্কীয় সম্পূৰ্ণ বিবৰ্তি দাখিল কৰাটো বাধ্যতামূলক কৰি তোলা হৈছে। এই নিয়ম কেৱল নতুন আবেদনকাৰীৰ বাবেই নহয়, পূৰ্বৰ এছআইআৰত অন্তৰ্ভুক্ত নোহোৱা বৰ্তমানৰ ভোটাৰসকলৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য হ'ব। নিৰ্বাচন আয়োগে জাৰি কৰা নিৰ্দেশনামতে, নিৰ্বাচনী তালিকাত অন্তৰ্ভুক্তিৰ বাবে প্ৰ-পত্ৰ ৬ পূৰণ কৰা নতুন ভোটাৰে তেওঁলোকৰ অভিভাৱকৰ এছআইআৰ সবিশেষ সংলগ্ন কৰাটো অনিবাৰ্য কৰি তোলা হৈছে। এই ঘোষণা বিগত বৰ্ষৰ জুন মাহত ৰোল আউট কৰা বিহাৰ এছআইআৰত সংযোজন ৫ পৃষ্ঠাত

## জুবিন গাৰ্গক মৰণোত্তৰভাৱে 'সংগীত সুধাকৰ' সন্মানেৰে ভূষিত কৰিব অসম সাহিত্য সভাই

### ৩০ জুলাইত গুৱাহাটীত বিশেষ অনুষ্ঠান ঃ গীতসমূহ ইংৰাজী, হিন্দী, বঙালীলৈ অনুবাদ কৰাৰো ঘোষণা



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ জুলাই ঃ** অসমীয়া জাতিৰ চিৰপ্ৰিয় শিল্পী তথা হৃদস্পন্দন জুবিন গাৰ্গক মৰণোত্তৰভাৱে 'সংগীত সুধাকৰ' অভিধা প্ৰদান কৰিব অসম সাহিত্য সভাই। দেওবাৰে সাহিত্য সভাৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনৰ ড° মহেন্দ্ৰনাথ বৰা সোঁৱৰণি সভাকক্ষত আয়োজিত সংবাদমেলত এই ঘোষণা কৰে সংগঠনটোৰ নেতৃত্বই। ৫ পৃষ্ঠাত

### উমলিঙত স্থাপিত প্ৰথম কেন্দ্ৰ ঃ পৰ্যটকৰ তথ্য সংৰক্ষণ, নিৰাপত্তাত গুৰুত্ব

## মেঘালয়ত পৰ্যটকৰ বাবে বাধ্যতা- মূলক হ'ব ILP সদৃশ পঞ্জীয়ন ব্যৱস্থা




**নিউজ ডেস্ক, অসম বাৰ্তা, ১২ জুলাই ঃ** মেঘালয় চৰকাৰে ৰাজ্যলৈ অহা সকলো পৰ্যটকৰ বাবে ইনাৰ লাইন পাৰ্মিট (ILP) সদৃশ এক বাধ্যতামূলক পঞ্জীয়ন ব্যৱস্থা কাৰ্যকৰী কৰাৰ প্ৰস্তুতি আৰম্ভ কৰিছে। এই নতুন নিয়ম অনুসৰি, ৰাজ্যত প্ৰৱেশ কৰাৰ পূৰ্বে প্ৰতিজন পৰ্যটকে নিজৰ পৰিচয়, ভ্ৰমণৰ উদ্দেশ্য আৰু প্ৰয়োজনীয় নথি-পত্ৰসমূহৰ সত্যতা পৰীক্ষাৰ বাবে নথিভুক্ত কৰিব লাগিব। মেঘালয়ৰ পৰ্যটন মন্ত্ৰী টিমোথি ডি শ্বিৰাই জানিবলৈ দিয়া মতে, এই ব্যৱস্থাৰ অধীনত পৰ্যটকসকলে নিৰ্দিষ্ট পঞ্জীয়ন কেন্দ্ৰত উপস্থিত হৈ নাম পঞ্জীয়ন কৰিব লাগিব। তাত বিষয়াসকলে পৰিচয়পত্ৰ, ভ্ৰমণৰ উদ্দেশ্য আৰু অন্যান্য নথি-পত্ৰ ভালদৰে পৰীক্ষা কৰি সত্যতা নিশ্চিত কৰিব। বিদেশী ৫ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ আমিনগাঁৱস্থিত তিনিখন নিৰ্মিয়মান ক্ৰীড়া প্ৰকল্প পৰিদৰ্শন

### আন্তঃৰাষ্ট্ৰীয় মানৰ ছুইমিং পুল আৰু ক্ৰিকেট ষ্টেডিয়াম শীঘ্ৰেই হ'ব মুকলি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ জুলাই ঃ** দেওবাৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আমিনগাঁৱত উপস্থিত হৈ তিনিখন নিৰ্মিয়মান ক্ৰীড়া প্ৰকল্প পৰিদৰ্শন কৰে। ইয়াৰে এখন হৈছে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অত্যাধুনিক ছুইমিং পুল, যিটো শীঘ্ৰেই মুকলি কৰা হ'ব। ৫ পৃষ্ঠাত

## গুৱাহাটীৰ সৌন্দৰ্যবৰ্ধনৰ বাবে উৰণ সেতুত উলম্ব বাগিচা



### প্ৰথমাৱস্থাত ভগদত্ত উৰণ সেতুত কাম আৰম্ভ ২০খন সেতুত প্ৰায় ২৫ কোটি টকা ব্যয়

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১২ জুলাই ঃ** প্ৰদূষণমুক্ত আৰু সেউজ গুৱাহাটী গঢ়ি তোলাৰ লক্ষ্যৰে চৰকাৰে এখন অভিলাষী প্ৰকল্প গ্ৰহণ কৰিছে। বিশ্বৰ আগশাৰীৰ মহানগৰীসমূহৰ দৰে গুৱাহাটীতো নিৰ্মাণ কৰা হ'ব ভাৰ্টিকেল গাৰ্ডেন বা উলম্ব বাগিচা। এই উদ্যোগৰ অংশ হিচাপে মহানগৰীখনৰ বিভিন্ন উৰণ সেতুৰ খুঁটাত সেউজীয়াৰ সমাহাৰ ঘটোৱা এই বাগিচাসমূহ নিৰ্মাণৰ কাম ইতিমধ্যে আৰম্ভ হৈ গৈছে। প্ৰথমাৱস্থাত দিছপুৰস্থিত ভগদত্ত উৰণ সেতুত কাম-কাজ চলি আছে। সেতুৰ খুঁটাবোৰৰ চাৰিওফালে লোহাৰ গ্ৰীল সংস্থাপন কৰা হৈছে। এই গ্ৰীলত বিশেষ প্ৰযুক্তিৰ সহায়ত বিভিন্ন প্ৰজাতিৰ লতাজাতীয় গছ আৰু উদ্ভিদ ৰোপণ কৰা হ'ব, যিয়ে সেতুৰ খুঁটাবোৰক সেউজীয়া বাগিচাৰ ৰূপ দিব। মুঠ ২০খন উৰণ সেতুত এই উলম্ব বাগিচা নিৰ্মাণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে চৰকাৰে। ইয়াৰ বাবে প্ৰায় ২৫ কোটি টকা ব্যয় ধাৰ্য কৰা হৈছে। পৰ্যায়ক্ৰমে সকলো উৰণ ৫ পৃষ্ঠাত



# বৰ্ণালী কৃষ্টি বিকাশ সংঘত গীত কবিতাৰ এটি আবেলি শীৰ্ষক মনোজ্ঞ অনুষ্ঠান




**অসম বাৰ্তা, লেংটিছিঙা, ১৩ জুলাই ঃ** বৰ্ণালী কৃষ্টি বিকাশ সংঘৰ উদ্যোগত কালি বৰ্ণালী কৃষ্টি বিকাশ সংঘত "গীত, কবিতাৰ এটি আবেলি" শীৰ্ষক মনোজ্ঞ অনুষ্ঠানৰ আয়োজন কৰা হয়। সেই সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি শিল্পী পেঞ্চনাৰ শিল্পী ধৰিণী বনিক্য কয় যে "কম্পিউটাৰৰ আৱিষ্কাৰৰ ফলত বাৰে লাহে লাহে বাদ্যযন্ত্ৰ নোহোৱাকৈ লৰাছোৱালীয়ে গীত গাবলৈ আৰম্ভ কৰি দিছে। ট্ৰেকত গীত গাই অভ্যস্ত হ'ব ধৰিছে আজিৰ ন শিকাৰু সকলে। ট্ৰেকত গীত গোৱাৰ শৈলীটো কঠিন যদিত মনোমোহা তাৰ বিপৰীতে বাদ্যযন্ত্ৰ সংগত কৰি গীত পৰিৱেশন কৰাৰ মাদকতা সুকীয়া।" বৰ্ষীয়ান শিল্পী গৰাকীয়ে লগতে আৰু কয় যে "গীত গাব জানিলেই নহ'ব। সুৰ তাল লয়ো জানিব লাগিব। সুৰ তাল লয় মাত্ৰাৰ সঠিক ব্যৱহাৰ জানিলে যিকোনো লোকে মোটামুটিকৈ গীত গাব পাৰে কিন্তু সুৰ তাল লয় মাত্ৰা আদি নাজানিলে ভাল কণ্ঠৰ গৰাকী হ'লেও তেওঁৰ গান বেসুৰা হৈ পৰিব। ভাল নলগা হ'ব।" সেই অনুষ্ঠানতে তেওঁ আৰু প্ৰয়াত গণশিল্পী খগেন মহন্ত দেৱে সুৰ কৰা এটা গীতো পৰিৱেশন কৰে। একেটা অনুষ্ঠানত উপস্থিত থকা সু আবৃত্তিকাৰ তথা অসম আবৃত্তি পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ বিষয়ববীয়া ৰাধিকা মোহন দাসে কয় যে "কবিতা আবৃত্তি, কবিতা পাঠ কৰিবৰ বাৰে প্ৰথমে কবিতাটো মুখস্থ কৰিব লাগিব, তাৰপাছত কবিতাৰ ভাবাৰ্থখিনি হৃদয়ংগম কৰিব লাগিব। কবিয়ে কবিতাটোৰে কি কথা, কিমান আবেগ অনুভূতিৰে পঢ়ুৱৈক কব বিচাৰিছে, সেই কথাখিনি অনুধাৱন কৰি কবিতাটো প্ৰয়োজনীয় আবেগ, অনুভূতি, সুখ দুখ উষ্মা আশ্চৰ্যতা আদিৰ সতে তাল মিলাই ক'লেই কবিতা আবৃত্তি হৈ যায়। দীঘলীয়া সুৰ টানি কবিতা আবৃত্তি কৰা আৰু কবিতাটোৰ ভাবাৰ্থৰ সতে তাল মিলাই কবিতা আবৃত্তি কৰা একেই কথা। কালিৰ সেই অনুষ্ঠানত অভয়াপুৰী জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি তপন কুমাৰ দাসো উপস্থিত আছিল। তেওঁ বৰ্ণালী কৃষ্টি বিকাশ সংঘৰ পদক্ষেপক শলাগ লৈ কয় যে এই ধৰণৰ পদক্ষেপে লুকাই থকা প্ৰতিভা সমূহ উলিয়াই অনাত সহায় কৰিব। ন-শিক্ষাৰু সকলে লাভ কৰিব এখন উপযুক্ত প্লেটফৰ্ম। বৰ্ণালী কৃষ্টি বিকাশ সংঘই কালি আয়োজন কৰা উক্ত অনুষ্ঠানত ৰাধিকামোহন দাস, কবি নিৰুপমা চৌধুৰী দাস, শিক্ষক অৰূপ পাঠক ধীৰাশ মজুমদাৰকে ধৰি বহুতে কবিতা আবৃত্তি কৰে। ঠিক তেনেকৈ শিক্ষক শিৱেন ৰায় (ৰাজু) ৰুণু ৰাম ৰায়, সমাজকৰ্মী, ৰাজীৱ ৰায়, গোপী বৰ্মনকে ধৰি আন বহুতে গীত পৰিৱেশন। শিৱেন ৰায়, ৰাজীৱ ৰায়, ৰাজেন ৰায়, গণেশ ৰায় আৰু বুবুল বনিক্যই বাদ্যযন্ত্ৰত সংগত কৰা কালিৰ উক্ত অনুষ্ঠানত সৃজনগ্ৰাম হায়াৰ চেকেণ্ডেৰী, সৃজনগ্ৰাম ইউনাইটেড হাইস্কুল, চুকানী হাইস্কুল, সৃজনী জাতীয় বিদ্যালয়, উত্তৰ শালমাৰা চিলাৰায় জাতীয় বিদ্যালয়, জ্ঞানজ্যোতি জাতীয় বিদ্যালয় আদি শিক্ষানুষ্ঠানৰ ছাত্ৰছাত্ৰীয়ে অংশগ্ৰহণ কৰে। য'ত উপস্থিত থাকে বঙাইগাঁও জিলা সাহিত্য সভাৰ সভাপতি কালীন্দ্ৰ দেৱ শৰ্মা, সম্পাদক ডালিম সিংহ, সৃজনগ্ৰাম শতদল শাখা সাহিত্য সভাৰ সম্পাদক ৰামপ্ৰসাদ ৰায়, অভয়াপুৰী মহাবিদ্যালয় অধ্যাপক তথা গীতিকাৰ, সুৰকাৰ ধৰ্মেন্দ্ৰ দাস, চিলাৰায় জাতীয় বিদ্যালয়ৰ সচিব অৰুণ ৰায়, অৱসৰী শিক্ষক ক্ৰমে জগদীশ দাস, শৈলেশ ৰায়, টিকেন বৰুৱা আৰু বৰ্ণালী কৃষ্টি বিকাশ সংঘৰ সম্পাদক দ্বীজেশ ৰায়, সদস্য বিক্ৰম ৰায়, চম্পক ৰায়, হিমপ্লাৱন ৰায়, ৰক্তিম ৰায়, পৰক্ষিত দাসকে ধৰি আন বহু লোক।

# গুৰুগৃহ ফাউণ্ডেচনৰ উদ্যোগত গুৰুসেৱা সন্মান ১৩ গৰাকী শিক্ষক, শিক্ষা বিষয়ালৈ

**'পিতৃ মাতৃৰ পিছতেই শিক্ষকেই একমাত্ৰ ব্যক্তি যি শিষ্যৰ ওচৰত পৰজিত হ'ব বিচাৰে'- ড° অমলেন্দু চক্ৰৱৰ্তী**

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ জুলাই ঃ** স্বেচ্ছাসেৱী সংগঠন গুৰুগৃহ ফাউণ্ডেচনৰ উদ্যোগত ১২ জুলাই গুৱাহাটী প্ৰেছ ক্লাবত দিনৰ ১১ বজাত 'গুৰুসেৱা সন্মান আৰু অসমৰ চৰকাৰী বিদ্যালয়'শীৰ্ষক এটি অনুষ্ঠান সম্পন্ন হৈ যায়। ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তীয়ে বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিভিন্ন শিক্ষক সংগঠনৰ ১৩ গৰাকী শিক্ষক নেতাক গুৰুসেৱা সন্মানেৰে সন্মানিত কৰাৰ লগতে সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম বাৰ্তাজীৱী সংঘৰ সম্পাদক অঞ্জন কুমাৰ শৰ্মা, প্ৰাক্তন উপাচাৰ্য ড° অমলেন্দু চক্ৰৱৰ্তী, প্ৰাক্তন পঞ্জীয়ক, প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়, আনন্দৰাম বৰুৱা ভাষা শিল্প সংস্কৃতি প্ৰতিষ্ঠানৰ সঞ্চালক ডঃ যোগেশ কাকতি, কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকা আৰু সাংস্কৃতিক মহাসভা, অসমৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মা। গুৰুসেৱা সন্মানেৰে সন্মানিত শিক্ষক নেতাসকল হ'ল অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ হেমন্ত শইকীয়া, ব্ৰজেন চেতিয়া, গোবিন্দ কলিতা, মনোজ কুমাৰ লহকৰ, উৰ্মিমালা বুজৰবৰুৱা, অসম হাইস্কুল শিক্ষক সন্থাৰ সুনন্দ কলিতা, ৰমেন দুৱৰা, প্ৰাথমিক শিক্ষক সন্মিলনীৰ ৰাতুল চন্দ্ৰ গোস্বামী, সদৌ অসম স্নাতক শিক্ষক মঞ্চৰ ভাস্কৰ শৰ্মা, ইছফাকুৰ ৰহমান, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাৰ দ্বীপেন শৰ্মা, অতুল দাস, আৰু ৰঞ্জন মেধি। সভাৰ মুখ্য বক্তা ড° অমলেন্দু চক্ৰৱৰ্তীয়ে তেওঁৰ ভাষণত কয় যে পিতৃ মাতৃৰ পিছতেই এনে এক ব্যক্তি যি সদায় নিজৰ ছাত্ৰছাত্ৰীৰ ওচৰত পৰজয় বৰণ কৰিবলৈ প্ৰস্তুত থাকে। শিক্ষাদানৰ উপৰিও আচৰণেহে এজন শিক্ষকৰ মান, সন্মান নিৰ্ভৰ কৰে। প্ৰাক্তন পঞ্জীয়ক ড° যোগেশ কাকতিয়ে কয় যে মহাভাৰতৰ দ্ৰোণাচাৰ্যৰ শিক্ষাদানক লৈয়ো যেনেকৈ প্ৰশ্ন উত্থাপিত হৈছে তেনে ক্ষেত্ৰত সম্প্ৰতি শিক্ষকৰ ক্ষেত্ৰত উঠা প্ৰশ্ন অস্বাভাৱিক নহয়। ভাষণ প্ৰসংগত মুখ্য কাৰ্যবাহী বিষয়া কল্পনা ডেকাই কয় যে শিক্ষকৰ সমস্যাৰে ভাৰাক্ৰান্ত হোৱা শিক্ষা ব্যৱস্থাৰ থকা বিভিন্ন কেৰোণ আঙুলিয়াই কয় যে ২০১০ চনত নিযুক্ত ঠিকাভিত্তিক শিক্ষকসকলে ন্যায় প্ৰাপ্তিত ৰহস্যজনকভাৱে বিলম্ব হৈছিল। বিষয়া গৰাকীয়ে সম্প্ৰতি শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়াক লৈয়ো সন্তুষ্টি ব্যক্ত কৰে। সাংস্কৃতিক মহাসভাৰ সভাপতি পবিত্ৰ কুমাৰ শৰ্মা আৰু বাৰ্তাজীৱী সংঘৰ সম্পাদক অঞ্জন কুমাৰ শৰ্মাই গুৰুগৃহ ফাউণ্ডেচনৰ গুৰুসেৱা সন্মানৰ ভূয়সী প্ৰশংসা কৰে। সংগীতা শৰ্মাই আঁত ধৰা অনুষ্ঠানৰ সামৰণি পৰে অসম সংগীতেৰে। এক প্ৰেছ বিবৃতিৰ জৰিয়তে এই অনুষ্ঠান সম্পৰ্কে অৱগত কৰিছে গুৰুগৃহ ফাউণ্ডেচনৰ সচিব মহীধৰ কলিতা আৰু মুখ্যট্ৰাষ্টী বিপুল দত্তই।

# বৰপেটা জিলাত ৫ কোটি ১৬ লাখ টকাৰ ড্ৰাগছ দাহন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৩ জুলাই ঃ** জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা দীৰ্ঘদিন ধৰি আৰক্ষীয়ে জব্দ কৰা নিচাজাতীয় সামগ্ৰী সমূহ বৰপেটা আৰক্ষী চাউনীৰ খেলপথাৰত আজি জ্বলাই দিয়া হয়। নিচাজাতীয় সামগ্ৰী সমূহৰ ভিতৰত হেৰ'ইন ১০৬৮ গ্ৰাম, গাঞ্জা ১৩৩ কেজি, য়াবা টেবলেট ৫৮২৭০ টা, কেপচুল ৪৯৪ টা, ক'ফ ছিৰাপ ১২৩টা বটল। আজি দাহ কৰা ড্ৰাগছৰ বজাৰ মূল্য ৫ কোটি ১৬ লাখ ৩১ হাজাৰ ৮১০ টকা। ড্ৰাগছ নিষ্পত্তি সমিতিৰ অনুমোদন মৰ্মে জিলা আয়ুক্ত নৱদীপ পাঠক, ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ লগতে আৰক্ষীৰ বিভিন্ন পৰ্য্যায়ৰ বিষয়াৰ আৰু আবকাৰী বিষয়া সকলৰ উপস্থিতিত ড্ৰাগছখিনি দাহ কৰা হয়।

# মাজুলীত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানৰ এক বৃহৎ সাফল্য

**জিলা আৰক্ষীয়ে আজি প্ৰায় ৫৫ লাখ টকাৰ গাঞ্জা আনুষ্ঠানিকভাৱে জ্বলাই দিয়ে**

**অসম বাৰ্তা, মাজুলী, ১৩ জুলাই ঃ** ড্ৰাগছ বিৰোধী অভিযানত মাজুলী আৰক্ষীয়ে একাদ্ৰিক্ৰমে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ড্ৰাগছ নিষ্কাশন কাৰ্যসূচীৰ অধীনত জব্দ কৰা আজি জিলাখনত বিনষ্ট কৰা হয় প্ৰায় ৫৫ লাখ টকা মূল্যৰ গাঞ্জা। কমলাবাৰী অঞ্চলৰ এটা ইটা ভাটাত আনুষ্ঠানিকভাৱে এই সকলোবোৰ গাঞ্জা জ্বলাই বিনষ্ট কৰে আৰক্ষীয়ে। মাজুলী জিলা আৰক্ষী অধীক্ষক আৰু অতিৰিক্ত আৰক্ষী অধীক্ষকৰ প্ৰত্যক্ষ উপস্থিতিত এই সমগ্ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে, বিগত বৰ্ষৰ মাৰ্চ মাহত মাজুলীৰ পেৰাভাৰীৰ অনিল বৰা নামৰ লোকজনৰ ঘৰৰ পৰা আৰক্ষীয়ে জব্দ কৰিছিল এই বৃহৎ পৰিমাণৰ গাঞ্জাখিনি। পেৰাভাৰী আৰু দক্ষিণপাট কুমাৰ গাঁৱত চলোৱা এই অভিযানত প্ৰায় ১ কুইন্টল ১১ কেজি গাঞ্জা জব্দ কৰিবলৈ সক্ষম হৈছিল মাজুলী আৰক্ষী বিভাগে। কেৱল গাঞ্জাই নহয়, সেই সময়ৰকৰিছে অভিযানত আৰক্ষীয়ে সৰবৰাহকাৰীৰ পৰা নগদ ৪ লাখ টকা, দুখনকৈ বিলাসী বাহন জব্দ কৰাৰ লগতে ৬জন সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰিছিল। আজি সেই জব্দকৃত ৫৫ লাখ টকীয়া গাঞ্জাখিনি ইটা ভাতাত জুই লগাই সম্পূৰ্ণৰূপে ধ্বংস কৰা হয়। মাজুলীত গোপনে চলি থকা মাদক দ্ৰব্যৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ বাবে মাজুলীত পূৰ্বে নঘটা বহু অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। আৰক্ষী বিভাগৰ তৎপৰতাত সচেতন মহলে সন্তোষ প্ৰকাশ কৰিছে।

# বিজনীৰ নিজাৰী নৈৰ দলঙৰ পাৰত পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বিজনী, ১৩ জুলাই ঃ** চিৰাং জিলাৰ বিজনী পাণবাৰী পথৰ নিজাৰী নৈৰ দলঙৰ পাৰত শনিবাৰে সন্ধিয়া পথ দুৰ্ঘটনা সংঘটিত হয়। নিয়ন্ত্ৰণ হেৰুৱাই দ খাৱৈত বাগৰি পৰিল এখন বালি ভৰ্তি ডাম্পাৰ। কথমপি প্ৰাণ ৰক্ষা চালক আৰু কৰ্মচাৰীৰ। এএছ ২৬ চি ৭৪১৭ নম্বৰৰ এখন ডাম্পাৰ বিজনীৰ মাক্ৰাৰ পৰা বিষ্ণুপুৰ অভিমুখে বালি কঢ়িয়াই লৈ গৈ থকা অৱস্থাত সংঘটিত হয় এই দুৰ্ঘটনা। ডাম্পাৰ খনৰ চালক ৰুস্তম আলীয়ে জানিব দিয়া অনুসৰি উলুবাৰীৰ দিশৰ পৰা আহি থকা এখন চাৰিচকীয়া বাহনক বচাবলৈ গৈ দ খাৱৈত বাগৰি পৰে ডাম্পাৰখন। চালকজনে জানিব দিয়া অনুসৰি চাৰিচকীয়া বাহনখনে এখন ইনোভা বাহনক অভাৰটেক কৰিব খুজিছিল। তেনে মুহূৰ্তত সন্মুখত আহি উপস্থিত হোৱা ডাম্পাৰখনে পথ এৰি দিবলৈ গৈ এই ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত কোনো লোকৰ ক্ষতি হোৱা নাই যদিও ১১ হেজাৰ ভ'ল্টৰ বিদ্যুতৰ খুঁটা এটা ভাঙি পৰে যাৰ ফলত উলুবাৰী, পাণবাৰী, বিষ্ণুপুৰকে আদি কৰি এক বৃহৎ অঞ্চলত বিদ্যুৎ ব্যৱস্থা ব্যাহত হৈ পৰে।

# গোলাঘাটত 'ডেউকা'ৰ উদ্যোগত নাট্য কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ জুলাই ঃ** 'ডেউকা' নাট্য বিদ্যালয়ৰ উদ্যোগত আৰু গোলাঘাট এমেচাৰ থিয়েটাৰ চ'চাইটিৰ সহযোগত প্ৰযোজনা ভিত্তিক নাট্য কৰ্মশালা আজিৰে পৰা আৰম্ভ হৈছে। গোলাঘাট এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ সীমান্ত কুমাৰ শইকীয়া (টিকি) ভৱনত আৰম্ভ হোৱা এই কৰ্মশালাখনি বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে এমেচাৰ থিয়েটাৰ ছ'চাইটিৰ সভাপতি ডাঃ অজিত বৰুৱাই। 'ডেউকা'ৰ সঞ্চালিকা মিনাক্ষী ফুকনে আঁত ধৰা এই অনুষ্ঠানত 'ডেউকা'ৰ সভাপতি মৃদুল কাকতি, এমেচাৰ ছ'চাইটিৰ প্ৰশাসনীয় সম্পাদক দীপমনি খাটনিয়াৰ, সাংস্কৃতিক সম্পাদক উৎপল বৰুৱা, নাট্যশিল্পী বনশ্ৰী কাকতি, সাংস্কৃতিক কৰ্মী দীপাঞ্জলি বৰুৱা আৰু প্ৰশিক্ষকসকল উপস্থিত আছিল। এই কৰ্মশালাত ৮ বছৰৰ পৰা ১৪ বছৰৰ 'ক' শাখাৰ পুৱা ১১ বজাৰ পৰা ২ বজালৈ আৰু ১৫ বছৰৰ পৰা ৩০ বছৰৰ 'খ' শাখাৰ বিয়লি ৪ বজাৰপৰা ৭ বজালৈ প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হ'ব। কৰ্মশালাত সমল ব্যক্তিৰূপে প্ৰশিক্ষণ প্ৰদান কৰিব বিশিষ্ট নাট্যশিল্পী জ্যোতি নাৰায়ণ নাথ আৰু ৰণহাং চৌধুৰী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলাৰ স্নাতক অমৰজিৎ কটকী আৰু মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পৰিবেশ্য কলাৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী অক্ষয়া ৰণধীৰ শইকীয়াই। এই কৰ্মশালাৰ অন্তত ৫ আগষ্টত উইলিয়াম শে'পীয়েৰৰ বিশ্ব বিশ্ৰুত কমেডী নাটক 'A midsummer night's dream'ৰ অসমীয়া অভিযোজনা 'বিবাহৰ ৰাতিৰ সপোন' মঞ্চস্থ কৰা হ'ব।

# হাউলীৰ নগৰঝাৰত হৃদয়বিদাৰক ঘটনা; স্বামীৰ প্ৰহাৰত দুই সন্তানৰ মাতৃ মমিৰণ নেছা প্ৰাণ হেৰুৱাৰ অভিযোগ

**অভিযুক্ত স্বামী চান মিঞা আলীক জেল হাজোতলৈ প্ৰেৰণ**

**অসম বাৰ্তা, জনীয়া, ১৩ জুলাই ঃ** বৰপেটা জিলাৰ হাউলী আৰক্ষী থানাৰ অন্তৰ্গত নগৰঝাৰ গাঁৱত সংঘটিত হোৱা এক হৃদয়বিদাৰক ঘটনাই সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। স্বামীৰ নিৰ্মম প্ৰহাৰৰ ফলত গুৰুতৰভাৱে আহত হোৱা দুই সন্তানৰ মাতৃ মমিৰণ নেছা চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃতকৰ পৰিয়ালে থানাত দাখিল কৰা এজাহাৰ অনুসৰি হাউলী থানাৰ নগৰঝাৰ অঞ্চলৰ অস্থায়ী বাসিন্ধা চান মিঞা আলীয়ে পৰকীয়া প্ৰেমত লিপ্ত হৈ প্ৰথমা পত্নী মমিৰণ নেছাক দীৰ্ঘদিন ধৰি যৌতুকৰ দাবী কৰি শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন চলাই আহিছিল। যোৱা ৪ জুলাইত স্বামী চান মিঞা আলীয়ে মমিৰণ নেছাক মূৰত নিৰ্মমভাৱে প্ৰহাৰ কৰি হত্যাৰ চেষ্টা চলায়। সৌভাগ্যক্ৰমে ঘটনাৰ সময়ত মৰিমৰন নেছাক পৰিয়ালৰ লোকে খবৰ লবলৈ উপস্থিত হয় আৰু মজিয়াত ৰক্তাক্ত অৱস্থাত প্ৰত্যক্ষ কৰে। পত্নীক হত্যাৰ চেষ্টা চলাই স্বামী চান মিঞা আলীয়ে পলাবলৈ চেষ্টা কৰে যদিও স্থানীয় ৰাইজ আৰু মমিৰন নেছাৰ পৰিয়ালৰ সহযোগত লম্পট স্বামী চান মিঞা আলীক ধৰি হাউলী আৰক্ষীক চমজাই দিয়ে। মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মমিৰন নেছা নামৰ মহিলাগৰাকীক সংকটজনক অৱস্থাত পৰিয়ালৰ লোকে প্ৰথমে তেওঁক স্থানীয় হাউলী চিকিৎসালয়লৈ নিয়ে যদিও উন্নত চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। কিন্তু চিকিৎসকৰ সকলো প্ৰচেষ্টা ব্যৰ্থ কৰি অৱশেষত ৬ দিন মৃত্যুৰ সৈতে যুঁজি যুঁজি নিয়তিৰ ওচৰত হাৰ মানি ১০ জুলাইত চিকিৎসাধীন অৱস্থাত মমিৰণ নেছাই শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে কুমুল্লীপাৰাস্থীত বাসগৃহ আৰু নগৰঝাৰ অঞ্চলত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। আত্মীয়-স্বজন আৰু স্থানীয় বাসিন্দাসকলে ঘটনাটোৰ উচিত তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে। ইফালে মৃতকৰৰ পৰিয়ালে এই ঘটনাক যৌতুকজনিত নিৰ্যাতনৰ পৰিণতি বুলি অভিযোগ উত্থাপন কৰি আৰক্ষীৰ ওচৰত ৪ জুলাইত হাউলী থানাত এজাহাৰ দাখিল কৰিছে। হাউলী আৰক্ষীয়ে ১০৪/২০২৬ নম্বৰৰ গোচৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ৮৫/১০৯ ধাৰাত অভিযুক্ত আচামী চান মিঞা আলীক জেল হাজোতলৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা হৈছে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ আৰু ঘটনাটোৰ সকলো দিশ স্পষ্ট হ'ব বুলি ধাৰণা কৰা হৈছে। দুই সন্তানক মাতৃহীন কৰি চাৰি মাহৰ গৰ্ভৱতী দুৰ্ভগীয়া মহিলাৰ মৃত্যুৰ এই মৰ্মান্তিক ঘটনাই পুনৰ এবাৰ সমাজত নাৰী নিৰ্যাতন আৰু পাৰিবাৰিক হিংসাৰ দৰে সমস্যাৰ প্ৰতি উদ্বেগ বৃদ্ধি কৰিছে। স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ জৰিয়তে দোষীৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# কোকৰাঝাৰত ১৯ কোটি ৫১ লাখ টকাৰো অধিক মূল্যৰ নিচাজাতীয় সামগ্ৰী দাহন




**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৩ জুলাইঃ** নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে কোকৰাঝাৰ আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে আজি জিলা ড্ৰাগছ নিষ্কাষণ সমিতিৰ উদ্যোগত বৃহৎ পৰিমাণৰ জব্দকৃত গাঞ্জা, আফিম, হেৰ'ইন আৰু অন্যান্য নিচাজাতীয় সামগ্ৰী দাহন কৰা হয়। কোকৰাঝাৰ জিলাৰ অন্তৰ্গত গোসাইগাঁও আৰু কচুগাঁও আৰক্ষীয়ে বিভিন্ন সময়ত পৃথক পৃথক অভিযান চলাই জব্দ কৰা এই নিচাজাতীয় সামগ্ৰীসমূহ অসম-বংগ সীমান্তৰ সংকোষ নদীৰ পাৰত থকা এক নিৰ্জন স্থানত নিৰাপত্তাৰ মাজেৰে জ্বলাই নষ্ট কৰা হয়। আৰক্ষীৰ সূত্ৰ অনুসৰি, দাহন কৰা সামগ্ৰীসমূহৰ ভিতৰত আছিল প্ৰায় ৩০০০ কেজি গাঞ্জা, ৬ কেজি আফিম, ২.২৫০ কেজি হেৰ'ইন আৰু ২৫০০টা নিচাজাতীয় টেবলেট। এই বৃহৎ পৰিমাণৰ নিচাজাতীয় সামগ্ৰীসমূহৰ আনুমানিক বজাৰ মূল্য প্ৰায় ১৯ কোটি ৫১ লাখ টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। উল্লেখ্য যে, কোকৰাঝাৰ জিলাৰ বিভিন্ন এলেকাত নিচাজাতীয় দ্ৰব্যৰ অবৈধ সৰবৰাহ আৰু ব্যৱহাৰৰ বিৰুদ্ধে আৰক্ষীয়ে ধাৰাবাহিকভাৱে অভিযান চলাই আহিছে। সেই অভিযানৰ অংশ হিচাপে গোসাইগাঁও আৰু কচুগাঁও আৰক্ষীয়ে মুঠ ১৮টা পৃথক অভিযান চলাই এই সামগ্ৰীসমূহ জব্দ কৰিবলৈ সক্ষম হৈছিল। নিয়ম অনুসৰি জব্দকৃত নিচাজাতীয় সামগ্ৰীসমূহ ধ্বংস কৰাৰ উদ্দেশ্যে আয়োজিত এই কাৰ্যসূচীত কোকৰাঝাৰ জিলা আৰক্ষী অধীক্ষক অক্ষত গাৰ্গ, উপ আৰক্ষী অধীক্ষক প্ৰকাশ মেধী, গোসাইগাঁও মহকুমাধিপতি এন. মাংগাংছা আৰু মহকুমা আৰক্ষী বিষয়া মণ্টু বৰা উপস্থিত থাকে। আৰক্ষীয়ে জানিবলৈ দিয়ে যে, সমাজৰ পৰা নিচাজাতীয় দ্ৰব্যৰ প্ৰভাৱ হ্ৰাস কৰাৰ লক্ষ্যৰে আগন্তুক দিনতো এনেধৰণৰ অভিযান অধিক জোৰদাৰ কৰা হ'ব।

# ভাৰতমালা প্ৰকল্পৰ গভীৰ নলাত ডুবি ৮ বছৰীয়া শিশুৰ মৃত্যু; মৃতদেহ সন্মুখত ৰাখি এনএইচআইডিচিএলৰ কাৰ্যালয় ঘেৰাও

**বেৰিকেড আৰু নিৰাপত্তা ব্যৱস্থাৰ অভাৱক লৈ ক্ষোভ; দোষীৰ শাস্তি, ক্ষতিপূৰণ আৰু তাৎক্ষণিক সুৰক্ষা ব্যৱস্থাৰ দাবী**

**অসম বাৰ্তা, শিলচৰ, ১৩ জুলাই ঃ** কাছাৰ জিলাৰ কাটিগড়া আৰক্ষী থানাৰ অন্তৰ্গত তাৰিণীপুৰ প্ৰথম খণ্ডত ভাৰতমালা প্ৰকল্পৰ অধীনত খন্দা এটা গভীৰ নলাত ডুবি ৮ বছৰীয়া শিশু কামিল হুছেইন মজুমদাৰৰ কৰুণ মৃত্যুক কেন্দ্ৰ কৰি দেওবাৰে সমগ্ৰ অঞ্চলটোত তীব্ৰ উত্তেজনা আৰু ক্ষোভৰ সৃষ্টি হয়। শনিবাৰে দুপৰীয়াৰ পৰা নিখোজ হৈ থকা কামিলক পিছত ভাৰতমালা প্ৰকল্পৰ অধীনত খন্দা গভীৰ নলাৰ পানীত ডুবি থকা অৱস্থাত উদ্ধাৰ কৰা হয়। ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও চিকিৎসকে শিশুটিক মৃত ঘোষণা কৰে। পৰৱৰ্তী সময়ত শিলচৰ মেডিকেল কলেজ আৰু হাস্পতালত মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হয়। দেওবাৰে মৰণোত্তৰ পৰীক্ষাৰ অন্তত শিশুটোৰ মৃতদেহ গাঁৱলৈ অনাৰ লগে লগে ক্ষোভত ফাটি পৰে স্থানীয় ৰাইজ। তাৰিণীপুৰস্থিত এনএইচআইডিচিএলৰ কাৰ্যালয়ৰ সন্মুখত শিশুটোৰ মৃতদেহ ৰাখি শতাধিক লোকে প্ৰতিবাদ সাব্যস্ত কৰে। দীৰ্ঘ সময় ধৰি চলা এই প্ৰতিবাদত এনএইচআইডিচিএলৰ বিৰুদ্ধে চৰম গাফিলতি আৰু নিৰাপত্তাহীনতাৰ অভিযোগ উত্থাপন কৰে প্ৰতিবাদকাৰীসকলে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, ভাৰতমালা প্ৰকল্পৰ নিৰ্মাণকাৰ্য চলি থকাৰ মাজতে পথৰ কাষত খন্দা গভীৰ নলাসমূহত আজিলৈকে কোনো ধৰণৰ বেৰিকেড, ৰেলিং অথবা সতৰ্কতামূলক ফলক স্থাপন কৰা হোৱা নাই। সংশ্লিষ্ট কৰ্তৃপক্ষৰ এনে চৰম গাফিলতিৰ বাবেই এটি নিষ্পাপ শিশুৱে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হ'ল বুলি অভিযোগ কৰে স্থানীয় ৰাইজে। ৰাইজৰ অভিযোগ, ইয়াৰ পূৰ্বেও একেটা নলাত পৰি কেইবাটাও গৰু-ছাগলীৰ মৃত্যু হৈছে। বিষয়টো সন্দৰ্ভত একাধিকবাৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল যদিও কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। ফলত শিশু, বৃদ্ধকে ধৰি সাধাৰণ ৰাইজে প্ৰতিদিনে জীৱনৰ শংকা লৈ এই পথ ব্যৱহাৰ কৰিবলগীয়া হৈছে। প্ৰতিবাদকাৰীসকলে ঘটনাৰ বাবে দায়ীসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ, শোকসন্তপ্ত পৰিয়ালটোক উপযুক্ত ক্ষতিপূৰণ প্ৰদান কৰাৰ লগতে প্ৰকল্প এলেকাৰ সকলো

**প্ৰতিযোগিতামূলক পৰীক্ষাৰ ভয় দূৰ কৰি গ্ৰাম্যাঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আত্মবিশ্বাস গঢ়ি তুলিবলৈ এক প্ৰয়াস**

# হাজোৰ দমদমাত আই এ এছ কোচিং একাডেমীৰ শুভাৰম্ভণি

**অসম বাৰ্তা, হাজো, ১৩ জুলাই ঃ** আজি হাজোৰ দমদমা চ'কত একলব্য ৰেচিডেঞ্চিয়েল আই এ এছ কোচিং একাডেমীৰ এটি শাখাৰ শুভাৰম্ভণি কৰা হয়। একাডেমীখনে নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলক প্ৰতিযোগিতামূলক পৰীক্ষাৰ ভয় দূৰ কৰি নিজৰ মাজত আত্মবিশ্বাস গঢ়ি তুলিবলৈ এক প্ৰচেষ্টা হাতত লৈছে। অনুষ্ঠানৰ শুভাৰম্ভণি কৰি মুখ্য বক্তাৰ ভাষণত হাজো ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াৰে কয়, দমদমাত নতুনকৈ স্থাপন হোৱা একলব্য ৰেচিডেঞ্চিয়েল আইএএছ কোচিং একাডেমীখন সমগ্ৰ অঞ্চলটোৰ শৈক্ষিক আৰু আৰ্থ-সামাজিক উন্নয়নৰ বাবে এক অত্যন্ত ইতিবাচক আৰু যুগান্তকাৰী পদক্ষেপ। ইয়াৰ দ্বাৰা অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ যথেষ্ট উপকৃত হ'ব। সাধাৰণতে আই এএছ, আইপিএছ বা এচিএছ-ৰ দৰে প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে অসমৰ ছাত্ৰ-ছাত্ৰীসকলে গুৱাহাটী, দিল্লী বা অন্য ডাঙৰ চহৰলৈ যাবলগীয়া হয়। বৃহত্তৰ হাজো অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি দমদমাত এই একাডেমীখন স্থাপন হোৱাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰুৱা পৰিৱেশত থাকিয়েই দেশৰ সৰ্বোচ্চ অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাব পাৰিব বুলি মন্তব্য কৰে ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াৰে। আনহাতে অনুষ্ঠানত উপস্থিত থকা প্ৰাক্তন ৰাজ্যিক তথ্য আয়ুক্ত মোহন চন্দ্ৰ মালাকাৰে কয় দমদমাত স্থাপিত আইএএছ একাডেমীখন কেৱল এটা কোচিং চেণ্টাৰ নহয়, বৰঞ্চ বৃহত্তৰ হাজোৰ যুৱ প্ৰজন্মৰ আশা আৰু সপোন পূৰণৰ এক শক্তিশালী মাধ্যম। ইয়াৰ সঠিক ব্যৱহাৰে অনাগত দিনত অঞ্চলটোৰ পৰা বহু দক্ষ প্ৰশাসক সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ইফালে অনুষ্ঠানৰ বিশিষ্ট অতিথি ড° দিপুল দাসে কয়, এটা অঞ্চলত যেতিয়া এখন উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠান গঢ়ি উঠে, তেতিয়া তাৰ প্ৰভাৱ সমগ্ৰ সমাজখনৰ ওপৰত পৰে। অসমৰ অন্যতম প্ৰতিষ্ঠিত আই এ এছ একাডেমী একলব্য ৰেচিডেঞ্চিয়েল আই এ এছ কোচিং একাডেমীত শিক্ষা গ্ৰহণ কৰি ইতিমধ্যে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াৰেও একাডেমীখনৰ পৰা শিক্ষা গ্ৰহণ কৰিব ৰাজহ চক্ৰ বিষয়া হিচাপে হাজোত কৰ্মৰত হৈ আছে। গ্ৰাম্য অঞ্চলৰ মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মাজত যোগ্যতা থকা সত্ত্বেও কেৱল সঠিক নিৰ্দেশনা আৰু ধনৰ অভাৱত তেওঁলোকে নিজৰ সপোন পূৰণ কৰিব নোৱাৰে এই একাডেমীখনে স্থানীয় প্ৰতিভাবোৰক চিনাক্ত কৰি তেওঁলোকক সঠিক দিশদৰ্শন দিব বুলি জানিবলৈ দিয়ে একাডেমীখন স্বত্বাধিকাৰী হৰমোহন কলিতাই।

# মন্ত্ৰী পীযুষ হাজৰীকাৰ হাতীয়ামুখ জলসিঞ্চন প্ৰকল্প পৰিদৰ্শন; আধুনিক পাইপভিত্তিক জলসিঞ্চন ব্যৱস্থাৰ ওপৰত চৰকাৰৰ গুৰুত্ব আৰোপ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৩ জুলাই ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই আজি জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঘজাপ গাঁও পঞ্চায়তৰ হাতীয়ামুখ জলসিঞ্চন প্ৰকল্প পৰিদৰ্শন কৰে। প্ৰায় ৩০.৬৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নলা-ভিত্তিক জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে প্ৰায় ৫, ৮০০ বিঘা কৃষিভূমিত নিশ্চিত জলসিঞ্চনৰ সুবিধা উপলব্ধ হৈছে, যাৰ ফলত অঞ্চলটোৰ বহু সংখ্যক খিলঞ্জীয়া কৃষক উপকৃত হৈছে। প্ৰকল্পটোৰ ইতিবাচক প্ৰভাৱত সন্তুষ্টি প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, নিৰ্ভৰযোগ্য জলসিঞ্চন ব্যৱস্থাই অঞ্চলটোৰ কৃষি কাৰ্যকলাপ অধিক শক্তিশালী কৰি তুলিছে। পৰিদৰ্শনৰ সময়ত স্থানীয় কৃষকৰ সৈতে মত-বিনিময় কৰি শ্ৰী হাজৰিকাই কৃষকসকলক জলসিঞ্চনৰ সুবিধা আৰু চৰকাৰৰ বিভিন্ন আঁচনিৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি বছৰত দুইৰ পৰা তিনিটা খেতি কৰিবলৈ আহ্বান জনায়, যাতে কৃষি উৎপাদন বৃদ্ধি পোৱাৰ লগতে কৃষকৰ আয়ো বৃদ্ধি পায়। মন্ত্ৰীগৰাকীয়ে কয় যে, নলা-ভিত্তিক জলসিঞ্চন প্ৰকল্পসমূহে কৃষি খণ্ডলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে যদিও বৰ্তমান ৰাজ্য চৰকাৰে অধিক গুৰুত্ব আৰোপ কৰিছে আধুনিক পাইপভিত্তিক জলসিঞ্চন ব্যৱস্থাৰ ওপৰত। তেওঁ কয় যে, এনে প্ৰকল্প কম সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰিব পৰা যায়, পানীৰ অধিক দক্ষ ব্যৱস্থাপনা নিশ্চিত কৰে আৰু পৰম্পৰাগত নলা-ভিত্তিক জলসিঞ্চন প্ৰকল্পৰ ক্ষেত্ৰত দেখা দিয়া ভূমি অধিগ্ৰহণজনিত



সমস্যাও বহু পৰিমাণে পৰিহাৰ কৰিব পৰা যায়। ৰাজ্যৰ জলসিঞ্চন ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ অংগীকাৰ পুনৰ ব্যক্ত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত ৰাজ্য চৰকাৰে আধুনিক জলসিঞ্চন আন্তঃগাঁথনি সম্প্ৰসাৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে, যাতে কৃষকসকলে নিৰ্ভৰযোগ্যভাৱে জলসিঞ্চনৰ সুবিধা লাভ কৰাৰ লগতে বহনক্ষম কৃষি ব্যৱস্থাৰ বিকাশ আৰু অসমৰ কৃষি অৰ্থনীতি অধিক শক্তিশালী হয়।

# মাজুলী জিলাত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ PM -AJAY আঁচনিৰ অধীনত বিত্তীয় সাহায্য প্ৰদান

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ জুলাই ঃ** মাজুলী জিলা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত অনুসূচীত জাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ সঞ্চালকালয় অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সহযোগত প্ৰধানমন্ত্ৰীৰ অনুসূচীত জাতি অভ্যুদয় যোজনা (PM-AJAY) ৰ অধীনত Grant-in-aid বিত্তীয় সাহায্যৰ আনুষ্ঠানিক বিতৰণ মাজুলী সাংস্কৃতিক প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হয়। অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা কৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মাজুলী জিলাৰ প্ৰকল্প পৰিচালক কমল কান্ত গোৱালাই। অনুষ্ঠানটোত বিশেষ অতিথি হিচাপে উপস্থিত থাকে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ কুমাৰ বৰা, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাস, সহকাৰী আয়ুক্ত সীমান্ত বুঢ়াগোহাঁই, মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, অনুসূচীত জাতি উন্নয়ন পৰিসদৰ সভাপতি প্ৰফুল্ল দাস, মাজুলী আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী ৰীতা ভূঞা, উজনি মাজুলী আঞ্চলিক পঞ্চায়তৰ সভাপতি পদ্ম কুটুম, জিলা কৃষি বিষয়া অযোধ্যাজ্যোতি দাস, জিলা পশুপালন বিষয়া ডাঃ থানেশ্বৰ মুদৈ আৰু জিলা সমাজ কল্যাণ বিষয়া মৌচুমী গগৈ। এই আঁচনিৰ মুখ্য উদ্দেশ্য হৈছে অনুসূচীত জাতিৰ যোগ্য আত্মসহায়ক গোটক আৰ্থিক সাহায্য প্ৰদান কৰি বহনক্ষম জীৱিকা আৰু আৰ্থ সামাজিক ভাৱে আগুৱাই নিয়া। আজিৰ এই অনুষ্ঠানতেই মাজুলী আৰু উজনি মাজুলীৰ ব্লকৰ মুঠ দহটা আত্মসহায়ক গোটক আনুষ্ঠানিক ভাৱে ৫০, ০০০টকা কৈ মূলধনী সাহায্য প্ৰদান কৰা হয়। এই আঁচনিৰ অধীনত মাজুলী জিলাৰ অনুসূচীত জাতিৰ মুঠ ২১২টা আত্ম সহায়ক গোটে ৫০,০০০ টকাকৈ মূলধনী সাহায্য লাভ কৰিছে। অনুষ্ঠানটোত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ কুমাৰ বৰাই সকলো আত্ম সহায়ক গোটে এই আঁচনিৰ জৰিয়তে লাভান্বিত হৈ আৰ্থ সামাজিক দিশত উপকৃত হ'ব বুলি মন্তব্য আগবঢ়াই। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি পশুপালন, কৃষি আৰু সমাজ কল্যাণ বিভাগৰ তথ্য শিক্ষা আৰু যোগাযোগ বিভাগ ৰখা হয়, য'ত তেওঁলোকে নিজৰ বিভাগীয় বিভিন্ন আঁচনি তথা সুবিধাসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। লগতে মাজুলী জিলাৰ দুটা আত্ম সহায়ক গোটৰ দ্বাৰা নিৰ্মিত বস্তুৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়। অনুষ্ঠানটোত আত্মসহায়ক গোটৰ সদস্যৰ লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা মিছন ব্যৱস্থাপনা গোট (DMMU) আৰু খণ্ড মিছন ব্যৱস্থাপনা গোট (BMMU)ৰ বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

## বিজনীত ভুৱা শিক্ষক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বিজনী, ১৩ জুলাই ঃ** চিৰাঙৰ বিজনীত শনিবাৰে এজন ভুৱা শিক্ষকক গ্ৰেপ্তাৰ কৰে বিজনী আৰক্ষীয়ে। ধৃত ভুৱা শিক্ষক গৰাকী চিৰাং জিলাৰ বিজনী থানাৰ অন্তৰ্গত শিশুবাৰী গাঁৱৰ নিৱাসী অজিত সৰকাৰ পুত্ৰ বাপন সৰকাৰ। উল্লেখ্য বাপন সৰকাৰে বিজনীৰ বিধায়ক অৰূপ কুমাৰ দে'ৰ স্বাক্ষৰ জালিয়াতি কৰি যোৱা ৫ জুনত এখন নিযুক্তি পত্ৰৰে চিৰাঙৰ উলুবাৰী মধ্য ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰিছিল। শিক্ষক গৰাকীৰ এই জালিয়াতিৰ ঘটনা সংবাদ মাধ্যমত সম্প্ৰচাৰিত হোৱাৰ পাছত যোৱা ৯ জুলাইত চিৰাঙৰ জিলা শিক্ষা বিষয়াৰ তদন্তত উক্ত নিযুক্তি পত্ৰ ভুৱা বুলি পোহৰলৈ আহে। ঘটনা সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ সদস্য তথা বিজনীৰ ১ নং বৰপথাৰ নিৱাসী ৰিণ্টু কুমাৰ দাসে শুকুৰবাৰে বিজেপিৰ একাংশ কাৰ্যকৰ্তাক লগত লৈ বিজনী থানাত এখন এজাহাৰ দাখিল কৰে। শনিবাৰে বিজনী থানাৰ আৰক্ষীয়ে বড়োবাজাৰ উপ-আৰক্ষী চকীৰ সহযোগত ভুৱা শিক্ষক বাপন সৰকাৰক শিশুবাৰীৰ নিজ বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰি বিজনী থানালৈ লৈ আহে। ঘটনা সংক্ৰান্তত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# মেৰাপানীত আলোক সন্ধানী শাখা সাহিত্য সভাৰ উদ্যোগত এশৰো অধিক কৃতি ছাত্ৰ-ছাত্ৰীক বিপুল অভিনন্দন

**অসম বাৰ্তা, মেৰাপানী, ১৩ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ চলংপথাৰত আলোক সন্ধানী শাখা সাহিত্য সভাৰ উদ্যোগত শেহতীয়াভাৱে এক গাম্ভীৰ্যপূৰ্ণ কৃতি ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন অনুষ্ঠান সম্পন্ন হৈ যায়। চলংপথাৰ বজাৰ চাৰিআলিৰস্থিত বিৰছা মুণ্ডা ৰংগমঞ্চত অনুষ্ঠিত এই অনুষ্ঠানত দৈয়াং পঞ্চায়তৰ অন্তৰ্গত অঞ্চলটোৰ মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ষ্টাৰ মাৰ্কছ, প্ৰথম আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা এশৰো অধিক কৃতি ছাত্ৰ-ছাত্ৰীক বিপুল অভিনন্দন জনোৱা হয়। আলোক সন্ধানী শাখা সাহিত্য সভাৰ এনে প্ৰশংসনীয় পদক্ষেপক স্থানীয় ৰাইজে আদৰণি জনাইছে। উক্ত অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ বাবে দিক্‌দৰ্শনমূলক ভাষণ প্ৰদান কৰে গোলাঘাট জিলা সাংবাদিক সন্থাৰ সভাপতি নগেন বৰাই। লগতে দৈয়াং চিনিয়ৰ চেকেগুৰী স্কুলৰ শিক্ষক অজিত শইকীয়ায়ো ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি প্ৰেৰণাদায়ক বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোত অঞ্চলটোৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ ভিতৰত বিশিষ্ট সমাজকৰ্মী ভৰত দুৱৰা, স্থানীয় জ্যেষ্ঠ ব্যক্তি তৈয়ব আলি, মাহমুদ ৰহমান, শংকৰদেৱ পাব্লিক স্কুলৰ সঞ্চালক বোপাৰাম হাছদা, আলোক সন্ধানী শাখা সাহিত্য সভাৰ উপ-সভাপতি বিৰেন ঘাটোৱাৰ আৰু সাংগঠনিক সম্পাদক অনিল বৰা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে উপস্থিত থাকি কৃতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। সভাৰ উদ্যোক্তাসকলে ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাত আনন্দ প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। এই অভিনন্দন অনুষ্ঠানে অঞ্চলটোৰ উঠি অহা প্ৰজন্মক শিক্ষাৰ ক্ষেত্ৰত অধিক ব্ৰতী হ'বলৈ অনুপ্ৰাণিত কৰিব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

**বিধায়িকা অজন্তা নেওগক পকী দলং নিৰ্মাণৰ দাবী**

# গোলাঘাটৰ আঠখেলীয়া সৰুকছাৰীত ভাঙি পৰিল ৰাইজৰ গাঠি ধনেৰে নিৰ্মাণ কৰা পকী দলং

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ জুলাই ঃ** গোলাঘাট জিলা আঠখেলীয়া পঞ্চায়তৰ কেইবাখন গাঁৱৰ ৰাইজে গাঁঠি ধন খৰচ কৰি কাকডোঙা নদীৰ ওপৰত নিৰ্মাণ কৰা ধোন্দাবৰ পকী দলঙখন কাকডোঙা নদীৰ জলপৃষ্ঠ উচ্চতা বৃদ্ধি পোৱাৰ পৰিপেক্ষিতত হঠাৎ ভাঙি পৰে। যোৱা দুদিন ধৰি নগা পাহাৰত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত কাকডোঙা নদী ওফন্দি সৃষ্টি হোৱা বানৰ প্ৰবল সোঁতত ভাঙি পৰে দলঙখন। উল্লেখ্য যে দহ বছৰৰ পূৰ্বে সৰুকছাৰী, বগৰীচুক, বছা, মঠাদাং আদি গাঁৱৰ ৰাইজে বিপদসংকুলভাৱে যাতায়ত কৰা বাঁহৰ দলঙখন পকী কৰিবলৈ



স্থানীয় বিধায়িকা তথা মন্ত্ৰী অজন্তা নেওগক বহুবাৰ আবেদন কৰিছিল আৰু মন্ত্ৰী নেওগেও দলঙখন নিৰ্মাণৰ আশ্বাস প্ৰদান কৰা বুলি ৰাইজে জানিবলৈ দিয়ে। পিছত মন্ত্ৰী গৰাকীৰ পৰা কোনো সঁহাৰি নাপাই আটায়কেইখন গাঁৱৰ ৰাইজে একত্ৰিত হৈ ঘৰে ঘৰে গৈ ধন সংগ্ৰহ কৰি বাঁহৰ দলঙখন সলনি কৰি পকী দলংখন নিৰ্মাণ কৰে। ইয়াৰ পিছতে ৰাইজৰ যাতায়ত সুচল হয়। পৰিতাপৰ বিষয় যে যোৱা বছৰ বানপানীৰ ফলত দলঙখন গোলাঘাটৰ অংশটো খহি পৰাত মাথাউৰিৰ পৰা দলঙখন সম্পূৰ্ণৰূপে বিছিন্ন হৈ পৰে। ইয়াৰ পিছত পুনৰ ৰাইজে ধন সংগ্ৰহ কৰি দলঙখন মেৰামতি কৰি যাতায়ত কৰি আহিছিল যদিও দুদিন ধৰি নগা পাহাৰত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত কাকডোঙা নদী জলপৃষ্ঠ বৃদ্ধি হোৱাত বানৰ সোঁতত দলঙখন পুনৰ গোলাঘাটৰ আঠখেলীয়া অংশটো ভাঙি পেলোৱাৰ ফলত যাতায়ত সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰে। বৰ্তমান ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ, কৰ্মচাৰী সকল কৰ্মস্থলীলৈ, ৰোগীক চিকিৎসালয়লৈ আৰু সাধাৰণ ৰাইজ বজাৰ কৰিবলৈ যোৱাত সমস্যাত পৰিছে। সেয়েহে মন্ত্ৰী অজন্তা নেওগক দলঙখন শীঘ্ৰে পকীকৈ নিৰ্মাণ কৰি ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যাটো সমাধান কৰিবলৈ আহ্বান জনাইছে।

**গৰু চোৰে ব্যৱহাৰ কৰাৰ সন্দেহত এখন বাহন মৰিয়াই ক্ষতি সাধন ক্ষুব্ধ ৰাইজৰ**

# গৰুচোৰক কেন্দ্ৰ কৰি মৰিগাঁৱৰ জেংপৰিত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ভূৰাগাঁও, ১৩জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত জেংপৰিত আজি গৰু চোৰক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ভূৰাগাঁও আৰক্ষীৰ হস্তক্ষেপত পৰিস্থিতি নিয়ন্ত্ৰণ হয় যদিও ক্ষুব্ধ ৰাইজে গৰু চোৰে ব্যৱহাৰ কৰা সন্দেহত এখন বিলাসী বাহনৰ ক্ষতি সাধন কৰে। ঘটনাৰ বিৱৰণী মতে শনিবাৰে নিশা অনুমানিক ১২ মান বজাত ভূৰাগাঁও থানাৰ অন্তৰ্গত আমবাগানৰ মতিলাল চৌহানৰ গোঁহালিৰ পৰা চুৰি হৈছিল এহাল বলধ গৰু। গৃহস্থই গম পোৱাৰ পাছত প্ৰতিবেশী লোকৰ সৈতে গৰুৰ খোজ অনুকৰণ কৰি অভিযান চলাই প্ৰায় চাৰি কিলোমিটাৰ মান দুৰত শেষ নিশা ৰাস্তাৰ দাঁতিত সন্দেহজনক অৱস্থাত AS01AP 4743নম্বৰৰ বাহনখন ৰৈ থকা প্ৰত্যক্ষ কৰে অভিযান কাৰী দলটোৱে। গাড়ীখনৰ কোনো নাছিল যদিও স্থানীয় লোকে গাড়ীখন জব্দ কৰে। ইফালে গাড়ীখনৰ নাতিদুৰত গোঁহালিৰ পৰা চুৰি হোৱা গৰু হালো উদ্ধাৰ কৰিবলৈ সক্ষম হয় দলটো। গৰু হালৰ লগতে গাড়ীখন উদ্ধাৰ কৰি স্থানীয় লোকে ভূৰাগাঁও আৰক্ষীক খবৰ দিয়ে। ইফালে পুৱা ৰৈ থকা গাড়ীখন নিবলৈ আহোঁতে ৰাইজে গাড়ীৰ মালিকক আৱদ্ধ কৰি গাড়ীৰ দুৱাৰ খুলি চোৱাত গাড়ী খনৰ ভিতৰত ৰছি, ফটা কাপোৰ, কাঠৰ টুকুৰা আদি সামগ্ৰী উদ্ধাৰ হোৱাত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। তেনে পৰিস্থিতিত ভূৰাগাঁও থানা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও ক্ষুব্ধ ৰাইজে গাড়ী খনৰ কিছু ক্ষতি সাধন কৰে। আৰক্ষীয়ে গাড়ীখন কোনোমতে উদ্ধাৰ কৰাৰ লগতে গাড়ীৰ মালিকক আটক কৰে। গাড়ীৰ মালিকৰ প্ৰকৃত পৰিচয় এতিয়াও আৰক্ষীয়ে সদৰি কৰা নাই যদিও গাড়ীৰ মালিকক সোধ পোছ অব্যাহত ৰাখিছে। আৰক্ষীৰ তদন্তত কি তথ্য পোহৰলৈ আহে সেয়া লক্ষণীয় হ'ব।

# কলা দৰ্শন একাডেমী, দক্ষিণপাটৰ দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ১৩ জুলাই ঃ** কলা দৰ্শন একাডেমী, দক্ষিণপাটৰ দ্বাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে ১১ জুলাই ২০২৬ তাৰিখে দক্ষিণপাট নেহৰু প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈ যায় লগতে সদৌ অসম ভিত্তিত নৃত্য প্ৰতিযোগিতা আৰু সৌন্দৰ্য্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনিত স্থান লাভ কৰিবলৈ সক্ষম হৈছে শিশু শাখাত প্ৰথম স্থান কাব্যশ্ৰী শইকীয়া, দ্বিতীয় স্থান নিলম বৰা, তৃতীয় স্থান নৃত্যাশ্ৰী দাস আৰু কৈশোৰ শাখাত প্ৰথম স্থান মৌচুমী ফুকন, দ্বিতীয় খুঁচি মণি শইকীয়া, তৃতীয় স্থান গীতাশ্ৰী কলিতা। ইয়াৰ উপৰিও নৃত্য প্ৰতিযোগিতা খনিত এটা শাখাত স্থান লাভ কৰিছে- প্ৰথম স্থান কংকনা বৰুৱা (কলিয়াবৰ), দ্বিতীয় স্থান চুম্পী বৰা (চাংচকী), তৃতীয় স্থান ময়ূৰী বৰা (কামপুৰ)আনটো শাখাত স্থান লাভ কৰিছে প্ৰথম কৃষ্টিশিখা বৰা, দ্বিতীয় অনুষ্কা প্ৰিয়া দাস, তৃতীয় জিনা ৰশ্মি শইকীয়া। লগতে চাৰিজন বিশেষ ব্যক্তিক বঁটা প্ৰদান কৰা হৈছে- নৃত্য সাধনা বঁটা ২০২৬ অসমৰ জনপ্ৰিয় নৃত্য পৰিচালক অসীম গগৈক, সংগীত সাধনা বঁটা ২০২৬ মীনা শইকীয়া বৰুৱাক, নাট্য সাধনা বঁটা ২০২৬ অসমৰ ভ্ৰাম্যমাণ জগতৰ জনপ্ৰিয় অভিনেত্ৰী চুমী দাসক আৰু বাদ্য সাধনা বঁটা ২০২৬ গুণকান্ত দাস দেৱক প্ৰদান কৰা হৈছে। কলা দৰ্শন একাডেমীৰ অধ্যক্ষ পাৰ্থ প্ৰতিম দাস, পৰিচালক বিশ্বজিৎ দাস আৰু অঞ্জলি দাসৰ উপস্থিতিত ছাত্ৰ-ছাত্ৰী সকলৰ গীত, নৃত্যয়ে সকলোকে আপ্লুত কৰি তোলে। নৃত্য প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে অসমৰ জনপ্ৰিয় নৃত্য পৰিচালক অসীম গগৈ, লক্ষ্য জ্যোতি দাস আৰু মাম্পী সাহা। উক্ত অনুষ্ঠানটিত মীনা শইকীয়া বৰুৱাৰ "সোণপাহী" নামৰ এখন গ্ৰন্থও উন্মোচন হয়।

**জোঁৱায়েকৰ দাৰ ঘাপত প্ৰাণ গ'ল শাহুৰ**

# গহপুৰৰ ডফলাগড়ত নৃশংস হত্যাকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ১৩ জুলাই ঃ** এক জঘন্য হত্যাকাণ্ডই জোকাৰি গ'ল গহপুৰৰ ডফলাগড় চাহ বাগিছা। জোঁৱাইৰ দাৰ ঘাপত প্ৰান গল বৃদ্ধা শাহুৰ। হেলেম আৰক্ষী থানাৰ অন্তৰ্গত ডফলাগড় চাহ বাগিছাৰ ২ নং লাইনৰ হিৰামতী ওৰাঙ নামৰ সত্তৰ উৰ্ধৰ বৃদ্ধা গৰাকীক ভাত খাই থকা অৱস্থাত নিজ জোঁৱায়েক চেলেম ওৰাঙে দাৰ কাটি হত্যা কৰে। আজি পুৱা প্ৰায় ৮ বজাত সংঘটিত হয় উক্ত হত্যাকাণ্ডটো। ইতিমধ্যে হেলেম আৰক্ষী ঘটনাস্থলীত উপস্থিত হত্যাকাৰীক কৰায়ত্ব কৰাৰ লগতে কাৰ্য্যবাহী দণ্ডাধীশৰ উপস্থিতিত মৃতদেহটো উদ্ধাৰ কৰি মৰোণোত্তৰ পৰীক্ষাৰ বাবে বিহালীলৈ প্ৰেৰণ কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইতিমধ্যে হত্যাকাৰী চেলেম ওৰাঙক হেলেম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধা পোছা আৰম্ভ কৰিছে। উল্লেখযোগ্য যে -ঘৰ জোঁৱাই হিচাপে থকা চেলেম ওৰাঙে শাহুৱেকৰ লগত কিবা কথাত বাক বিতণ্ডা লাগি খঙৰ ভমকত দাৰে আক্ৰমণ কৰি নিহত কৰে শাহুৱেকক।

**বিশিষ্ট চিত্ৰশিল্পী প্ৰয়াত দিগন্ত কুমাৰ মহন্ত সোঁৱৰণী বঁটা জ্যোতি পণ্ডিতলৈ**

# মৰিগাঁৱৰ অগ্ৰণী চিত্ৰকলা অনুষ্ঠান সঞ্জীৱনী কলা নিকেতনৰ বাৰ্ষিক পৰীক্ষা আৰু বঁটা প্ৰদান অনুষ্ঠান




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৩ জুলাই ঃ** মৰিগাঁৱৰ অগ্ৰণী চিত্ৰকলা অনুষ্ঠান সঞ্জীৱনী কলা নিকেতনৰ ২০২৫-২৬বৰ্ষৰ বাৰ্ষিক পৰীক্ষা আৰু এটা বঁটা প্ৰদান অনুষ্ঠান আজি মৰিগাঁও চহৰৰ শংকৰ মাধৱ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত কৰা হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ ২৬৯ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হোৱা বাৰ্ষিক পৰীক্ষাৰ আৰম্ভণিতে বিশিষ্ট চিত্ৰশিল্পী প্ৰয়াত দিগন্ত কুমাৰ মহন্তৰ সোঁৱৰণত এটা বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ২০২৪-২৫ বৰ্ষৰ এই বঁটাটো লাভ কৰে চিত্ৰকলাৰ ছাত্ৰী জ্যোতি পণ্ডিতে। সঞ্জীৱনী কলা নিকেতনৰ অধ্যক্ষ জ্যোতিপ্ৰসাদ মহন্তই আঁতধৰা বঁটা প্ৰদান অনুষ্ঠানটোত বঁটাটো প্ৰদান কৰে মৰিগাঁও জিলাৰ সহকাৰী আয়ুক্ত অংকিতা দত্তই। সঞ্জীৱনী কলা নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি ঘনকান্ত বৰা, কাৰ্যকৰী সভাপতি ডালিম ফুকন, উপ-সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, শংকৰ মাধৱ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিনেশ চন্দ্ৰ বসুমতাৰী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অন্নদা দেৱী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উমেশ ডেকা, মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সম্পাদক জিতুমনি নাথ, পৰীক্ষাৰ পৰ্যবেক্ষক সম্ভু ধৰ, সঞ্জীৱনী কলা নিকেতন পৰিচালনাৰ সমিতিৰ সম্পাদক মৃদুল বৰা, শিক্ষক ভাস্কৰজ্যোতি মহন্ত, উমান মহন্ত, অৰ্পণ কুমাৰ তামোলী, টুলুমণি দাস প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে প্ৰতিবছৰে বাৰ্ষিক পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীক প্ৰয়াত চিত্ৰশিল্পী দিগন্ত কুমাৰ মহন্তৰ সোঁৱৰণী বঁটা প্ৰদান কৰি আহিছে সঞ্জীৱনী কলা নিকেতনে।

# ডিব্ৰুগড়ত ড° নিয়াজ আহমেদ সোঁৱৰণী ১৭ বছৰৰ অনুৰ্ধ্ব ছোৱালী ফুটবল লীগত টেঙাখাট ছোৱালী দল চেম্পিয়ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৩ জুলাই ঃ** ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৩ জুলাইৰ পৰা ১১ জুলাইলৈ চৌকিডিঙী খেলপথাৰত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাখনৰ ৰোমাঞ্চকৰ নৈশ ফাইনেলত টেঙাখাট ছোৱালী এফ চিয়ে হ'লগুৰি টিপমীয়া এফ চিক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি চেম্পিয়ন হোৱাৰ গৌৰৱ অৰ্জন কৰে। প্ৰতিযোগিতাৰ ব্যক্তিগত বঁটা বিজয়ীসকল খেলুৱৈ সকল ক্ৰমে ফাইনেলৰ শ্ৰেষ্ঠ খেলুৱৈ-জাগৃতি সোণোৱাল (টেঙাখাট ছোৱালী এফ চি), সৰ্বাধিক গ'লদাতা - ডৰথী উৰিয়া (টেঙাখাট ছোৱালী এফ চি), শ্ৰেষ্ঠ গ'লৰক্ষক- জুনাকী বৰুৱা (হল'গুৰি টিপমীয়া এফ চি), প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ - তুলসী চাডগাপ (হল'গুৰি টিপমীয়া এফ চি)। সামৰণি অনুষ্ঠানত প্ৰাক্তন ফুটবলাৰ ননী নাথ শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। দাতা পৰিয়ালৰ সদস্য ড° আৰতি শইকীয়া আৰু ছোৰাব আহমেদ উপস্থিত থকাৰ লগতে অনুষ্ঠানত ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি মানস জ্যোতি দত্ত, সাধাৰণ সম্পাদক কামাখ্যা শইকীয়া, উপ-সভাপতি ইমদাদ আহমেদ, কোষাধ্যক্ষ প্ৰণৱ সোণোৱাল, যুটীয়া সম্পাদকত্ৰয় অঞ্জন বৰুৱা আৰু বিশ্বজ্যোতি বৰুৱা, কল্যাণ হাজৰিকা, সহকাৰী সম্পাদক বিৰাজ চেতিয়া, ক্ষীৰোদ সোণোৱাল আৰু প্ৰীতম দাস, বেডমিণ্টন সম্পাদক সুনীল গগৈ, এথলেটিক সম্পাদক বিপুল চুতীয়াৰ লগতে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বহু কেইজন বিষয়ববীয়া উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে আৰু চেম্পিয়ন, ৰানাৰ্ছ-আপ দলৰ লগতে বিভিন্ন শাখাৰ পুৰস্কাৰপ্ৰাপ্ত খেলুৱৈসকলৰ হাতত ট্ৰফী আৰু বঁটা প্ৰদান কৰে। লগতে এই প্ৰতিযোগিতা খনৰ সৈতে সংগতি ৰাখি ২০২৫-২৬ বৰ্ষত অসম ফুটবল সন্থাই আয়োজিত কৰা চিনিয়ৰ মহিলা ফুটবল দলত ডিব্ৰুগড় জিলাই বিজিত সন্মান বুটলিবলৈ সক্ষম হৈছিল সেয়েহে দলৰ সকলো খেলুৱৈ সকলক সমাজ সেৱক বিকি জৈনে বুট প্ৰদান কৰে লগতে তেখেতক ফাইনেলত সম্বৰ্ধনা জনোৱা হয়।

# গোলাঘাটত দৰঙী লোক সংস্কৃতিৰ 'চিয়া গীত' আৰু 'নাঙেলী গীত'ৰ কৰ্মশালা শুভাৰম্ভ

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৩ জুলাই ঃ** আজি গোলাঘাটত দৰঙী লোক সংস্কৃতিৰ 'চিয়া গীত' আৰু 'নাঙেলী গীত'ৰ কৰ্মশালা শুভাৰম্ভ কৰা হয়। দৰঙী লোক সংস্কৃতিৰ বিশিষ্ট গৱেষক তৰুণ আজাদ ডেকা সমল ব্যক্তি হিচাপে উপস্থিত থাকি 'চিয়া গীত' আৰু 'নাঙেলী গীত'ৰ কৰ্মশালা আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। উল্লেখ্য যে আজিৰে পৰা তিনিদিনীয়াকৈ গোলাঘাটৰ শিশু ভৱনত 'গান্ধৰ্ব সংগীত মহাবিদ্যালয়, গোলাঘাটৰ উদ্যোগত সংগীত মহাবিদ্যালয় খনৰ অধ্যক্ষা বিশিষ্ট লোক সংগীতৰ সাধক ৰুমী শইকীয়াৰ প্ৰচেষ্টাত উক্ত গীতৰ কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালা বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে সাংবাদিক ৰোহিত গগৈয়ে। উল্লেখ্য যে এই কৰ্মশালাত অন্য দুগৰাকী লোকশিল্পী ফণীন্দ্ৰ বড়া আৰু পুষ্প হাজৰিকাই সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে। এই কৰ্মশালাৰ অন্যতম উদ্যোক্তা মানস শৰ্মা আৰু পল্লৱ বৰবৰাই আঁত ধৰা অনুষ্ঠানত প্ৰায় ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। গান্ধৰ্ব সংগীত মহাবিদ্যালয় গোলাঘাটৰ অধ্যক্ষা ৰুমী শইকীয়াই চিয়া গীত' আৰু নাঙেলী গীত'ৰ সংৰক্ষণ আৰু চৰ্চা উদ্দেশ্যৰে নৱ প্ৰজন্মৰ মাজত এই কৰ্মশালা আয়োজন কৰা বুলি মন্তব্য কৰে।

# টুক্ৰেশ্বৰী দেৱালয়ত বৃহৎ বৃক্ষৰোপণ কাৰ্যসূচী; সেউজীয়াৰ সংকল্পৰে আগবাঢ়িছে গোৱালপাৰা

**অসম বাৰ্তা, কৃষ্ণাই, ১৩ জুলাই ঃ** বান্দৰৰ ৰাজ্য হিচাপে পৰিচিত গোৱালপাৰা জিলাৰ ঐতিহাসিক শ্ৰীশ্ৰী টুক্ৰেশ্বৰী দেৱালয় প্ৰাংগণত আজি এক বৃহৎ গছপুলি ৰোপণ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা হয়। প্ৰকৃতি সুৰক্ষা আৰু ধৰ্মীয় পৰ্যটনস্থলীভাগিৰ সৌন্দৰ্যবৰ্ধনৰ লক্ষ্যৰে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। গোৱালপাৰা ফটোগ্ৰাফী ছ'চাইটিৰ প্ৰশংসনীয় উদ্যোগত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়। য'ত সম্পূৰ্ণ সহযোগিতা আগবঢ়ায় দুধনৈ ব্যৱসায় সন্থা আৰু টুক্ৰেশ্বৰী দেৱালয় পৰিচালনা সমিতিয়ে। ইয়াৰ উপৰিও অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানেও এই সেউজ অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, শ্ৰীশ্ৰী টুক্ৰেশ্বৰী দেৱালয় কেৱল এটা ধৰ্মীয় স্থলীয়েই নহয়, ই শ শ বান্দৰ তথা বন্যপ্ৰাণীৰ আশ্ৰয়স্থল। পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে এই বন্যপ্ৰাণীসমূহৰ বাবে এক সুন্দৰ আৱাসভূমি গঢ়ি তোলাৰ উদ্দেশ্যেৰে আজি দেৱালয় চৌহদত বিভিন্ন প্ৰজাতিৰ মূল্যবান আৰু ফল-মূলৰ গছপুলি ৰোপণ কৰা হয়। উদ্যোক্তা আৰু স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে যে এই উদ্ভিদে অনাগত দিনত দেৱালয়খনৰ পৰিৱেশ আৰু অধিক সজীৱ কৰি তুলিব।

## সম্পাদকীয়

# ড্ৰাগছ আৰু নিচামুক্ত অসমৰ অভিযান

বিগত পাঁচ বছৰত অসম আৰক্ষীয়ে ৩, ০০০ কোটি টকাতকৈও অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰি ২৬, ০০০ৰ অধিক সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। নলবাৰী জিলাৰ দৌলশালস্থিত ১৪ নং অসম আৰক্ষী বাটালিয়ন চৌহদত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যব্যাপী ড্ৰাগছ দহন অভিযানৰ শুভাৰম্ভ কৰে। এই অভিযানত ৪৭২.৫১ কোটি টকা মূল্যৰ জব্দকৃত ড্ৰাগছ বৈজ্ঞানিক পদ্ধতিৰে ধ্বংস কৰা হয়। লখিমপুৰ, ধেমাজি, বৰপেটা, গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত সমান্তৰালভাৱে চলা এই ড্ৰাগছ দহন অভিযানে স্পষ্ট কৰে যে অসম চৰকাৰ ড্ৰাগছৰ বিৰুদ্ধে শূন্য সহনশীল নীতিৰে আগুৱাই গৈ আছে।

দাহ কৰা সামগ্ৰীসমূহৰ ভিতৰত প্ৰায় ৬০ কিলোগ্ৰাম হেৰ'ইন, ৩৮, ০০০ কিলোগ্ৰাম গাঞ্জা (যাৰ মূল্য প্ৰায় ১৯০ কোটি টকা), ৩৯.০৬৮ কিলোগ্ৰাম মৰ্ফিন, ৭৯.৭৭০ কিলোগ্ৰাম আফিং, ১৯, ০২, ৯২২টা য়াবা টেবলেট, কোকেইন, ক'ডেইনযুক্ত কাহ ছিৰাপৰ বটল আদি উল্লেখযোগ্য। বৰপেটাত ৫ কোটি ১৬ লাখ টকাৰ অধিক মূল্যৰ নিচাদ্ৰব্য ধ্বংস কৰা হয়। এই পৰিমাণে স্পষ্ট কৰে যে অসমৰ ড্ৰাগছ ব্যৱসায় কিমান গভীৰ আৰু বিস্তৃত।


অসম কেৱল ড্ৰাগছৰ বিনিময় কেন্দ্ৰ হিচাপেই নহয়, ই এক গুৰুত্বপূৰ্ণ ট্ৰেনজিট পইণ্ট হিচাপেও চিহ্নিত হৈছে। ম্যানমাৰৰ 'সোণালী ত্ৰিভুজ' অঞ্চলৰ পৰা অহা হেৰ'ইন, মেথামফেটামাইন আৰু য়াবা টেবলেট সমূহ মিজোৰাম, মণিপুৰৰ মাজেৰে অসমলৈ প্ৰৱেশ কৰি পশ্চিম বংগ আৰু দেশৰ অন্যান্য প্ৰান্তলৈ সৰবৰাহ কৰা হয়। এই পৰিস্থিতিয়ে অসমৰ বাবে এক গুৰুতৰ প্ৰত্যাহ্বান সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী গৰাকীয়ে উল্লেখ কৰা অনুসৰি, ড্ৰাগছ সৰবৰাহৰ মূল পৰিচালকসকলে প্ৰায়ে দেশৰ বাহিৰৰ পৰা কাম কৰে আৰু বহুকেইটা স্তৰৰ জৰিয়তে ব্যৱসায় চলায়, যাৰ বাবে তথ্য সংগ্ৰহ, আন্তঃৰাজ্যিক সমন্বয় আৰু জনসাধাৰণৰ সহযোগিতা অতি প্ৰয়োজনীয়।

অৱশ্যে, ড্ৰাগছ জব্দ আৰু গ্ৰেপ্তাৰৰ পৰিসংখ্যা চকুত লগা হ'লেও কিছু গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান বাকী আছে। ২০২১ চনৰ পৰা ২০২৬ চনৰ মে'লৈকে ১৬, ১৫৭টা এন ডি পি এছ গোচৰ ৰুজু হৈ ২৫, ৮৩৫জন গ্ৰেপ্তাৰ হোৱাৰ বিপৰীতে মাত্ৰ ১, ০০০ গোচৰতহে দোষী সাব্যস্ত কৰা সম্ভৱ হৈছে, আনহাতে প্ৰমাণৰ অভাৱত ১, ৫৮৬ অভিযুক্তই খালাছি পাইছে। এই তথ্যই আইনী কাৰ্যবিধি আৰু প্ৰমাণ সংগ্ৰহৰ ক্ষেত্ৰত থকা দুৰ্বলতাসমূহৰ ফালে আঙুলিয়াই দিয়ে। কিন্তু ৰেকৰ্ড ড্ৰাগছ জব্দ হোৱা সত্বেও ড্ৰাগছৰ যোগান শৃংখলাত কোনো স্থায়ী বিঘ্ন ঘটিছে বুলি প্ৰমাণ কম। গুৱাহাটীৰ দৰে ঠাইত নিৰ্ভয়ে ড্ৰাগছৰ ব্যৱসায় চলি থকাৰ অভিযোগেও আৰক্ষীৰ অভিযানৰ সীমাবদ্ধতাসমূহ প্ৰকাশ কৰে। সেয়েহে, কেৱল জব্দ আৰু গ্ৰেপ্তাৰেই যথেষ্ট নহয়; কঠোৰ দণ্ড, ফলপ্ৰসূ অভিযোগ গঠন আৰু দ্ৰুত বিচাৰৰ ব্যৱস্থা নিশ্চিত কৰাটোও সমানভাৱে জৰুৰী।

ড্ৰাগছ সমস্যাৰ সমাধান কেৱল আইন প্ৰয়োগৰ মাজতে সীমাবদ্ধ নহয়। পুনৰ্বাসন আৰু সজাগতাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন। অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিয়ে (ASACS) অপিঅ'ইড প্ৰতিষ্ঠাপন থেৰাপী (OST) কেন্দ্ৰসমূহৰ জৰিয়তে পুনৰ্বাসনৰ কাম আগবঢ়াই নিছে। কিন্তু এই প্ৰচেষ্টা যথেষ্ট নহয়। পৰিয়াল, শিক্ষানুষ্ঠান, স্বেচ্ছাসেৱী সংগঠন আৰু গণমাধ্যমৰ সন্মিলিত প্ৰয়াসৰ জৰিয়তে যুৱ প্ৰজন্মক ড্ৰাগছৰ কুপ্ৰভাৱৰ বিষয়ে সজাগ কৰি তোলাটো অত্যন্ত গুৰুত্বপূৰ্ণ। ড্ৰাগছ আসক্তিয়ে কেৱল ব্যক্তিকেই ধ্বংস নকৰে, ই গোটেই পৰিয়াল আৰু সমাজখনকে কলুষিত কৰে।

অসম চৰকাৰে আগন্তুক পাঁচ বছৰত ড্ৰাগছ বিৰোধী অভিযান অধিক তীব্ৰ কৰাৰ প্ৰতিশ্ৰুতি দিছে। প্ৰযুক্তিৰ ব্যৱহাৰ, আন্তঃৰাজ্যিক সমন্বয় বৃদ্ধি, আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা বিচাৰি উলিওৱাৰ লগতে আৰক্ষী বিষয়াসকলক শক্তিশালী প্ৰমাণ সংগ্ৰহৰ বাবে প্ৰশিক্ষণ দিয়াৰ কথাও ভাবিছে। লগতে, সীমান্ত বেৰা দিয়াৰ লগতে ড্ৰাগছৰ বিত্তীয় জালসমূহ ভাঙি পেলোৱাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ৰাজ্য চৰকাৰৰ এই পদক্ষেপসমূহ অতি প্ৰশংসনীয় যদিও ইয়াক সফল কৰি তুলিবলৈ জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণ অনিবাৰ্য। মুখ্যমন্ত্ৰী গৰাকীয়ে সঠিকভাৱে কৈছে, "জনতাই এনে তথ্য তৎক্ষণাত আৰক্ষীক জনোৱা উচিত।"

শেষত, ড্ৰাগছমুক্ত অসম গঢ়াৰ অভিযান কেৱল চৰকাৰ বা আৰক্ষীৰ নহয়, ই সমগ্ৰ সমাজৰ দায়িত্ব। আমি সকলোৱে এই সামাজিক ব্যাধিৰ বিৰুদ্ধে একত্ৰিত হ'ব লাগিব। যুৱ প্ৰজন্মেই দেশৰ ভৱিষ্যত-সিহঁতক ড্ৰাগছৰ পৰা ৰক্ষা কৰাটো আমাৰ সৰ্বোচ্চ কৰ্তব্য। আপুনি যদি ক'ৰবাত ড্ৰাগছৰ সৰবৰাহ বা ব্যৱহাৰ দেখে, তেন্তে নিঃসংকোচে আৰক্ষীক জনাওক। মনত ৰাখিব, আপোনাৰ এটা ফোনেই বহুতো জীৱন ৰক্ষা কৰিব পাৰে। ড্ৰাগছমুক্ত অসমেই হ'ব সুস্থ-সবল অসম।



# 'ট্ৰাষ্ট'ৰ পিঠিত 'ট্ৰাষ্ট'ৰ ছুৰী

*কেতিয়াবা বেঙ্কৰ টকাকেইটা কেনেকৈ পকেটলৈ আনিব পাৰি, আনৰ মাটি উঁৰা কেনেকৈ নিজৰ কৰি ল'ব পাৰি, তাৰেই চিন্তাত উচ্ পিচ্ লাগে। বানপানীত কক-বকাই থকা মানুহৰ বাবে অহা সাহায্য সামগ্ৰীৰ আধা, স্কুলৰ মধ্যাহ্ন ভোজনৰ চাউল কেইবস্তামান নিজৰ ঘৰলৈ আনিলেহে মনটোৱে শান্তি লভে। বাটত দুৰ্ঘটনাত পতিত হোৱা যাত্ৰীক সহায় কৰিবলৈ যোৱাৰ চলেৰে তেওঁলোকৰ টকা-পইচা, সোণৰ গহনা বা মোবাইল ফোন হস্তগত কৰা মানুহৰ কথাও শুনা যায়। ডাঙৰ ডাঙৰ মানুহে সৰু মানুহক প্ৰতাৰণা কৰে। প্ৰতাৰণা কৰে আমি ভোট দি জিকাই পঠোৱা দেশৰ নেতাই। প্ৰতাৰণা কৰে প্ৰেমিকে প্ৰেমিকাক। কেতিয়াবা নিজৰ বদনাম ঢাকিবলৈ নাৰীয়ে সকলো দোষ পুৰুষৰ ওপৰত জাপি দিয়ে। শিক্ষকেও কিছুমান ছাত্ৰ-ছাত্ৰীক অপ্ৰৰোচিত ভাৱে পৰীক্ষাত সহায় কৰে, নাইবা কাৰোবাৰ ব্যক্তিগত আখেজ পূৰণ কৰে।*

**ড° আৰ কে বেজবৰুৱা**

Complete trust or confidence in someone or something may be defined as faith. সেয়া বিশ্বাস। ভৰষা নাইবা পতিয়ন যোৱা। আমি নিশ্চিত যে- গছৰ পুলি এটা ৰুলে সি এসময়ত ডাল-পাত বিস্তাৰ কৰি ফুল আৰু ফল ধাৰণ কৰিব, তাত বিভিন্ন চৰাই-চিৰিকতি আহি বহিব। খেতিয়কে আকাশলৈ চায়, বৰষুণ আহিব বুলি। সময়ত মেঘে বৰষুণ দিয়ে। খেতিয়কে পথাৰ চহায়, শস্যৰ বীজ ৰোপণ কৰে। তাৰ পিছত শস্যৰে নদন বদন হৈ পথাৰ ভৰি পৰে।

এই যে গছৰ পুলিটো ৰোৱা হ'ল, তাৰ পৰা সুফল এটা লাভ হ'ব বুলি আমাৰ নিশ্চিত ধাৰণা। খেতিয়কো নিশ্চিত- বৰষুণ আহিব, পথাৰত শস্য সিচিব আৰু নিৰ্দিষ্ট সময়ৰ পিছত শস্য চপাব। এয়াই মানুহৰ চিৰন্তন বিশ্বাস! বিশ্বাস- তেনেকুৱাই। কোনোবা নাৰীয়ে চকু বন্ধ কৰি নিজৰ তন, মন, জীৱন বা ভৱিষ্যত বুলি যদি কিবা কথা থাকে, সকলো এজন পুৰুষৰ হাতত এৰি দিয়ে। তেওঁ নিশ্চিত, পুৰুষজনৰ সৈতে তেওঁৰ বিষয়-বাসনা সকলো সংপৃক্ত হৈ এটা 'জীৱন' সম্পূৰ্ণ হ'ব। পুৰুষৰ ক্ষেত্ৰতো একেই কথা! তেওঁৰ চিন্তা-ভাৱনা, কাম-কাজ, সুখ-দুখ সকলোৰে সমভাগী হ'ব সেই নাৰী, যাক লৈ তেওঁৰ সমস্ত কাৰ্য্য-কাৰণ আৱৰ্তিত হৈ এখন সংসাৰ ৰচনা হ'ব।

শিশুৱে মাকৰ বুকুত নিশ্চিন্তে তাৰ প্ৰয়োজনীয় খাদ্য পায়, নিশ্চিন্ত হৈ টোপনি যায়। কান্দিলেও তাৰ বিশ্বাস- মাকে তাক নিচুকাব। পিয়াহটো তাৰ মুখত গুজি দিব। মাকৰ আঙুলিত ধৰি পৃথিৱীত খোজ দি এদিন জীৱনক ধন্য কৰিব। এটা সময় পৰ্যন্ত শিশোৱে মাক-দেউতাকৰ কোলাত নিশ্চিত হয় যে- তাৰ কোনো বিপদ নহয়। নাইবা, হাজাৰ বিপদ-বিঘিনি আহিলেও তাৰ মাক-দেউতাক আছে, সকলো চম্ভালিবলৈ।

দেউতাকে নিজৰ ছোৱালীজনী অচিনাকি ল'ৰা এজনৰ হাতত তুলি দিয়ে এই বিশ্বাস লৈ যে, তাইৰ সমস্ত দায়িত্ব সেই অচিনাকি ল'ৰাজনে মূৰ পাতি ল'ব, তাইক প্ৰয়োজনীয় নিৰাপত্তা দিব। সেইদৰে ল'ৰা এজনৰ মাকেও শৰীৰত ধাৰণ কৰি তিলে তিলে ডাঙৰ-দীঘল কৰা তেওঁৰ পুত্ৰক বোৱাৰীয়েকৰ হাতত এৰি দিয়ে এই ভাবি যে তেওঁ যিদৰে ল'ৰাজনৰ সুখ-দুখৰ প্ৰতি মনোযোগ দিছিল সেই দৰেই বোৱাৰীয়েকেও মনোযোগ দিব আৰু দুয়ো একেলগে তেওঁৰ সংসাৰখন আগুৱাই লৈ গৈ থাকিব। আমাৰ ভাই-ককাই আছে, বিপদৰ সন্মুখীন হ'লেই সন্মুখত আহি থিয় দিব। ওচৰ-চুবুৰীয়া আছে, ৰাতি- বিয়লি বিপদ আহিলে, নিশ্চয় সহায়ৰ হাত আগবঢ়াই দিব। বিশ্বাস - এনেকুৱাই।

চাবলৈ গ'লে বিশ্বাসৰ হয়তো নিৰ্দিষ্ট কোনো পৰিভাষা নাই। কিন্তু, পৃথিৱীৰ আটাইতকৈ শ্ৰেষ্ঠ সম্পদ হৈছে বিশ্বাস। বিশ্বাসেই পৃথিৱী! বিশ্বাসৰ প্ৰৰোচনাতে আমি শিলত ভগৱানৰ অন্বেষণ কৰোঁ। নদীক মাতৃ জ্ঞান কৰোঁ। সেঁন্দূৰত পতিৰ আয়ুস কামনা কৰোঁ। মন্দিৰত বন্তি জ্বলাওঁ। মূৰৰ চুলি ছিঙি আশীৰ্বাদ দিওঁ। আমাৰ প্ৰতিটো কাম বিশ্বাসৰ এখন দুৰ্ভেদ্য বৰ্মেৰে পৰিবৃত্ত হৈ আহিছে, অনন্ত কালজুৰি। কোনো এজনী মহিলাই বিপদত পৰি ৰাজপথত চিঞৰ মাৰে, কোনোবা আগবাঢ়ি আহিব আৰু তেওঁৰ আটাইতকৈ মূল্যবান বস্তুটো ৰক্ষা কৰিব। আমি ডাক্তৰৰ ওচৰলৈ লৈ গৈ সকলো গোপনীয় কথা ব্যক্ত কৰোঁ। আমাৰ বিশ্বাস - তেওঁ আমাৰ সকলো বেদনাৰ উপশম কৰিব। আমাৰ সন্তানক স্কুললৈ পঠিয়াওঁ। আমাৰ বিশ্বাস স্কুলত আমাৰ সন্তানে নিজৰ ভৱিষ্যত গঢ়িব আৰু শিক্ষকে তাৰ মাৰ্গ দৰ্শন কৰাব। প্ৰতিটো নিৰ্বাচনত আমি ভোট দিওঁ এই ভাবি যে আমি ভোট দিয়া নেতাজনে নিৰ্বাচিত হৈ আমাৰ দহৰ কাৰণে ভাল কামবোৰ নিস্বাৰ্থ ভাৱেৰে সম্পন্ন কৰিব। বিশ্বাস- হয়তো তাৰেই নামান্তৰ! এইবোৰ কথা চিৰন্তন সত্য বুলিও ক'ব নোৱাৰি। তাৰ বিপৰীত ঘটনাও আমি প্ৰত্যক্ষ কৰোঁ। আমি প্ৰায়েই বিশ্বাসক হত্যা কৰি বিশ্বাসযোগ্যতা হেৰুৱাওঁ।

কোনো অচিনাকি ছোৱালীক নিজৰ ভনী বুলি ভাবিব নোৱাৰোঁ। অচিনাকি নাৰী বিপদত পৰা বুলি সহায় কৰিবলৈ যাওঁতে বহুতো সৎ পুৰুষ সৰ্বস্বান্ত হোৱাৰ উদাহৰণো আছে অনেক। লোকৰ ল'ৰা-ছোৱালীৰ মনত আত্মীয়তাৰ বিশ্বাস জন্মাই ফুচুলাই নি ধন দাবী কৰা বা বেয়া কামত নিয়োগ কৰা কাহিনীও বহুত আছে। কেতিয়াবা হত্যা কৰাৰ দৰে নিষ্ঠুৰ ঘটনাও শুনিবলৈ পাওঁ। ডাঙৰ হৈ ভৱিষ্যতে হাতৰ লাখুটি হ'ব বুলি ভবা সন্তানে নিজৰ বৃদ্ধ পিতৃ-মাতৃক কোনোবা পথৰ দাঁতিত বা আশ্ৰয় গৃহত এৰি থৈ আহে।

কেতিয়াবা বেঙ্কৰ টকাকেইটা কেনেকৈ পকেটলৈ আনিব পাৰি, আনৰ মাটি উঁৰা কেনেকৈ নিজৰ কৰি ল'ব পাৰি, তাৰেই চিন্তাত উচ্ পিচ্ লাগে। বানপানীত কক-বকাই থকা মানুহৰ বাবে অহা সাহায্য সামগ্ৰীৰ আধা, স্কুলৰ মধ্যাহ্ন ভোজনৰ চাউল কেইবস্তামান নিজৰ ঘৰলৈ আনিলেহে মনটোৱে শান্তি ল'ভে। বাটত দুৰ্ঘটনাত পতিত হোৱা যাত্ৰীক সহায় কৰিবলৈ যোৱাৰ চলেৰে তেওঁলোকৰ টকা-পইচা, সোণৰ গহনা বা মোবাইল ফোন হস্তগত কৰা মানুহৰ কথাও শুনা যায়। ডাঙৰ ডাঙৰ মানুহে সৰু মানুহক প্ৰতাৰণা কৰে। প্ৰতাৰণা কৰে আমি ভোট দি জিকাই পঠোৱা দেশৰ নেতাই। প্ৰতাৰণা কৰে প্ৰেমিকে প্ৰেমিকাক। কেতিয়াবা নিজৰ বদনাম ঢাকিবলৈ নাৰীয়ে সকলো দোষ পুৰুষৰ ওপৰত জাপি দিয়ে। শিক্ষকেও কিছুমান ছাত্ৰ-ছাত্ৰীক অপ্ৰৰোচিত ভাৱে পৰীক্ষাত সহায় কৰে, নাইবা কাৰোবাৰ ব্যক্তিগত আখেজ পূৰণ কৰে।

আন এটা ট্ৰাষ্ট হৈছে 'ন্যাস'। কোনো বিশেষ উদ্দেশ্য পূৰণৰ বাবে আনুষ্ঠানিকভাৱে গঠিত বা সংৰক্ষিত আৰ্থিক সম্পদ। সেই সম্পদ ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰা হয়। কেইজনমান বিশ্বস্ত লোক বা কোনো সমিতিৰ হাতত ন্যাসৰ সম্পদ সঁপি দিয়া হয় যাতে তাৰ সংৰক্ষণ আৰু সংবৰ্ধন হয়। কিন্তু আজিআমি কি দেখিছোঁ? ট্ৰাষ্টে ট্ৰাষ্টৰ পিঠিত ছুৰী বহুৱাইছে।

পঞ্চদশ শতিকাত অযোধ্যাস্থিত ৰাম মন্দিৰৰ ওপৰ অংশ ভাঙি মোগলে মছজিদ নিৰ্মাণ কৰিছিল। তাৰ পিছৰে পৰাই প্ৰভু ৰামচন্দ্ৰ গৃহহীন হৈ পৰে। আস্থাশীল একাংশ হিন্দুৱে প্ৰভু ৰামক ন্যায় প্ৰদানৰ বাবে বিভিন্ন সময়ত চেষ্টা চলাই আহিছে। ওঁঠৰ শতিকাৰ পঞ্চাশৰ দশকত সেই বিবাদ হিংসাত্মক হৈছিল। তাৰ পিছতো অনেক সময়ত বিভিন্ন বাদ বিবাদে মূৰ তুলি উঠিছিল। অৱশেষত ২০১৯ চনৰ ৯ নৱেম্বৰত ভাৰতৰ উচ্চতম ন্যায়ালয়ে ঐতিহাসিক ৰায়ৰ দ্বাৰা প্ৰভু ৰামক স্থায়ী গৃহ প্ৰদানৰ পথ সুনিশ্চিত কৰিছিল। তাৰ ফলশ্ৰুতিত বিবাদিত ভূমিৰ মালিকীস্বত্বৰ ৰাম জনমভূমি ন্যাসৰ হাতত তুলি দিছিল। ভাৰত চৰকাৰে ২০২০ চনৰ ফেব্ৰুৱাৰীত 'শ্ৰীৰাম জন্মভূমি তীৰ্থক্ষেত্ৰ' নামৰ ট্ৰাষ্ট এখন গঠন কৰি মন্দিৰ নিৰ্মাণ আৰু পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰিছিল। ১২জন চৰকাৰৰ দ্বাৰা মনোনীত সদস্যৰে মুঠ ১৫ জনীয়া ট্ৰাষ্টৰ কাম হৈছে মন্দিৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ আৰু মন্দিৰৰ তত্ত্বাৱধান কৰা। তাৰ পিছত পৰ্য্যায় ক্ৰমে কাম আগবঢ়াই নি ২০২৪ চনৰ ২২ জানুৱাৰীত ৰাম মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা কৰা হৈছিল। মন্দিৰত নিতৌ ভক্ত তথা দৰ্শনাৰ্থীৰ সমাগম ঘটিছিল আৰু মন্দিৰৰ দান পাত্ৰ উপচি পৰিছিল। মন্দিৰৰ সু পৰিচালনাৰ বাবে গঠন কৰা হৈছিল ট্ৰাষ্ট (ন্যাস)। কিন্তু ট্ৰাষ্টৰ মূল ব্যক্তিসকলৰ 'ট্ৰাষ্ট' অধঃপতিত হ'ল। তাৰ 'ট্ৰাষ্ট' হেৰাই যাবলৈ ওলাইছে চৰকাৰৰ ওপৰত, বিশ্বাস ভংগ হ'ল সেই সকলৰ ওপৰত যিয়ে ভব্য ৰাম মন্দিৰ নিৰ্মাণত মুখ্য ভূমিকা লৈছিল। আন কি স্বয়ং শ্ৰীৰামৰ ওপৰতো আস্থা হেৰোৱাৰ উপক্ৰম হৈছে। তেওঁৰ সন্মুখতে চোৰে দানৰ ধন চুৰি কৰি আহিছে, কিন্তু তেওঁ নিৰ্বিকাৰ।


ট্ৰাষ্টৰ মহা সচীৱ সম্পট ৰায় এজন আৰ এছ এছৰ প্ৰাক্তন সদস্য। হোমিওপেথিক ডাক্তৰ অনিল মিশ্ৰ, জিলাধিপতি সঞ্জয় প্ৰসাদ, ৩জন আই এ এছ বিষয়া, ৰিটায়াৰ্ড আই এ এছ বিষয়া-গোপাল ৰায় আদি লোকৰ লোভৰ আগত ভক্তি, আস্থা, মানৱতা, বিৱেক সকলো পুৰি ছাঁই হৈ গ'ল। দানৰ টকা আত্মসাৎ কৰা ৰাম শংকৰ যাদৱ, লৱকুশ মিশ্ৰ, অনুকল্প মিশ্ৰ, মনিষ যাদৱ, কৰুণেশ পাণ্ডে, ৰামাশংকৰ মিশ্ৰ, অবিনাশ শুক্লা, সুভাষ শ্ৰীবাস্তৱ আদি এই মহা ভক্তসকল আৰক্ষীৰ আলহী। বাতৰি মতে, ভাৰতীয় ষ্টেট বেংকৰ ৫জন কৰ্মচাৰীও এই চুৰি কাণ্ডৰ সহযাত্ৰী। তথ্য অনুসৰি এইসকল বিশ্বাসঘাতকৰ দ্বাৰা ৭ কোটি টকা চুৰি হৈছিল। তাৰে ২ কোটি উদ্ধাৰ হৈছে। সেই কথা জানো 'ট্ৰাষ্ট' কৰিব পাৰি?

ভগৱানৰ দানৰ টকা চুৰি? তাকো ৰাম মন্দিৰৰ দৰে আস্থা, দীঘলীয়া সংঘৰ্ষ আৰু প্ৰাণৰ বলিদানেৰে নিৰ্মাণ কৰা মন্দিৰৰ ধন? মানুহৰ নৈতিকতাৰ ইমানেই নে? এনেকুৱা কথাৰ বাবে মানুহৰ মনৰ পৰা বিশ্বাস হেৰাই যায়। বহু সময়ত হতাশাত মানুহ ভাগি পৰে। মানুহক বিশ্বাস কৰিব নোৱাৰা হয়। এতিয়া বিশ্বাসৰ যেন অপমৃত্যু ঘটিছে। এতিয়া বিশ্বাসৰ ৰূপ মাছে বৰশীৰ টোপটো পৰম বিশ্বাসেৰে গিলাৰ দৰেই। ছাগলীবোৰ কচাইৰ পিছে পিছে কচাইখানালৈ যোৱাৰ দৰেই। আনহাতে, আমাৰ দৈনন্দিন জীৱনৰ সকলো ক্ষেত্ৰতে বৰ্তমান 'মূল্যবোধ' শব্দটোৰ বহুল প্ৰয়োগ আৰু চৰ্চা দেখা যায়। মূল্যবোধ এনেকুৱা এটা বিষয়- যাক কোনো সূত্ৰতে বান্ধিব পৰা নেযায়। তাৰ সম্যক ধাৰণা এটাহে দিব পৰা যায়।

যি অৱধাৰণাজন সমূদায়ৰ যি কোনো হিতৰ চিন্তাত কৰিব পৰা যায় তাকে মূল্যবোধ বুলি ধৰিব পাৰি। বৰ্তমান মূল্যবোধ সম্পূৰ্ণ বাষ্প হৈ মানুহৰ মনৰ পৰা ওলাই গৈছে। টকা আৰু ক্ষমতাত সকলো অন্ধ। ভগৱানকো ভেঙুচালি। চি চি কেমেৰাৰ সন্মুখত চুৰি।

বিশ্বাসৰ বিকল্প কিবা আছে নে এতিয়া?
ট্ৰাষ্টৰ হাতত সম্পদ সুৰক্ষিত নে?
এই প্ৰশ্নৰ উত্তৰ পাঠকৰ হাতত!

# অংগনবাড়ী কেন্দ্ৰৰ শিশুসকলৰ বাবেও গ্ৰীষ্মবন্ধ ঘোষণা কৰা হওক




ইতিমধ্যে পূৰ্বৰ বৰ্ষবোৰৰ দৰেই জুলাই মাহ সোমোৱাৰ লগে লগে সম্ভাব্য গ্ৰীষ্মপ্ৰবাহৰ তীব্ৰতাৰ পৰা শিক্ষাৰ্থীসকল সুৰক্ষিত হোৱাৰ উদ্দেশ্যে ৰাজ্যৰ বিদ্যালয়-মহাবিদ্যালয়সমূহত গ্ৰীষ্ম বন্ধ বা গৰমৰ বন্ধ ঘোষণা কৰা হৈছে। অসমৰ প্ৰাকৃতিক পৰিৱেশৰ বাবে এই গ্ৰীষ্মবন্ধৰ ঘোষণা এটি অতি প্ৰয়োজনীয় পদক্ষেপ। শিক্ষাৰ্থীসকলক বিভিন্ন সৃষ্টিশীল কৰ্ম আৰু সহঃবিদ্যায়তনিক প্ৰতিভাসমূহৰ চৰ্চাৰ ক্ষেত্ৰতো এই গ্ৰীষ্মবন্ধই এক সোণালী সুযোগ আনি দিয়ে। কিন্তু শেহতীয়াকৈ তাপমাত্ৰা ক্ৰমশঃ অধিক উষ্ণ হোৱা বাবে বিভিন্ন গ্ৰীষ্মকালীন কৰ্মশালাবোৰো সীমিত আৰু কম পৰিসৰত সুৰক্ষিতভাৱেহে আয়োজন কৰা উচিত। লক্ষণীয় যে গ্ৰীষ্মকালীন শিৱিৰবোৰ কোনো কোনো লোকৰ বাণিজ্যিক লাভালাভৰ ক্ষেত্ৰলৈ পৰ্যবসিত হোৱাটো খুবেই দুৰ্ভাগ্যজনক। আমি এই ক্ষুদ্ৰতম পত্ৰযোগে আন এটি দিশৰ প্ৰতিহে সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ। যিসময়ত অসহ্য তাপমাত্ৰাৰ পৰা সুৰক্ষিত হ'বলৈ ৰাজ্যৰ প্ৰায়বোৰ শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰা হৈছে সেইসময়তে কিন্তু কণ কণ শিশুৰ পাঠশালাস্বৰূপ অংগনবাড়ী কেন্দ্ৰসমূহ খোলা ৰখা হৈছে যাৰফলত কণমানি শিশুসকলৰ লগতে কেন্দ্ৰৰ কৰ্মচাৰী আৰু অভিভাৱক-অভিভাৱিকাসকলে এক কষ্টকৰ পৰিৱেশত নিয়মীয়া কাৰ্যসূচী ৰূপায়ণ কৰিবলগীয়া হৈছে। ইফালে ৰাজ্যত আহল-বহল আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ সংখ্যাও নিচেই সীমিত। ফলশ্ৰুতিত এটি অত্যন্ত সৰু আৰু চাপৰ তথা শিশুৰ বাবে অনুপযুক্ত কোঠাতে শিশুসকলে সময় পাৰ কৰিবলগীয়া হৈছে। সেয়ে আমাৰ দৃষ্টিৰে শিশুৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি অসহ্যকৰ গ্ৰীষ্মপ্ৰবাহৰ পৰা শিশুসকলক সুৰক্ষিত কৰাৰ অৰ্থে অংগনবাড়ী কেন্দ্ৰসমূহতো জুলাই মাহটোত গ্ৰীষ্মবন্ধ ঘোষণা কৰা উচিত। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, ৰাজ্যত বিভক্ত প্ৰান্তত সিঁচৰতি হৈ থকা সৰু সৰু অংগনবাড়ী কেন্দ্ৰসমূহ শিশুৰ মন আকৰ্ষণ কৰিব পৰাকৈ আটকধুনীয়া আৰু আহল-বহল পৰিসৰত নিৰ্মাণ কৰা উচিত আৰু এই কেন্দ্ৰসমূহত অন্ততঃ উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ, অতিশয় আগ্ৰহী, দক্ষ আৰু প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰী নিয়োজিত কৰা উচিত।

*ৰঞ্জিত শইকীয়া*
*কুৰালগুৰি, দেৰগাঁও*

# দৰাবিলৰ বাকৰিত বনৰীয়া হাতীয়ে বাসস্থান কৰিব নেকি?




সম্পাদক ডাঙৰীয়া,

পলাশবাৰী সমষ্টিৰ অন্তৰ্গত বিখ্যাত "দৰাবিল গো চৰণীয়া পথাৰত" দিনদুপৰতে মুকলি আকাশৰ তলত চাৰিটা বনৰীয়া হাতী দেখা পোৱা গ'ল। গোটেই দিনটো থকাৰ দৰে থাকিল। আগতে ৰাতি বা সন্ধিয়া ভাগত কিছু দেখা পোৱা গৈছিল। আজি ৪ জুলাইত কোনো দিনে নেদেখা ঘটনা বুলি ক'ব পাৰি। বনৰীয়া হাতীয়ে সাধাৰণ পানীভটৰাৰ আৰত দিনৰ দিনটো লুকাই থাকিল। ৰাতিপুৱা প্ৰায় ৫ বজাৰ পৰা ৰামপুৰ, নহিৰা, ৰাজা পুখুৰী আদিৰ মানুহ আহি ভৰি গ'ল। কাৰণ কোনোৱে এনেদৰে ঘণ্টাৰ পিছত ঘণ্টা একে ঠাইতে বনৰীয়া হাতী দেখা নাই। জংঘলৰ কথা বেলেগ। জানিব পৰা মতে যোৱা নিশাৰ ভাগত বহুত ঠাইত অনিষ্ট সাধন কৰিছে। কাৰোবাৰ ভৰালঘৰৰ পৰা ধান খাইছে। কাৰোবাৰ কঠাল খাইছে। কাৰোবাৰ কলগছ খাইছে। এতিয়া কথা হ'ল যেনেকুৱা পৰিৱেশত আছে। সন্ধিয়া বা ৰাতিৰ ভাগত অহা-যোৱা কৰা ভয় লগা পৰিৱেশ হ'ল। ইতিমধ্যে আমি ইয়াৰ আগতে কেইবাখনো চিঠিৰ জৰিয়তে বাতৰি কাকতত ওজৰ আপত্তি কৰিছিলোঁ। কিন্তু আমাৰ অনুৰোধ ৰাইজৰ দাবী বিকল্প হিচাপে হাতী দুবাৰ খেদি পঠিয়ায়। তাৰ কিছু দিন পিছত আকৌ হাতী আহি উপস্থিত হয়। সেয়ে পুনৰ অনুৰোধ কৰিছোঁ। যদি সম্ভৱ হয় স্থায়ী সমাধান কৰিব পাৰিলে ভাল। আমাৰ হিচাপে ধৰি বান্ধি বিশাল অভয়াৰণ্যৰ মাজত এৰি দিলে ভাল। এয়া দিনতে নহয় বাৰু। সময় সুবিধা লৈ কামটো কৰিব লাগিব। এয়া আমাৰ নিজা মন্তব্য প্ৰকাশ কৰিলোঁ। যিটো মেল মিতিঙত দাঙি ধৰো।

*বিপুল চন্দ্ৰ দাস*
*নহিৰা গাঁও, দক্ষিণ কামৰূপ*

# প্ৰতিযোগিতাৰ ভিৰত হেৰাই যোৱা মানসিক শান্তি

**কানুপ্ৰিয়া ডেকা**

আধুনিক যুগটো যেন এখন অন্তহীন দৌৰা পথাৰ। ইয়াত প্ৰতিজন মানুহেই দৌৰিছে- কোনোবাই নম্বৰৰ বাবে, কোনোবাই চাকৰিৰ বাবে, কোনোবাই ধনৰ বাবে, আকৌ কোনোবাই সমাজৰ স্বীকৃতিৰ বাবে। এই দৌৰৰ মাজত মানুহে বিজয়ৰ মুকুট বিচাৰিছে, কিন্তু সেই মুকুটৰ তলতে যে মনৰ শান্তিৰ কোমল ফুলবোৰ শুকাই গৈছে, সেয়া যেন কাকোৱেই লক্ষ্য নকৰে।

এসময়ত জীৱন আছিল নদীৰ দৰে-নিজৰ গতিৰে বৈ যোৱা, নিজৰ সুৰেৰে গোৱা। কিন্তু আজিৰ জীৱন যেন ঘড়ীৰ কাঁটাৰ লগত বান্ধ খাই পৰা এটা যন্ত্ৰ, যিয়ে অবিৰামভাৱে চলি থাকে। সৰু লৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বৃদ্ধজনলৈকে সকলোৱে প্ৰতিযোগিতাৰ এই অদৃশ্য জালত আবদ্ধ। বিদ্যালয়ত অধিক নম্বৰ, মহাবিদ্যালয়ত উত্তম ফলাফল, চাকৰিৰ ক্ষেত্ৰত আনক পিছ পেলোৱাৰ হেঁপাহ- এই সকলোবোৰে জীৱনক এখন যুদ্ধক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিছে।

প্ৰতিযোগিতা নিজে বেয়া নহয়। প্ৰতিযোগিতাই মানুহক আগবাঢ়িবলৈ অনুপ্ৰেৰণা দিয়ে, নিজৰ সামৰ্থ্য চিনিবলৈ সহায় কৰে। কিন্তু যেতিয়া প্ৰতিযোগিতাই সহযোগিতাক গিলি খায়, যেতিয়া সফলতাৰ সংজ্ঞা কেৱল জয় আৰু পৰাজয়ৰ মাজত সীমাবদ্ধ হৈ পৰে, তেতিয়াই সমস্যাৰ সূচনা হয়। তেতিয়া মানুহে আনৰ সৈতে নহয়, নিজৰ মনৰ সৈতেও যুদ্ধ আৰম্ভ কৰে।



আজিৰ সমাজত বহু মানুহৰ মুখত হাঁহি আছে, কিন্তু সেই হাঁহি কেতিয়াবা শৰতৰ আকাশৰ মেঘৰ দৰে ক্ষণস্থায়ী। অন্তৰৰ ভিতৰত জমা হৈ থাকে উদ্বেগ, ভয় আৰু অনিশ্চয়তাৰ ধুমুহা। সামাজিক মাধ্যমত আনৰ সফলতাৰ উজ্জ্বল ছবি দেখি বহুতে নিজৰ জীৱনক ম্লান বুলিয়েই ভাবিবলৈ ধৰে। আনৰ জীৱনৰ পোহৰৰ লগত নিজৰ জীৱনৰ দিয়া তুলনা কৰোঁতে বহু হৃদয় অজানিতে অন্ধকাৰত ডুব যায়।

বিশেষকৈ যুৱ সমাজ এই সমস্যাৰ দ্বাৰা অধিক প্ৰভাৱিত হৈছে। পিতৃ-মাতৃৰ আশা, সমাজৰ প্ৰত্যাশা আৰু নিজৰ সপোনৰ বোজা কান্ধত লৈ বহু যুৱক-যুৱতী আগবাঢ়িছে। কিন্তু এই বোজা কেতিয়াবা পাহাৰৰ দৰে গধুৰ হৈ পৰে। মনটো যেন বৰষুণৰ আগৰ আকাশৰ দৰে মেঘাচ্ছন্ন হৈ উঠে, আৰু মানসিক শান্তি যেন মৰুভূমিত পানীৰ সন্ধানৰ দৰে দুৰ্লভ হৈ পৰে।

মানসিক শান্তি হৈছে জীৱনৰ সেই নীৰৱ সংগীত, যাৰ অবিহনে সফলতাৰ সকলো বাদ্যযন্ত্ৰই বেসুৰা শুনায়। ধন, যশ বা প্ৰতিপত্তিয়ে মনৰ শান্তিৰ বিকল্প হ'ব নোৱাৰে। সোণৰ খাঁচাত বন্দী চৰাই যেনেকৈ মুক্ত আকাশৰ বাবে আকুল হয়, তেনেকৈ প্ৰতিযোগিতাৰ শৃংখলত বন্দী মনটোৱেও শান্তিৰ বাবে হাহাকাৰ কৰে।

সেয়েহে আমাৰ প্ৰয়োজন সফলতাৰ অৰ্থ নতুনকৈ বুজা। সফলতা মানে কেৱল আনক পিছ পেলোৱা নহয়; সফলতা মানে নিজৰ সামৰ্থ্য অনুসৰি আগবাঢ়ি যোৱা, নিজৰ মনৰ সৈতে বন্ধুত্ব গঢ়া আৰু জীৱনৰ সৰু সৰু আনন্দবোৰ অনুভৱ কৰা। জীৱনৰ পথটো এখন প্ৰতিযোগিতাৰ মঞ্চ নহয়, বৰঞ্চ ই এখন বাগিচা- য'ত প্ৰতিজন ফুলে নিজৰ সময়ত, নিজৰ সৌন্দৰ্যৰে ফুলিব পাৰে।

প্ৰতিযোগিতাৰ এই উত্তাল সাগৰত মানসিক শান্তি হৈছে এখন নাও, যিয়ে মানুহক জীৱনৰ তীৰলৈ নিৰাপদে লৈ যায়। যদি আমি কেৱল জয়ৰ পিছত দৌৰি থাকোঁ, তেন্তে হয়তো মুকুট লাভ কৰিম; কিন্তু যদি মনৰ শান্তিক জীয়াই ৰাখোঁ, তেন্তে জীৱনকো জয় কৰিব পাৰিম। কিয়নো শেষত, জীৱনৰ সৰ্ববৃহৎ বিজয় আনক পৰাস্ত কৰাত নহয়, নিজৰ মনক শান্ত আৰু সন্তুষ্ট কৰি ৰখাতহে নিহিত হৈ আছে।

প্ৰতিযোগিতাৰ ভিৰত মানুহে আজি নিজকে আনৰ সৈতে তুলনা কৰিবলৈ শিকিছে, কিন্তু নিজৰ অন্তৰৰ সৈতে কথা পাতিবলৈ পাহৰি গৈছে। তুলনাৰ এই আগুনে বহু হৃদয়ৰ শান্তিৰ বননি দাহ কৰি পেলাইছে। কাকো দেখি মনে হয়- তেওঁ আগবাঢ়িছে, তেওঁ সফল হৈছে, তেওঁ উজলি উঠিছে; কিন্তু সেই উজ্জ্বলতাৰ আঁৰত লুকাই থকা অন্ধকাৰৰ কথা কিমানেই বা জানে? জোনটোৱে যেনেকৈ নিজৰ ক্ষয়ৰ বেদনা বুকুত লৈও পৃথিৱীক পোহৰ বিলায়, তেনেকৈ বহু মানুহেও অন্তৰৰ ক্লান্তি লুকুৱাই মুখত হাঁহিৰ আবৰণ পিন্ধি জীৱনৰ মঞ্চত অভিনয় কৰি থাকে।

আজিৰ শিশুটিয়েও এই প্ৰতিযোগিতাৰ দৌৰৰ পৰা মুক্ত নহয়। শৈশৱৰ সেউজীয়া পথাৰ, কাগজৰ নাও, বতাহৰ সৈতে দৌৰা সপোন-এই সকলোবোৰ যেন ক্ৰমাৎ পাঠ্যপুথিৰ পৃষ্ঠাৰ তলত চাপি পৰিছে। নম্বৰৰ বোজাত নুই পৰা শৈশৱটো কেতিয়াবা খিৰিকীৰে আকাশলৈ চাই সোধে- "মই সঁচাকৈয়ে উৰিবলৈ পাহৰিলোঁ নেকি?" শিশুৰ মনটো ফুলৰ দৰে কোমল; অধিক চাপৰ ৰ'দত সেই ফুল কেতিয়াবা সময়ৰ আগতেই ম্লান হৈ পৰে।

কেৱল শিক্ষাৰ ক্ষেত্ৰতেই নহয়, কৰ্মক্ষেত্ৰ, ব্যৱসায়, শিল্প-সাহিত্য—সকলো ঠাইতেই প্ৰতিযোগিতাৰ ঢৌ উঠিছে। এই ঢৌত বহুতে নিজৰ ইচ্ছা, বিশ্ৰাম আৰু অনুভূতিক বিসৰ্জন দি আগবাঢ়িবলৈ চেষ্টা কৰে। কিন্তু নদীয়ে যেনেকৈ অবিৰাম বেগেৰে বৈ থাকিলেও মাজে মাজে শান্ত পাৰত জিৰণি লয়, তেনেকৈ মানুহৰ মনটোকো কেতিয়াবা বিশ্ৰামৰ প্ৰয়োজন হয়। জিৰণিবিহীন যাত্ৰাই পথিকক গন্তব্যত নহয়, ক্লান্তিৰ গহ্বৰলৈহে লৈ যায়। সেয়েহে সমাজ, পৰিয়াল আৰু শিক্ষানুষ্ঠান-সমূহে সফলতাৰ লগতে মানসিক সুস্থতাৰ মূল্যও সমানভাৱে বুজিব লাগিব। সন্তানক কেৱল প্ৰথম হ'বলৈ নহয়, সুখী মানুহ হ'বলৈও শিকাব লাগিব। কিয়নো প্ৰথম স্থান লাভ কৰা মানুহজন সফল হ'ব পাৰে, কিন্তু শান্ত মনৰ অধিকাৰী মানুহজনহে সঁচা অৰ্থত সুখী হয়।

জীৱন আকাশত উৰা মৰা চৰাইৰ দৰে-ইয়াৰ সৌন্দৰ্য কেৱল গন্তব্যত নহয়, উৰাণৰ মাজতো লুকাই থাকে। সেয়েহে প্ৰতিযোগিতাৰ দৌৰত আগবাঢ়োঁতে আমি যেন পাহৰি নাযাওঁ যে মানসিক শান্তিয়েই জীৱনৰ প্ৰকৃত আশ্ৰয়, আৰু শান্ত মনৰ মাজতেই সুখৰ সঁচা ঠিকনা লুকাই থাকে।

## সুযোগ ! সীমান্তৰ অসমীয়া গাঁৱত বলপূৰ্বক

নগাৰ এই একপক্ষীয় পদক্ষেপই সীমান্তবাসীৰ মাজত গভীৰ উদ্বেগ, অনিশ্চয়তা আৰু ক্ষোভৰ সৃষ্টি কৰিছে। শনিবাৰে সীমান্তৰ 'বি' ছেক্টৰৰ ১নং চেইনপুৰ গাঁৱত নগালেণ্ডৰ লোকসকলে উপস্থিত হৈ সীমান্তবাসীৰ ঘৰৰ দুৱাৰ-দেৱালত বলপূৰ্বক নম্বৰ লিখি লোকপিয়লৰ জৰীপ চলোৱাৰ ঘটনা পোহৰলৈ আহিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, এই সমগ্ৰ কাৰ্যসূচী অসমৰ ভূখণ্ডতে সংঘটিত হোৱাৰ পিছতো সীমান্তত নিয়োজিত নিৰপেক্ষ বাহিনী ১৫৫নং চি আৰ পি এফে কোনো ধৰণৰ বাধা প্ৰদান নকৰি নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰে। আনহাতে, গোলাঘাট জিলা প্ৰশাসন তথা সীমান্ত দণ্ডাধীশৰ উপস্থিতি সত্ত্বেও বিষয়টোত তাৎক্ষণিক হস্তক্ষেপ নকৰাত সীমান্তবাসীৰ মাজত চৰকাৰী ব্যৱস্থাক লৈ তীব্ৰ অসন্তুষ্টি দেখা দিছে। উল্লেখযোগ্য যে, এয়া প্ৰথম ঘটনা নহয়। ইয়াৰ পূৰ্বেও সীমান্তৰ 'বি' ছেক্টৰৰ চেতিয়া গাঁও, বিলগাঁও, শান্তিপুৰ আদি অঞ্চলত নগালেণ্ডে একেই কৌশল অৱলম্বন কৰি অবৈধভাৱে লোকপিয়লৰ জৰীপ চলাই সীমান্তবাসীৰ ঘৰত নম্বৰ লিখি গৈছিল। সীমান্তবাসীৰ মতে, এনে কাৰ্যকলাপৰ মূল উদ্দেশ্য হৈছে ভৱিষ্যতে বিবদমান এলেকাত দাবী শক্তিশালী কৰি অসমৰ বৃহৎ ভূখণ্ড দখলৰ বাবে এক কৌশলী ভিত্তি প্ৰস্তুত কৰা। নগালেণ্ডৰ এনে আগ্ৰাসী কাৰ্যকলাপৰ বিৰুদ্ধে সৰুপথাৰৰ বিভিন্ন জাতীয় আৰু ছাত্ৰ সংগঠনে ইতিমধ্যে একাধিক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। যোৱা ৪জুলাই তাৰিখে ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ নেতৃত্বত বিভিন্ন সংগঠনৰ কৰ্মীসকলে সীমান্তত উপস্থিত হৈ নাগালেণ্ডে লিখি যোৱা লোকপিয়লৰ নম্বৰসমূহ ক'লা ৰঙ সানি মচি পেলায়। তাৰ পিছতে ৬জুলাই তাৰিখে ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থা, সৰুপথাৰ সমজিলা টাই আহোম ছাত্ৰ সন্থা আৰু গোলাঘাট জিলা বড়ো ছাত্ৰ সন্থাই বিক্ষোভ প্ৰদৰ্শন কৰি মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। পুনৰ ৮জুলাইত ধনশিৰি মহকুমা ছাত্ৰ সন্থা, সৰুপথাৰ সমজিলা আটছা আৰু গোলাঘাট জিলা গোৰ্খা ছাত্ৰ সন্থাই সৰুপথাৰ চহৰত প্ৰতিবাদী সমদল উলিয়াই অসম-নগালেণ্ড সীমা সমস্যাৰ স্থায়ী সমাধান আৰু নগাৰ আগ্ৰাসন ৰোধৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কিন্তু সীমান্তবাসীৰ অভিযোগ, একাধিক প্ৰতিবাদ আৰু স্মাৰকপত্ৰ প্ৰেৰণৰ পিছতো অসম চৰকাৰে বিষয়টোক গুৰুত্বসহকাৰে গ্ৰহণ নকৰাত নগালেণ্ড অধিক উৎসাহিত হৈ পুনৰ আগ্ৰাসনমূলক পদক্ষেপ গ্ৰহণ কৰিছে। সীমান্তবাসীৰ মতে, চৰকাৰৰ এই নীৰৱতা আৰু শিথিল ভূমিকাই নগালেণ্ডক সাহস যোগাইছে। উল্লেখযোগ্য যে, অসম বিধানসভাৰ চলিত বাজেট অধিৱেশনত সীমান্তৰ ঘটনাসমূহ সন্দৰ্ভত মন্ত্ৰী পীযূষ হাজৰিকা আৰু খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই এই ঘটনাক "মিডিয়াৰ চাঞ্চল্য" বুলি মন্তব্য কৰিছিল। সীমান্তবাসী আৰু জাতীয় সংগঠনসমূহে এই মন্তব্যক অতি দুৰ্ভাগ্যজনক আৰু সীমান্তবাসীৰ দীৰ্ঘদিনীয়া যন্ত্ৰণাক অৱমূল্যায়ন কৰা বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে, চৰকাৰৰ এনে মনোভাৱে নগালেণ্ডক অধিক আগ্ৰাসী কৰি তুলিছে। ইয়াৰ পূৰ্বে ২ জুলাই তাৰিখে সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰাই সীমান্ত অঞ্চল পৰিদৰ্শন কৰিছিল। সেই সময়তো চেপা উত্তেজনা বিৰাজ কৰিছিল যদিও দুয়োখন ৰাজ্যৰ প্ৰশাসনৰ মাজত জৰুৰী বৈঠক অনুষ্ঠিত কৰি স্থিতাবস্থা ৰক্ষা আৰু নগালেণ্ডৰ অবৈধ জৰীপ বন্ধ কৰাৰ ক্ষেত্ৰত কোনো দৃশ্যমান ফলাফল ওলোৱা নাছিল। বৰঞ্চ মন্ত্ৰীৰ ভ্ৰমণৰ সময়তেই নগালেণ্ডে চেতিয়া গাঁও, শান্তিপুৰ আদি অঞ্চলত জৰীপ চলাই সীমান্তবাসীৰ ঘৰত লোকপিয়লৰ নম্বৰ লিখি গৈছিল। পিছত স্থানীয় জাতীয় সংগঠনসমূহে একত্ৰিতভাৱে সেই নম্বৰসমূহ মচি পেলায়। সীমান্তবাসীৰ অভিযোগ অনুসৰি, ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি বিবদমান অঞ্চলত স্থিতাবস্থা বাহাল ৰখাৰ কথা থাকিলেও নগালেণ্ডে সেই নিৰ্দেশ সম্পূৰ্ণ উলংঘা কৰি একপক্ষীয়ভাৱে জৰীপ চলাই আছে। আনহাতে, অসমৰ প্ৰশাসন, সীমান্ত আৰক্ষী আৰু কেন্দ্ৰীয় নিৰাপত্তা বাহিনীৰ নিষ্ক্ৰিয় ভূমিকাই সীমান্তবাসীৰ মনত গভীৰ নিৰাপত্তাহীনতাৰ অনুভূতি সৃষ্টি কৰিছে। উল্লেখ্য যে, ২০১৪চনত এই একেই অঞ্চলত অসম-নাগালেণ্ড সীমান্তত সৃষ্টি হোৱা উত্তেজনাই এক ভয়াবহ ৰূপ ধাৰণ কৰিছিল। সেই তিক্ত অভিজ্ঞতাৰ স্মৃতি এতিয়াও সীমান্তবাসীৰ মনত সতেজ হৈ আছে। সেয়েহে পুনৰ একেই ধৰণৰ আগ্ৰাসন আৰম্ভ হোৱাত সীমান্তবাসীয়ে আশংকা প্ৰকাশ কৰিছে যে, অসম চৰকাৰ আৰু প্ৰশাসনে সময়মতে কঠোৰ পদক্ষেপ গ্ৰহণ নকৰিলে পৰিস্থিতি পুনৰ জটিল হ'ব পাৰে। সীমান্তবাসী, বিভিন্ন জাতীয় সংগঠন আৰু সচেতন মহলে অসম চৰকাৰক অবিলম্বে বিষয়টোত দৃঢ় আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰি নগালেণ্ডৰ আগ্ৰাসন বন্ধ কৰাৰ লগতে সীমান্তৰ ৰাইজৰ জীৱন, সম্পত্তি আৰু অসমৰ ভৌগোলিক অখণ্ডতা সুৰক্ষিত কৰাৰ দাবী জনাইছে। অন্যথা সীমান্তত অসন্তুষ্টি আৰু উত্তেজনা অধিক বৃদ্ধি পোৱাৰ আশংকা উলাই কৰিব নোৱাৰি।

## বৰষুণৰ পিছতে বানত জুৰুলা গুৱাহাটী

গুৱাহাটীৰ মালিগাঁও, তাৰ পাছত কাহিলীপাৰা আৰু জটীয়া অঞ্চল পৰিদৰ্শন কৰে। তেওঁ এই অঞ্চলবোৰত কিয় দীৰ্ঘ সময়লৈ পানী আবদ্ধ হৈ থাকে, সেই বিষয়ে ক্ষেত্ৰভিত্তিক পৰ্যবেক্ষণ আৰু বুজ লয়। লগতে পানী নিষ্কাষণৰ গতি, নলাবোৰৰ অৱস্থা, আৰু আৱৰ্জনা জমা হোৱাৰ প্ৰভাৱ সম্পৰ্কেও তেওঁ খবৰ কৰে। সংবাদ মাধ্যমৰ আগত মন্ত্ৰী কৌশিক ৰায়ে কয়, "মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গুৱাহাটীবাসীক এই দুৰ্যোগৰ পৰা মুক্তি দিয়াটোৱেই আমাৰ মূল লক্ষ্য। ৰাইজৰ সুৰক্ষা আৰু সুবিধাক আমি সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছো। কৃত্ৰিম বানপানীৰ স্থায়ী সমাধানৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা আৰু তাৎক্ষণিক ব্যৱস্থা দুয়োটা একেলগে গুৰুত্ব দি কাম চলাই আছে। সমস্যাৰ সমাধানেই আমাৰ সংকল্প, আৰু জনসাধাৰণৰ স্বাৰ্থত আমি সদায় আছো আৰু থাকিম।" মন্ত্ৰীগৰাকীয়ে লগতে কয়, "কালি বৰষুণ দিওঁতে বহু অঞ্চলত পানী জমা হৈছিল। মালিগাঁও, কাহিলীপাৰা, জটীয়া-এই ঠাইবোৰত পানী বেছি সময়লৈ ৰৈ গ'ল। বৰষুণ দিলেই পাহাৰৰ পৰা অহা শিল-মাটিৰে নলাবোৰ ভৰি যায়, যাৰ বাবেই পানী ওলাই যাব নোৱাৰে। আমি নিয়মীয়াভাৱে নলা চাফাই কৰাৰ ব্যৱস্থা কৰিছো, আৰু আজি পৰিদৰ্শনত প্ৰত্যক্ষভাৱে এই কামবোৰৰ অগ্ৰগতি নিৰীক্ষণ কৰিলোঁ। আৱৰ্জনা লগে লগে উঠাই নিবলৈ নিৰ্দেশ দিয়া হৈছে, যাতে পৰৱৰ্তী বৰষুণত ৰাইজে কম সমস্যাৰ সন্মুখীন হয়।" পৰিদৰ্শনৰ সময়ত মন্ত্ৰী কৌশিক ৰায়ৰ লগত উপস্থিত থাকে গুৱাহাটী মহানগৰীৰ মেয়ৰ মৃগেন শৰণীয়া, পৌৰ আয়ুক্ত চিন্ময় প্ৰকাশ ফুকন, লগতে জি এম ডি এ আৰু লোক নিৰ্মাণ বিভাগৰ বিষয়াসকল। পৰিদৰ্শন শেষত মন্ত্ৰীগৰাকীয়ে বিভাগীয় অভিযন্তাসকলক নৰ্দমাসমূহ তৎক্ষণাত পৰিষ্কাৰ কৰা, পানী নিষ্কাশন ব্যৱস্থা অধিক গতিশীল কৰা, আৰু প্ৰয়োজনীয় সংস্কাৰ অগ্ৰাধিকাৰ ভিত্তিত সম্পন্ন কৰাৰ নিৰ্দেশ প্ৰদান কৰে। উল্লেখযোগ্য যে, প্ৰতি বছৰে বৰ্ষাকালত গুৱাহাটীৰ কৃত্ৰিম বানপানীয়ে ৰাইজক নিতান্ত অসুবিধাৰ সন্মুখীন কৰায়। অৱশ্যে দায়িত্ব লোৱাৰ পাছৰে পৰা মন্ত্ৰী কৌশিক ৰায়ে প্ৰায়ে চহৰৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰি সমস্যাৰ সমাধানৰ প্ৰচেষ্টা চলাই আহিছে। দেওবাৰৰ এই পৰিদৰ্শনো সেই একে ধাৰাবাহিকতাৰ অংশ বুলি মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰে।

## বাজেটত বান নিয়ন্ত্ৰণ আৰু ক্ষুদ্ৰ

অসমৰ বিত্তীয় অৱস্থাক 'চিন্তনীয়' বুলি অভিহিত কৰি চৰকাৰৰ নীতিৰ প্ৰতি তীব্ৰ আক্ৰমণ চলায়। বিধায়কগৰাকীয়ে প্ৰথমতে ৰাজ্যৰ ঋণৰ প্ৰসংগ উত্থাপন কৰি কয়, "চৰকাৰে যি বাজেট পেশ কৰিছে, সেয়া মূলত পুৰণি বাজেটৰে সম্প্ৰসাৰিত সংস্কৰণহে। এই বাজেট বিবৃতিত উল্লেখ আছে যে আজি অসমৰ মুঠ ঋণৰ পৰিমাণ ৰ লাখ ৯৬ হাজাৰ কোটি টকা। অৰ্থাৎ আমাৰ বাৰ্ষিক বাজেটৰ পৰিমাণতকৈ ঋণৰ ভাৰ অধিক। এই পৰিস্থিতি অতি সংকটজনক।" ইয়াৰ পিছতে গগৈয়ে বাজেটৰ বিষয়বস্তুক লৈ সমালোচনাৰ বাণী শুনায়। তেওঁ কয়, "অসমৰ আটাইতকৈ ডাঙৰ আৰু চিৰদিনীয়া সমস্যা হৈছে বানপানী আৰু গৰাখহনীয়া। কিন্তু এই বাজেটত বান নিয়ন্ত্ৰণৰ বাবে এক টকাও আবণ্টন কৰা হোৱা নাই। ইফালে গাঁও-গাঁৱত ক্ষুদ্ৰ উদ্যোগ গঢ়ি তোলাৰ বাবেও কোনো আৰ্থিক ব্যৱস্থা নাই। চৰকাৰে যদি সঁচাকৈয়ে গ্ৰাম্য অৰ্থনীতি চাঙত তুলিব বিচাৰে, তেন্তে প্ৰতিখন গাঁৱতে এম এছ এম ই স্থাপনৰ বাবে বাজেটত ঠাই দিব লাগিছিল, কিন্তু তাতো একো নাই।" অখিল গগৈয়ে বাজেটখনক 'অসমৰ জনসাধাৰণক অকৰ্মণ্য কৰি তোলাৰ বাজেট' বুলি কটাক্ষ কৰি কয়, "ই উন্নয়নৰ বাজেট নহয়; ই মানুহক অধিক নিৰ্ভৰশীল আৰু এলেহুৱা কৰি তোলাৰ বাজেট। চৰকাৰে কৃষি, উদ্যোগ, আৰু দক্ষতা বিকাশৰ পথ মুকলি কৰাৰ পৰিৱৰ্তে ৰাইজক ৰাজকীয় সাহায্যৰ ওপৰত নিৰ্ভৰশীল কৰি ৰখাৰ নীতি গ্ৰহণ কৰিছে।" উল্লেখযোগ্য যে, ইয়াৰ আগদিনা অৰ্থাৎ শুকুৰবাৰে অসমৰ বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিধানসভাত ২০২৬-২৭ ৰৰ্ষৰ বাজেট পেশ কৰে। তেওঁ বাজেট বক্তৃতাত কৈছিল যে, যোৱা দশকত অসম অস্থিৰতাৰ পৰা শান্তিলৈ, অৱহেলাৰ পৰা জাতীয় অগ্ৰাধিকাৰলৈ, আৰু অনিশ্চয়তাৰ পৰা নিৰ্ণায়ক উন্নয়নলৈ আগবাঢ়িছে। তেওঁ লগতে কয় যে চৰকাৰৰ লক্ষ্য হৈছে পাহাৰ, ভৈয়াম, চাহ বাগিচা সকলো অঞ্চলতে সমান প্ৰগতি নিশ্চিত কৰি এখন 'জ্ঞান-চালিত, উৎপাদনশীল আৰু সৰ্বাংগীণ অসম' গঢ়ি তোলা। বিত্তমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা বৰাক উপত্যকালৈ, পাহাৰৰ পৰা চাহ বাগিচালৈকে প্ৰতিটো অঞ্চলে উন্নয়নৰ সমান অংশীদাৰিত্ব পাব বুলিও উল্লেখ কৰে। ইফালে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সত পোষ্ট দি কয় যে, বাজেটে কৃষকসকলক সবলীকৰণৰ ওপৰত গুৰুত্ব দিছে। তেওঁ লিখে, "আমি আমাৰ কৃষকসকলক ধান, মাহ, সৰিয়হ ক্ৰয়, দুগ্ধ ৰাজসাহায্য আৰু গৰ্ভৱতী চাহ বাগিচা শ্ৰমিকক সহায়ৰ দৰে আঁচনিৰে আগবাঢ়ি যাম। এই সহায়সমূহ অব্যাহত ৰখা আৰু সম্প্ৰসাৰণ কৰা হ'ব।" অখিল গগৈয়ে অৱশ্যে মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীৰ এই দাবীসমূহক অমূলক বুলি উৰাই দি কয় যে, বাস্তৱত প্ৰাকৃতিক দুৰ্যোগ মোকাবিলা আৰু গ্ৰাম্য অৰ্থনীতি চাঙত তুলিবলৈ কোনো কাৰ্যকৰী বাজেট ব্যৱস্থা নাই। "ঋণৰ ভাৰ বৃদ্ধি পাই আছে, কিন্তু উন্নয়নমূলক খৰচ হ্ৰাস পাইছে-এই হৈছে বাস্তৱ, "-গগৈয়ে মন্তব্য শেষ কৰে।

## গুৱাহাটীৰ সৌন্দৰ্যবৰ্ধনৰ বাবে উৰণ

সেতুত কাম সম্পন্ন কৰাৰ লক্ষ্য লোৱা হৈছে। গুৱাহাটী মহানগৰীখনক সুন্দৰ, আটকধুনীয়া আৰু পৰিৱেশসন্মত ৰূপ দিয়াই এই প্ৰকল্পৰ মূল উদ্দেশ্য। উৰণ সেতুৰ খুঁটাত একোখনকৈ উলম্ব বাগিচা গঢ়ি উঠিলে ই পৰিবেশৰ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে মহানগৰীখনৰ সৌন্দৰ্য্যও বহুগুণে বৃদ্ধি কৰিব। লগতে প্ৰদূষণ হ্ৰাস কৰি সেউজ গুৱাহাটী নিৰ্মাণৰ লক্ষ্যত সহায়ক হ'ব বুলি আশা কৰা হৈছে। চৰকাৰৰ বিশ্বাস, এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে গুৱাহাটী মহানগৰীয়ে সৌন্দৰ্যবৰ্ধনৰ লগতে পৰিৱেশ ৰক্ষাৰ ক্ষেত্ৰতো এক নতুন পৰিচয় লাভ কৰিব। অহা দিনবোৰত পৰ্যায়ক্ৰমে আন আন উৰণ সেতুতো উলম্ব বাগিচাৰ কাম সম্পন্ন কৰা হ'ব।

## যোৱাবাটত পুনৰ কৃত্ৰিম বানৰ তাণ্ডৱ

পৰিস্থিতিত সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাই ইতিমধ্যে যোৱাবাট হৈ নাযাবলৈ পৰামৰ্শ জাৰি কৰিছে। গুৱাহাটী আৰক্ষীয়ে বিশেষ পথ নিৰ্দেশনাও প্ৰকাশ কৰি যাতায়াত ব্যৱস্থাপনাৰ বাবে বিকল্প পথৰ সন্ধান দিছে। আৰক্ষীৰ নিৰ্দেশনা অনুসৰি উজনি অসমলৈ যাব বিচৰা আৰু গুৱাহাটী অভিমুখে অহা লঘু বাহনবোৰে নাৰেংগী হৈ ডিগাৰুলৈ হোৱা পথটো ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। গুৰু বাহন বা দীৰ্ঘ দূৰত্বৰ যাত্ৰীসকলক যোৱাবাটৰ পৰিৱৰ্তে এই বিকল্প পথ অৱলম্বন কৰিবলৈ প্ৰশাসনৰ তৰফৰ পৰা বিশেষভাৱে অনুৰোধ জনোৱা হৈছে। এই কৃত্ৰিম বানপানীয়ে অসমৰ মুখ্য যাতায়াত ব্যৱস্থাত যে কি পৰিমাণৰ অস্থিৰতা আনে, তাৰ প্ৰমাণ পুনৰ মিলিল। প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰয়াস চলাই থকাৰ লগতে ৰাইজক নিজ নিজ গন্তব্যলৈ যাত্ৰা কৰিবলৈ আগেয়ে বিকল্প পথৰ বিষয়ে নিশ্চিত হ'বলৈ অনুৰোধ জনাইছে।

## ৰাজ্যত ৪৭২.৫১ কোটি টকাৰ নিচাযুক্ত

জব্দ কৰা ৪৭২.৫১ কোটি টকা মূল্যৰ ড্ৰাগছ ধ্বংস কৰিবলৈ প্ৰায় ১০ দিন সময় লাগিব। এই অভিযান কোনোদিনে থমকি নৰয়, বৰং অধিক কঠোৰতাৰে আগুৱাই যাব।" তেওঁ লগতে উল্লেখ কৰে যে, বিগত পাঁচ বছৰত অসম আৰক্ষীয়ে,, ০০০ কোটি টকাৰ অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰিছে আৰু ২৬, ০০০ৰ অধিক সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰি এনডিপিএছ আইনত অভিযুক্ত কৰা হৈছে। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক নাৰায়ণ ডেকা আৰু আৰক্ষীৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। ধ্বংস কৰা নিচাদ্ৰব্যবোৰৰ ভিতৰত উল্লেখযোগ্য হৈছে ৩9.068 কেজি মৰ্ফিন ((৩৯.০৭ কোটি টকা), ৭৯.৭৭০ কেজি আফিং (৩.৯৮ কোটি টকা), ০.০৪৭১ কেজি কোকেইন (২৩.৫৫ লাখ টকা), ১৯, ০২, ৯২২টা য়াবা টেবলেট (৭৯.৬৪ কোটি টকা), ৫৮.৮৭৭ কেজি হেৰ'ইন (১১৭.৭৫ কোটি টকা), ২, ২৯, ৪৪৯ বটল কফছিৰাপ (২২.৯৪ কোটি টকা), আৰু ৩৭, ৭৯৬.৩৪ কেজি গাঞ্জা ((১৮৮.৯৮ কোটি টকা)। ইফালে, লখিমপুৰ জিলাত আৰক্ষীয়ে নগৰৰ সমীপস্থ হাহছৰা আৰক্ষী চাউনিত ১৫১.৫ গ্ৰাম হেৰ'ইন আৰু ১৯৫৫.০৮ কিলোগ্ৰাম গাঞ্জা ধ্বংস কৰে। ধেমাজি জিলাত তুলসীবাৰীৰ আৰক্ষী সংৰক্ষিত চৌহদত অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰাঞ্জল বৰা আৰু দণ্ডাধীশৰ উপস্থিতিত প্ৰায় আঢ়ৈ কোটি টকাৰ ভাং আৰু হেৰ'ইন দাহ কৰা হয়। ইয়াত আৰক্ষী বিষয়াগৰাকীয়ে যুৱ প্ৰজন্মক গ্ৰাস কৰা এই মাদকৰ বিৰুদ্ধে স্বেচ্ছাসেৱী সংগঠন আৰু জনসাধাৰণক সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। বৰপেটা জিলাত আৰক্ষী চাউনীৰ খেলপথাৰত ড্ৰাগছ নিষ্পত্তি সমিতিৰ অনুমোদনত প্ত, ৰছ, ৰ, ৮১০ টকা মূল্যৰ নিচাজাতীয় সামগ্ৰী ধ্বংস কৰা হয়। ইয়াৰ ভিতৰত আছিল ১, ০৬৮ গ্ৰাম হেৰ'ইন, ১৩৩ কিলোগ্ৰাম গাঞ্জা, ৫৮, ২৭০টা য়াবা টেবলেট, ৪৯৪টা মাদক কেপচুল আৰু ৰচ্ বটল কফছিৰাপ। অনুষ্ঠানত জিলা আয়ুক্ত নৱদীপ পাঠক, ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্য প্ৰমুখ্যে বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্ত পাঠকে কয় যে, ড্ৰাগছমুক্ত সমাজ গঢ়িবলৈ আৰক্ষী আৰু প্ৰশাসনে সমন্বয় ৰাখি অভিযান চলাই আছে আৰু সৰবৰাহকাৰীৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। গুৱাহাটী মহানগৰ আৰক্ষীৰ পূব, পশ্চিম আৰু মধ্য জিলাৰ বিভিন্ন থানাই জব্দ কৰা ড্ৰাগছসমূহ পৃথক দুটা স্থানত দাহ কৰা হয়। নলবাৰী জিলাত কিছু অংশ আৰু গুৱাহাটীৰ চন্দ্ৰপুৰস্থিত ফ্ৰেছ এয়াৰ ৱেষ্ট মেনেজমেণ্টত বৃহৎ পৰিমাণৰ ভাং আৰু অন্যান্য ড্ৰাগছ মহানগৰ আৰক্ষীৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত ভস্মীভূত কৰা হয়। ৰাজ্য চৰকাৰে এই অভিযানক নিচাবিৰোধী সংগ্ৰামৰ এক মাইলৰ খুঁটি বুলি অভিহিত কৰিছে। জব্দ দ্ৰব্য পুনৰ অবৈধ বজাৰত প্ৰবেশ কৰাটো ৰোধ কৰাৰ লগতে আগন্তুক সময়ত অধিক কঠোৰ অভিযান চলাবলৈ ই এক স্পষ্ট সকীয়নি বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

## ভূমি ৰক্ষা আন্দোলনৰ সক্ৰিয় নেতা

খিলঞ্জীয়া লোকসকলৰ জীৱিকা সংকটাপন্ন কৰিব। এই বিৰোধিতা আন্দোলনৰ বাবেই আৰক্ষীয়ে তেওঁক গ্ৰেপ্তাৰ কৰা বুলি সমাজকৰ্মী মহলত চৰ্চা চলিছে। প্ৰণৱ দলে হৈছে ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতি আৰু বৃহত্তৰ কাজিৰঙা ভূমি আৰু মানৱ অধিকাৰ সুৰক্ষা সমিতিৰ আহ্বায়ক। তেওঁৰ গ্ৰেপ্তাৰক লৈ ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিয়ে এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে তীব্ৰ নিন্দা জনাইছে। সমিতিৰ উপদেষ্টা শান্তনু বৰঠাকুৰ আৰু আহ্বায়ক গোবিন্দ ৰাভা, কৃষ্ণ গগৈ আৰু সুব্ৰত তালুকদাৰে যুটীয়াভাৱে বিজ্ঞপ্তি জাৰি কৰি কয়, "অসমৰ খাটিখোৱা জনসাধাৰণৰ মাটি ৰক্ষাৰ আন্দোলনক নেতৃত্ব দিয়া বাবেই অসম আৰক্ষীয়ে প্ৰণৱ দলেৰ ওপৰত এনেদৰে জঁপিয়াই পৰিছে।" বিজ্ঞপ্তিত লগতে উল্লেখ কৰা হয়, "মাত্ৰ কিছুদিন আগতে জনজাতীয় থলুৱা খাটিখোৱা লোকসকলৰ মাটি ৰক্ষাৰ বাবে সংগ্ৰাম কৰি অহা বৰদুৱাৰ বাগান ভূমি পট্টন দাবী সমিতিৰ উপদেষ্টা তথা অসমৰ ভূমি আন্দোলনৰ অন্যতম সক্ৰিয় নেতা আদিত্য চন্দ্ৰ ৰাভাক গ্ৰেপ্তাৰ কৰা হৈছিল। আজি ঠিক একেই ষড়যন্ত্ৰমূলকভাৱে প্ৰণৱ দলেক গ্ৰেপ্তাৰ কৰা হ'ল।" সমিতিখনে দাবী কৰে যে, প্ৰণৱ দলেৰ একমাত্ৰ 'অপৰাধ' হৈছে কাজিৰঙাৰ ৪৫টা আদিবাসী পৰিয়ালৰ মাটি ৰক্ষাৰ প্ৰয়াসত বৃহৎ কৰ্প'ৰেট গোষ্ঠীৰ বিৰুদ্ধে আন্দোলন চলোৱা। বিজ্ঞপ্তিত তেওঁলোকে কয়, "অসমত এতিয়া বৃহৎ কোম্পানীৰ ৰাজত্ব চলিছে আৰু ইয়াৰ সম্পূৰ্ণ পৃষ্ঠপোষকতা কৰিছে অসম চৰকাৰে। কৰ্প'ৰেট গোষ্ঠীৰ এই চৰম আগ্ৰাসনৰ ফলত অসমীয়া জাতি ধ্বংস হোৱা নিশ্চিত। প্ৰণৱ দলেৰ দৰে নেতাই জনসাধাৰণৰ লগত থাকি মাটি ৰক্ষাৰ যুদ্ধখনত সন্মুখৰ পৰা নেতৃত্ব দি আহিছে, সেয়ে তেওঁক এনেদৰে আক্ৰোশৰ চিকাৰ কৰা হৈছে।" সংগঠনটোৱে চৰকাৰৰ এই দমনমূলক কাৰ্যক 'অগণতান্ত্ৰিক আৰু স্বৈৰাচাৰী' আখ্যা দি প্ৰণৱ দলেৰ তৎক্ষণাৎ মুক্তিৰ দাবী জনায়। লগতে জনসাধাৰণৰ অধিকাৰ ৰক্ষাৰ আন্দোলন আৰু গণতান্ত্ৰিক প্ৰতিবাদী কণ্ঠৰ ওপৰত চলোৱা অন্যায়, দমন আৰু উৎপীড়ন অনতিবিলম্বে বন্ধ কৰিবলৈ অসম চৰকাৰক কঠোৰ ভাষাত আহ্বান জনায়। উল্লেখ্য যে, কাজিৰঙা অঞ্চলটো বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে পৰিচিত আৰু ইয়াৰ জৈৱ বৈচিত্ৰ্য অতি সংবেদনশীল। স্থানীয় খিলঞ্জীয়া লোকসকলে দীৰ্ঘদিন ধৰি এই ভূমিৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰি আহিছে। ইফালে, অসম আৰক্ষীয়ে এই গ্ৰেপ্তাৰৰ আনুষ্ঠানিক সঁহাৰি এতিয়ালৈকে দিয়া নাই।

## জুবিন গাৰ্গক মৰণোত্তৰভাৱে

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই জানিবলৈ দিয়ে যে, অহা ৩০ জুলাইত গুৱাহাটীস্থিত সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত এক বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তাতে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামীয়ে জুবিন গাৰ্গক এই সন্মানীয় অভিধা প্ৰদান কৰিব। তেওঁ কয়, "অসম সাহিত্য সভাৰ পঞ্চৰত্ন-গুৱাহাটী অধিৱেশনৰ প্ৰতিনিধি সভাই গ্ৰহণ কৰা সিদ্ধান্ত আৰু কাৰ্যনিৰ্বাহক অধিৱেশন আৰু কৰ্ণধাৰ সমিতিৰ অনুমোদনৰ ভিত্তিত আমি এই কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ সক্ষম হৈছো।" অনুষ্ঠানটোত উপ-সভাপতি পদুম ৰাজখোৱাকে ধৰি সাহিত্য সভাৰ কেইবাগৰাকীও পদাধিকাৰী উপস্থিত থাকিব। জুবিন গাৰ্গৰ পিতৃ কপিল ঠাকুৰ, সহধৰ্মিণী গৰিমা শইকীয়া গাৰ্গ, ভগ্নী ড° পামী বৰঠাকুৰ আৰু পৰিয়ালৰ অন্যান্য সদস্যই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইয়াৰ উপৰি জুবিন গাৰ্গৰ কেইবাগৰাকী পুৰণি আৰু ন-পুৰণি শিল্পী শিষ্যই সাংস্কৃতিক সন্ধিয়াৰ অংশ হিচাপে গীত, নৃত্য-নাটক আদি পৰিৱেশন কৰিব। দেৱজিৎ বৰাই লগতে কয় যে, জুবিন গাৰ্গৰ জীৱন পৰিক্ৰমা, সৃষ্টিশীলতা আৰু মানৱীয় অনুভূতিৰ ওপৰত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰও অনুষ্ঠিত কৰা হ'ব। উত্তৰ-পূব ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ৰ নিৰ্বাচিত গৱেষকসকলে প্ৰস্তুত কৰা মানসম্পন্ন গৱেষণাপত্ৰসমূহ পুস্তক আকাৰে প্ৰকাশ কৰা হ'ব। ইয়াৰ লগতে জুবিন গাৰ্গৰ গীতসমূহ ইংৰাজী, হিন্দী আৰু বঙালী ভাষালৈ অনুবাদ কৰি প্ৰথমাৱস্থাত প্ৰকাশ কৰাৰো পৰিকল্পনা আছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে, বিগত ৭ জুলাইত অসম সাহিত্য সভাৰ উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নেতৃত্বত এখন প্ৰতিনিধি দলে জুবিন গাৰ্গৰ জোনালীস্থিত ষ্টুডিঅ'ত গৰিমা শইকীয়া গাৰ্গৰ সৈতে এক আলোচনা সভাত মিলিত হৈ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই সভাতেই জুবিন গাৰ্গক মৰণোত্তৰভাৱে অভিধা প্ৰদান কৰাৰ প্ৰস্তাৱ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। জুবিন গাৰ্গ অসমীয়া সংগীত জগতৰ এক অনন্য ব্যক্তিত্ব। তেওঁৰ অপ্ৰয়াণে অসমীয়া জাতিক হাহাকাৰত পেলাই দিলেও, সাহিত্য সভাৰ এই পদক্ষেপে তেওঁৰ স্মৃতিক চিৰসেউজ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## ১৮ জুলাইত গুৱাহাটীত কৃষি

সফল ৰূপায়ণৰ বাবে চলি থকা প্ৰস্তুতিৰ পৰ্যালোচনা কৰে। আগন্তুক কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পাঁচ সহস্ৰাধিক কৃষকে অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন বেংকৰ বিষয়ববীয়াসকলেও উপস্থিত থাকিব বুলি জানিবলৈ দিয়া হয়। কৃষি খণ্ডৰ উন্নয়ন আৰু কৃষকসকলৰ আয় বৃদ্ধিৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচী অসমৰ কৃষি অৰ্থনীতিত এক মাইলৰ খুঁটি হিচাপে গণ্য কৰা হৈছে। বৈঠকত মন্ত্ৰীগৰাকীয়ে কৃষি আন্তঃগাঁথনি পুঁজি আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ বিশেষভাৱে গুৰুত্ব আৰোপ কৰে যে, কৃষক আৰু কৃষি উদ্যোগীসকলে এই আঁচনিৰ জৰিয়তে চৰকাৰে প্ৰদান কৰা ৩ শতাংশ সুদ ৰেহাই সুবিধাসহ প্ৰতিষ্ঠানগত ঋণ লাভ কৰিব পাৰিব। ইয়াৰ জৰিয়তে তেওঁলোকে ৰাজ্যখনৰ কৃষি আন্তঃগাঁথনি অধিক শক্তিশালী কৰি তুলিব পাৰিব বুলি মন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই কয়, "এই আঁচনিখনে অসমৰ কৃষকসকলক আধুনিক কৃষি প্ৰযুক্তি আৰু উন্নত আন্তঃগাঁথনিৰ সুবিধা প্ৰদান কৰাত সহায়ক হ'ব। শস্য সংৰক্ষণ, প্ৰক্ৰিয়াকৰণ আৰু বিপণনৰ বাবে প্ৰয়োজনীয় পৰিকাঠামো গঢ়ি তোলাত এই ঋণ সুবিধা অতি গুৰুত্বপূৰ্ণ।" বৈঠকত মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক কাৰ্যসূচীটো নিৰ্ধাৰিত সময়সূচী অনুসৰি সম্পন্ন কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে কৃষকসকলক এই আঁচনিৰ বিষয়ে ব্যাপকভাৱে সজাগ কৰি তোলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। অহা ১৮ জুলাইৰ কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যৰ কৃষি খণ্ডলৈ এক নতুন দিগন্ত উন্মোচিত হ'ব বুলি আশা কৰা হৈছে।

## জুলাইৰ পৰা ৭০ লাখ

ৰবিবাৰে সামাজিক মাধ্যম এক্সত প্ৰকাশিত এক পোষ্টযোগে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই তথ্য সৰ্বজনীন কৰি উল্লেখ কৰে যে, জুলাই মাহত ৰাজ্যজুৰি মুঠ ১, ৩৪, ২৩৭ মেট্ৰিক টন চাউল সম্পূৰ্ণ বিনামূলীয়াকৈ যোগ্য পৰিয়ালসমূহৰ মাজত বিতৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, "অন্ন সেৱাৰ জৰিয়তে জনসেৱা কৰাটোৱেই আমাৰ প্ৰতিগৰাকী পৰিয়ালৰ প্ৰতি অংগীকাৰ।" তেওঁ লগতে স্পষ্ট কৰে যে, এই উদ্যোগ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ দ্বাৰা পৰিচালিত আৰু ইয়াৰ মূল লক্ষ্য হৈছে ৰাজ্যৰ খাদ্য সুৰক্ষা ব্যৱস্থাক অধিক শক্তিশালী কৰি তোলা। চাউল বিতৰণৰ লগতে মুখ্যমন্ত্ৰীয়ে আন এক গুৰুত্বপূৰ্ণ ঘোষণা কৰে যে, অহা আগষ্ট মাহৰ পৰা ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ (PDS) জৰিয়তে যোগ্য হিতাধিকাৰীসকলে পুনৰ ৰেহাই মূল্যত মচুৰ দাইল আৰু চেনি ক্ৰয় কৰাৰ সুযোগ পাব। এই সিদ্ধান্তই বিশেষকৈ নিম্ন আয়ৰ পৰিয়ালবোৰক অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী সহজলভ্য কৰি তোলাত যথেষ্ট সহায় আগবঢ়াব বুলি চৰকাৰে আশা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে 'অন্ন সেৱা সেজন সেৱা' কাৰ্যসূচীৰ অধীনত অহা দিনবোৰত এই বিতৰণ কাৰ্য্য অব্যাহত থাকিব বুলি উল্লেখ কৰি কয় যে, চৰকাৰে প্ৰতিগৰাকী যোগ্য পৰিয়াললৈ নিয়মিতভাৱে খাদ্য সামগ্ৰী দিয়াৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। 'অন্ন সেৱা সেজন সেৱা'-এই মন্ত্ৰই চৰকাৰৰ জনকল্যাণমুখী নীতিৰ প্ৰতিফলন ঘটোৱা বুলিও তেওঁ মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, অসম চৰকাৰে ইতিপূৰ্বেও কেইবাটাও খাদ্য সুৰক্ষা সংক্ৰান্তিয় আঁচনি ৰূপায়ণ কৰি আহিছে। এই নতুন পদক্ষেপে ৰাজ্যৰ দুৰ্বল আৰু আৰ্থিকভাৱে পিছপৰা পৰিয়ালবোৰক খাদ্য সংকটৰ পৰা সকাহ দিয়াৰ লগতে সামগ্ৰীক খাদ্য নিৰাপত্তা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

## ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত

কৰা হৈছিল। তাত নতুন ভোটাৰক ৬ নং প্ৰপত্ৰৰ লগতে এটা ঘোষণাপত্ৰ দাখিল কৰিবলৈ দিয়া হৈছিল। নিৰ্বাচন আয়োগৰ এগৰাকী কাৰ্যকৰ্তাই কয় যে, বিহাৰৰ দৈনিক এছআইআৰ বুলেটিনত ঘোষণাপত্ৰৰ সৈতে পূৰণ কৰা প্ৰ-পত্ৰখন দেখা গৈছিল। তেওঁ স্পষ্ট কৰে যে, এই ঘোষণাপত্ৰ নিৰ্দেশনাৰ জৰিয়তে সংযোজন কৰা হৈছে আৰু প্ৰপত্ৰ ৬ত কোনো সংশোধন কৰা হোৱা নাই। এই ব্যৱস্থাই নিৰ্বাচকসকলক সঠিকভাৱে মেপিং কৰাত সহায় কৰাৰ লগতে নতুন ভোটাৰে আবেদনৰ লগত দাখিল কৰিবলগীয়া অন্যান্য নথি-পত্ৰৰ সংখ্যাও হ্ৰাস কৰে বুলি তেওঁ উল্লেখ কৰে। যদি কোনো ব্যক্তিয়ে অনলাইনযোগে প্ৰ-পত্ৰ ৬ পূৰণ কৰে, তেন্তে ঘোষণাপত্ৰ পূৰণ নকৰালৈকে তেওঁ পৰৱৰ্তী প্ৰক্ৰিয়ালৈ আগবাঢ়িব নোৱাৰে। ইফালে, পৃথকে পৃথকে ভোটগ্ৰহণ কৰ্তৃপক্ষই নিৰ্বাচনী তালিকাৰ এছআইআৰ প্ৰক্ৰিয়াৰ পক্ষত স্পষ্টভাৱে মত প্ৰকাশ কৰি ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদকসকলে উত্থাপন কৰা অভিযোগ নাকচ কৰে। আয়োগৰ বিষয়াসকলে কয় যে, এই প্ৰক্ৰিয়া সম্পূৰ্ণ স্বচ্ছ, সাংবিধানিকভাৱে বৈধ আৰু উচ্চতম ন্যায়ালয়ৰ সমৰ্থনপ্ৰাপ্ত। নিৰ্বাচন আয়োগৰ বিষয়াসকলে লগতে কয় যে, এছআইআৰ প্ৰক্ৰিয়াৰ মূল লক্ষ্য হৈছে নিৰ্বাচনী তালিকাৰ পৰা ডুপ্লিকেট, মৃত, স্থানান্তৰিত, অনুপস্থিত আৰু বিদেশী ভোটাৰসকলক আঁতৰোৱাৰ লগতে সকলো যোগ্য ভাৰতীয় নাগৰিকক তালিকাত অন্তৰ্ভুক্ত কৰা। শেহতীয়াকৈ চৰকাৰলৈ লিখা এখন পত্ৰত ৰাষ্ট্ৰসংঘৰ বিশেষ প্ৰতিবেদকসকলে এছআইআৰ প্ৰক্ৰিয়াত স্বচ্ছতাৰ অভাৱ বুলি উদ্বেগ প্ৰকাশ কৰিছিল। কিন্তু নিৰ্বাচন আয়োগে এই অভিযোগ সম্পূৰ্ণৰূপে খাৰিজ কৰি কয় যে, ভোটাৰসকলক বৰ্জনৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনোৱাৰ পৰ্যাপ্ত সুযোগ দিয়া হৈছে আৰু কোনো ধৰণৰ পক্ষপাতিত্বমূলক আচৰণ আয়োগে কেতিয়াও সমৰ্থন নকৰে।

## মুখ্যমন্ত্ৰীৰ আমিনগাঁৱস্থিত তিনিখন

এই ছুইমিং পুলটোত একেলগে ৪০জন খেলুৱৈৰ বাবে হোষ্টেলৰ ব্যৱস্থা থাকিব আৰু ই Sports Authority of India (SAI)ৰ দ্বাৰা পৰিচালিত হ'ব। ইয়াৰ উপৰিও আমিনগাঁৱত নিৰ্মাণৰত আন্তঃৰাষ্ট্ৰীয় মানৰ ক্ৰিকেট ষ্টেডিয়ামখনো পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰীয়ে। এই ষ্টেডিয়ামখনত ২০ হাজাৰ দৰ্শকৰ আসন থাকিব আৰু প্ৰশিক্ষণৰত ১০০ গৰাকী খেলুৱৈৰ বাবে পৃথক হোষ্টেলৰ সুবিধা থকা হ'ব। ইয়াৰ লগতে মুখ্যমন্ত্ৰীয়ে আমিনগাঁৱৰ বেডমিণ্টন একাডেমীও পৰিদৰ্শন কৰে আৰু ক্ৰীড়া প্ৰকল্পসমূহৰ অগ্ৰগতি সন্দৰ্ভত সন্তুষ্টি প্ৰকাশ কৰে। পৰিকাঠামো খণ্ডতো কেইবাটাও ডাঙৰ সিদ্ধান্ত লোৱা হয়। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে, কামৰূপ জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা ঢঢখ্ব গুৱাহাটীলৈ ছয় লেনযুক্ত পথ নিৰ্মাণ কৰা হ'ব। একে সময়তে ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কুমাৰ ভাস্কৰ বৰ্মা সেতুলৈ সংযোগ কৰাৰ কামো চলিত বৰ্ষৰ শেষৰ ফালে সম্পূৰ্ণ হ'ব। ইফালে, গৌৰীপুৰত নিৰ্মাণৰত টাৰ্মিনেলটোও একে সময়ছোৱাতে মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে আমিনগাঁৱৰ ৰে'লৱে ভূমিত এখন বৃহৎ উচ্ছেদ অভিযান চলোৱাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, উচ্ছেদিত লোকসকলক আজ্ঞাঠুৰীত বিকল্প ভূমি প্ৰদান কৰা হ'ব। এই ভূমি বিতৰণ প্ৰক্ৰিয়া শেষ হোৱাৰ পাছতেই উচ্ছেদ কাৰ্য আৰম্ভ কৰা হ'ব বুলিও তেওঁ স্পষ্ট কৰে। শৰাইঘাটৰ তৃতীয়খন দলং নিৰ্মাণৰ বাবেও চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, "আমিনগাঁও অঞ্চলৰ উন্নয়ন আৰু ক্ৰীড়া প্ৰকল্পসমূহ অসমৰ যুৱক-যুৱতীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হ'ব।" তেওঁ বিভাগীয় বিষয়াসকলক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰতে সকলো কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

## মেঘালয়ত পৰ্যটকৰ বাবে

নাগৰিকৰ ক্ষেত্ৰত বৈধ ভ্ৰমণ নথি-পত্ৰ আছে নে নাই সেয়াও বিষয়াসকলে কঠোৰভাৱে পৰীক্ষা কৰিব। প্ৰথম পঞ্জীয়ন কেন্দ্ৰটো উমলিঙত, ৰি-ভৈ (Ri-Bhoi) জিলাত স্থাপন কৰা হৈছে। চৰকাৰে একেধৰণৰ কেন্দ্ৰ গাৰো পাহাৰ অঞ্চলকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত স্থাপন কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। এই কেন্দ্ৰসমূহ কেৱল নথিভুক্তিকৰণৰ বাবেই নহয়, পৰ্যটক সহায়ক কেন্দ্ৰ (Tourist Facilitation Hub) হিচাপেও কাম কৰিব। ইয়াত পঞ্জীয়ন প্ৰক্ৰিয়াৰ বাবে কাৰ্যালয়ৰ লগতে পৰ্যটকসকলৰ সুবিধাৰ্থে ৰেষ্টুৰেণ্ট আৰু অন্যান্য প্ৰয়োজনীয় সুবিধাও উপলব্ধ থাকিব। মন্ত্ৰীগৰাকীয়ে কয়, "এই ব্যৱস্থা নাগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম আৰু মণিপুৰত প্ৰচলিত ঢস্তু ব্যৱস্থাৰ আৰ্হিত পৰিচালিত হ'ব। অৱশ্যে বৰ্তমানলৈকে মেঘালয়ত ঢস্তু ব্যৱস্থা কাৰ্যকৰী হোৱা নাই, কিন্তু এই নতুন পঞ্জীয়ন প্ৰক্ৰিয়াই এক প্ৰভাৱশালী বিকল্প হিচাপে কাম কৰিব।" চৰকাৰে জানিবলৈ দিয়া মতে, এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে ৰাজ্যলৈ অহা সকলো দৰ্শনাৰ্থীৰ এক বিস্তৃত তথ্যভাণ্ডাৰ প্ৰস্তুত কৰা, ৰাজ্যত প্ৰৱেশ কৰা লোকসকলৰ ওপৰত অধিক ফলপ্ৰসূ নিৰীক্ষণ চলোৱা আৰু অবৈধ অনুপ্ৰৱেশ ৰোধ কৰা। বিশেষকৈ বিদেশী নাগৰিকৰ ক্ষেত্ৰত সঠিক নথি-পত্ৰ নথকা ব্যক্তিসকলক ৰাজ্যত প্ৰৱেশ কৰাত বাধা দিয়াৰ লগতে চলাচল অধিক সুসংগঠিত কৰাৰ প্ৰয়াস কৰা হৈছে। চৰকাৰৰ বিশ্বাস, এই নতুন পঞ্জীয়ন ব্যৱস্থাই ৰাজ্যলৈ অহা পৰ্যটকৰ সঠিক তথ্য সংৰক্ষণ, নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰা, পৰ্যটকৰ আগমনৰ বাস্তৱ সময়ৰ তথ্য লাভ কৰা আৰু ৰাজ্যলৈ মানুহৰ চলাচল অধিক সুসংগঠিতভাৱে পৰ্যবেক্ষণ কৰাত সহায়ক হ'ব। অহা দিনবোৰত এই পঞ্জীয়ন কেন্দ্ৰসমূহ সম্প্ৰসাৰণ কৰি ৰাজ্যৰ মুখ্য প্ৰৱেশদ্বাৰসমূহত নিয়মীয়াভাৱে কাৰ্যকৰী কৰাৰ লক্ষ্য লৈছে চৰকাৰে।

### সীমান্তত অধিক নিৰাপত্তা বাহিনী মোতায়েনৰ দাবী অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ

## অসম-নাগালেণ্ড সীমান্তত যুৱকক আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৩ জুলাই ঃ** গোলাঘাট জিলাৰ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত উৰিয়ামঘাটস্থিত অসম-নাগালেণ্ড সীমান্তৰ 'বি' ২ নং চেইনপুৰত সংঘটিত হোৱা আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা জনাইছে। সংগঠনটোৰ গোলাঘাট জিলা সমিতিৰ সম্পাদক মনোজ মহানন্দই এক বিবৃতিত কয় যে, নগালেণ্ড পক্ষই চলোৱা জৰীপ কাৰ্যত বাধা প্ৰদান কৰাৰ অভিযোগত ২নং চেইনপুৰ গাঁৱৰ যুৱক চাণি কাপুৰক শাৰীৰিকভাৱে আক্ৰমণ কৰা হৈছে বুলি জানিব পৰা গৈছে। এই ঘটনা কেৱল এজন ব্যক্তিৰ ওপৰত সংঘটিত আক্ৰমণেই নহয়, বৰঞ্চ সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা অসমবাসীৰ জীৱন আৰু নিৰাপত্তাৰ ওপৰত সৃষ্টি হোৱা এক উদ্বেগজনক পৰিস্থিতিৰ প্ৰতিফলন। তেওঁ কয় যে, অসম-নাগালেণ্ড সীমান্তত বসবাস কৰা নিৰীহ জনসাধাৰণৰ ওপৰত যিকোনো ধৰণৰ ভয়-ভাবুকি, আক্ৰমণ, হাৰাশাস্তি বা অত্যাচাৰ কোনোপধ্যেই গ্ৰহণযোগ্য নহয়। সীমান্তবাসীৰ জীৱন, জীৱিকা, ভূমি আৰু সাংবিধানিক অধিকাৰৰ সুৰক্ষা নিশ্চিত কৰাটো চৰকাৰৰ অন্যতম মৌলিক দায়িত্ব। অসম চাহ জনজাতি ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীক সীমান্তৱৰ্তী অঞ্চলসমূহত অধিক নিৰাপত্তা বাহিনী মোতায়েন কৰি স্থায়ীভাৱে আইন-শৃংখলা সুদৃঢ় কৰাৰ লগতে সীমান্তবাসীৰ জীৱন, জীৱিকা আৰু সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। একে সময়তে, সংগঠনটোৱে উক্ত ঘটনাৰ নিৰপেক্ষ আৰু স্বচ্ছ তদন্ত সম্পন্ন কৰি দোষীসকলৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰাৰো দাবী জনাইছে। সংগঠনটোৱে স্পষ্টভাৱে উল্লেখ কৰে যে, যদি সীমান্তবাসীৰ সুৰক্ষা, অধিকাৰ আৰু মৰ্যাদা নিশ্চিত কৰাৰ ক্ষেত্ৰত চৰকাৰে অতি শীঘ্ৰে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে অসম চাহ জনজাতি ছাত্ৰ সন্থাই গণতান্ত্ৰিক আৰু আইনসন্মত পদ্ধতিৰে অৰ্থনৈতিক আন্দোলনকে ধৰি অধিক বিস্তৃত গণআন্দোলন গঢ়ি তুলিবলৈ বাধ্য হ'ব বুলি উল্লেখ কৰে।

# প্ৰাপ্তি এনজিঅ'ৰ সহযোগত আৰ্ট অফ লিভিঙৰ ব্যক্তিত্ব বিকাশৰ কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, লেংটিছিঙা, ১৩ জুলাই ঃ** প্ৰাপ্তি এনজিঅ'ৰ সহযোগত আৰ্ট অফ লিভিঙৰ উদ্যোগত যোৱা ৭ জুলাইৰ পৰা ১২ জুলাইলৈকে ছয়দিনীয়া কাৰ্যসূচীৰে দেওহাটী দ্বিতীয় খণ্ডৰ ৰাজঘাট থকা শ্ৰীশ্ৰী জ্ঞান মন্দিৰত শিশু সকলৰ উৎকৰ্ষ সাধনাৰ্থে আয়োজিত "ব্যক্তিত্ব বিকাশ"ৰ কৰ্মশালাৰ আজি সামৰণি পৰে। প্ৰতিদিন ৰাতিপুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা উক্ত কৰ্মশালাত ৩ বছৰৰ পৰা ৮/১০ বছৰ বয়সৰ শিশু, বালক বালিকা সকলে সকলে অংশগ্ৰহণ কৰে। সেই কৰ্মশালাত যোগাসন আৰু প্ৰাণায়াম, একাগ্ৰতা আৰু স্মৃতি শক্তি বৃদ্ধিৰ উপায়, ব্যক্তিত্ব বিকাশ আৰু সৃজনীশীলতা, নৈতিক শিক্ষা আৰু খেলধেমালি বিষয়ক সামৰি লোৱা হয়। ১২ দিনীয়া এই কৰ্মশালাৰ অন্তত আজি কৰ্মশালাৰ সামৰণি পৰে আৰু আয়োজন কৰে সামৰণি অনুষ্ঠানৰ। আজিৰ সামৰণি অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা শিশু সকলে কবিতা আবৃত্তি, যোগাসন প্ৰদৰ্শনৰ উপৰিও এখন নাটক কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। প্ৰাপ্তি এন জিওৰ বিষয়ববীয়া বিভাৰাণী শইকীয়া অধিকাৰীয়ে আঁত ধৰা আজিৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকে ১৬নং অভয়াপুৰী বিধান সভা সমষ্টিৰ বিধায়ক ভূপেন ৰায়। সমল ব্যক্তি হিচাপে থাকি তেওঁ কয় যে "শিক্ষাৰ লগতে শিশু সকলক ব্যক্তিত্ব বিকাশৰ সুযোগ প্ৰদান কৰিব লাগে। অভিভাৱক সকলে শিশু সকলক, কিশোৰ সকলক, বালক বালিকা সকলক জোৰজবৰদস্তী একো কৰিব দিব নালাগে। তেওঁলোকে কি ভাল পায়। কি বিষয়ত পঢ়ি ভাল পায় সেই বিষয়ত অভিভাৱক সকলে সূক্ষ্মতাৰে নজৰ দিব লাগে" বুলি তেওঁ কয়। ভাষণ প্ৰসংগত বিধায়ক গৰাকীয়ে প্ৰাপ্তি এন জি ওৰ লগতে আন এন জি ও সমূহে জিলা খনৰ নিৰনুৱা সকলক ক্ষুদ্ৰ উদ্যোগ, ক্ষুদ্ৰ ব্যৱসায়ৰ কাৰণে উদ্‌গনি জগাবৰ বাবে কিছু কাৰ্যপন্থা হাতত লবলৈকো আহ্বান জনায়। আজিৰ সামৰণি অনুষ্ঠানত বঙাইগাঁও জিলা পৰিষদৰ উত্তৰ শালমাৰা পৰিষদীয় সমষ্টিৰ সদস জ্যোতিৰ্ময় সৰকাৰ, বয়োজ্যেষ্ঠ লোক শৈলেন্দ্ৰ অধিকাৰী, সমাজকৰ্মী শ্যামল নাৰায়ণ দেৱ, নিৰঞ্জন দাস, উত্তৰ শালমাৰা গাঁও পঞ্চায়তৰ সভাপতি অনুপ জ্যোতি ৰায়, অৱসৰী শিক্ষক নিত্যানন্দ সিংহ, প্ৰাপ্তি এনজিওৰ বিপ্লৱ ফুকন, ৰূপ অধিকাৰীকে এনজিওটোৰ সকলো বিষয়া কৰ্মচাৰী, আৰ্ট অফ লিভিঙৰ সংশ্লিষ্ট মহল, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ সহযোগত এডিপি কলেজৰ ইণ্টাৰ্ণশ্বিপ প্ৰশিক্ষণৰ সামৰণি

## সাঁচিপতীয়া শিল্প বিষয়টি আগুৱাই নিয়াৰ সংকল্প দুয়োটা অনুষ্ঠানৰ




**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ জুলাই ঃ** ছাত্ৰ-ছাত্ৰীক এক সু-সংগঠিত কৰ্ম অভিজ্ঞতা জৰিয়তে প্ৰায়োগিক জ্ঞান প্ৰদানৰ বাবে নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত "সাঁচিপতীয়া পুথিৰ সংগ্ৰহ, সংৰক্ষণ, ইয়াৰ প্ৰস্তুত প্ৰণালী, উপস্থাপন আৰু পঠন" বিষয়ৰ এটি ছয়দিনীয়া ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী যোৱা ৭ জুলাইত আৰম্ভ হৈ আজি সফল সামৰণি পৰে। পুৰণিগুদামৰ কলং কলা কেন্দ্ৰ আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় পুথিভঁৰালৰ সহযোগত অনুষ্ঠিত এই কাৰ্যসূচীৰ সমল ব্যক্তি হিচাপে অংশ লয় শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দ্ৰ কমল শইকীয়া আৰু সাঁচিপতীয়া শিল্পৰ সাধক তথা কলং কলা কেন্দ্ৰৰ সম্পাদক চিত্তৰঞ্জন বৰাই। মহাবিদ্যালয় চৌহদ আৰু পুৰণিগুদামৰ কলং কলা কেন্দ্ৰ প্ৰাঙ্গণ এই দুয়োটা স্থানত ৰূপায়িত হোৱা কাৰ্যসূচীৰ তাত্ত্বিক তথা শৈক্ষিক দিশটো চন্দ্ৰ কমল চেতিয়াই আৰু সাঁচিপাত প্ৰস্তুত, পুথিচিত্ৰ অংকন, মহী প্ৰস্তুত, পুথি লেখন আদি দিশবোৰৰ বিষয়ে পাঠ আগবঢ়ায় চিত্তৰঞ্জন বৰাই। সাঁচিগছৰ পৰা সাঁচিছাল সংগ্ৰহ, মহীৰ বাবে শিলিখা, কেঁহৰাজ আদি সংগ্ৰহ কৰি তাক পদ্ধতিগতভাৱে তৈয়াৰ কৰা বা হেঙুল হাইতাল আদি পৰম্পৰাগত ৰং প্ৰস্তুত কৰা কাম সমূহ কলং কলা কেন্দ্ৰ প্ৰাঙ্গণত কৰিবলৈ পাই ছাত্ৰ-ছাত্ৰীসকল আনন্দিত হোৱা পৰিলক্ষিত হ'ল। কলং কলা কেন্দ্ৰত প্ৰশিক্ষণ চলি থকা অৱস্থাত বিভাগীয় মুৰব্বী ড° মিলন নেওগ, একে বিভাগৰ অধ্যাপক জীৱন নৰহ, প্ৰদীপ দাস, গীতাৰ্থ প্ৰতীম শইকীয়া উপৰিও কলং কলা কেন্দ্ৰৰ সভাপতি গকুল ছেত্ৰী আৰু উপ-সভাপতি অশ্বিনী শৰ্মা উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক উৎসাহ প্ৰদান কৰে। কলং কলা কেন্দ্ৰৰ সভাপতি গকুল ছেত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি দিয়া ভাষণত অনুষ্ঠানটিৰ বিভিন্ন কাৰ্যপ্ৰণালীৰ বিষয়ে অৱগত কৰাৰ লগতে অনুষ্ঠানটিৰ সৈতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অসমীয়া বিভাগে যুটীয়াভাৱে সাঁচিপতীয়া শিল্পটিক আগুৱাই নিয়াৰ বাবে লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে, অসমৰ পুৰাতন এই সংস্কৃতিৰ বিষয়ে কলং কলা কেন্দ্ৰই ২০০১ চনৰ পৰাই বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে।

## উপস্থিত সম্পাদিকা ববিতা শৰ্মা আৰু বিশিষ্ট অভিনেতা তথা প্ৰভাৰী ভগৱত প্ৰীতম

# মিৰ্জা পূজা মণ্ডপত প্ৰজ্ঞা ফাউণ্ডেশ্যন দক্ষিণ কামৰূপ জিলা সমিতিৰ নতুন কমিটি গঠন



**অসম বাৰ্তা, ছয়গাঁও, ১৩ জুলাই ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ মিৰ্জা পূজা মণ্ডপত আজি দিনৰ ১১ বজাত প্ৰজ্ঞা ফাউণ্ডেশ্যন দক্ষিণ কামৰূপ জিলা সমিতিৰ এখনি কাৰ্য্যকৰী সভা অনুষ্ঠিত হয়। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে প্ৰজ্ঞা অসমৰ সাধাৰণ সম্পাদিকা ববিতা শৰ্মা আৰু বিশিষ্ট অভিনেতা তথা প্ৰজ্ঞা অসমৰ প্ৰভাৰী ভগৱত প্ৰীতমে। সভাত সভাপতিত্ব কৰে সন্দিকৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ধীৰেন্দ্ৰ মোহন কুমাৰ (ধীৰু)-এ। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক কৈলাস দাসে। উক্ত সভাত পলাশবাৰী সমষ্টিৰ বিধায়ক হিমাংশু শেখৰ বৈশ্যক আমন্ত্ৰণ জনোৱা হৈছিল যদিও বিশেষ অসুবিধাৰ বাবে তেখেতৰ পৰিৱৰ্তে তেখেতৰ প্ৰতিনিধি হিচাপে উপস্থিত থাকে নিৰন্ধকাৰ ড° চিন্ময় কলিতাই। সভাত সন্মানীয় অতিথি সকলে-প্ৰজ্ঞাৰ লক্ষ্য, উদ্দেশ্য, কাৰ্যপন্থা সম্পৰ্কে আলোকপাত কৰাৰ উপৰিও প্ৰতিগৰাকী অতিথি তথা সদস্যৰ চিনাকি পৰ্ব আৰু ভৱিষ্যত পৰিকল্পনা সম্পৰ্কে আলোচনা কৰা হয়। সভাত দক্ষিণ কামৰূপ জিলাৰ সম্পূৰ্ণ কমিটিখন গঠন কৰা হয়। সেই অনুসৰি ড° ধীৰেন্দ্ৰ মোহন কুমাৰ সভাপতি, ড° বিজয়া ডেকা, নিবাৰন দাস, হিৰণ্য কলিতা, প্ৰতাপ কুমাৰ বৰ্মন উপ সভাপতি, কৈলাস দাস সাধাৰণ সম্পাদক, কৌশিক দাস যুটীয়া সম্পাদক, বলোৰাম নাথ, ভৱেন সাউদক সহকাৰী সম্পাদক, বিচিত্ৰ কুমাৰ সাংস্কৃতিক সম্পাদক, বিশ্বজিৎ দাসক প্ৰচাৰ সম্পাদক, মুকুট ঠাকুৰীয়াক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী কমিটি গঠন কৰা হয়।

# ডিব্ৰুগড়ত জিলা বিজেপিৰ সাংগঠনিক কৰ্মশালা; উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ জুলাই ঃ** ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় জনতা পাৰ্টিৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত সাংগঠনিক কৰ্মশালা আৰম্ভ হয়। ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰস্থিত বিজেপিৰ মাণ্ডলিক কাৰ্যালয়ত অনুষ্ঠিত হোৱা কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে। জিলাৰ সভাপতি দুলাল বৰাৰ উপস্থিতিত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ৰাজ্যসভাৰ সাংসদ তেৰছ গোৱালা, ডিব্ৰুগড় বিধানসভাৰ সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, প্ৰাক্তন বিধায়ক তথা ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ ৰাজ্যিক সাধাৰণ সম্পাদক ঋতুপৰ্ণ বৰুৱা, দলৰ জ্যেষ্ঠ নেতা বিকুল ডেকা আৰু কৰ্মশালাৰ জিলা আহ্বায়ক অসীম হাজৰিকা। কৰ্মশালাত উপস্থিত হৈ বিজেপিৰ ইতিহাস আৰু বিকাশ সম্পৰ্কে দলীয় কাৰ্যকৰ্তাসকলক উদ্দেশি বক্তব্য প্ৰদান কৰে সাংসদ তথা ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াই। কৰ্মশালাত অংশ গ্ৰহণ কৰে অসম চৰকাৰৰ দুই কেবিনেট মন্ত্ৰীদ্বয় ৰামেশ্বৰ তেলী আৰু বিমল বড়া। তিনিচুকীয়া বিধানসভাৰ সমষ্টিৰ বিধায়ক তথা ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ অন্যতম উপ-সভাপতিদ্বয় পুলক গোহাঁই, তপন কুমাৰ গগৈ, ৰাজ্যিক সম্পাদক তথা জিলা সহ প্ৰভাৰী লক্ষ্মীনাথ তাচাকে ধৰি দলৰ বহু কেইজন জ্যেষ্ঠ নেতাই অংশ গ্ৰহণ কৰে। দুলাল বৰা জিলা সভাপতি, দীপজয় শইকীয়া, জিলা আহ্বায়ক, সংবাদ বিভাগ আদি উপস্থিত থাকে।

# মৰিগাঁৱৰ ভূৰবন্ধাত সজাগতা সভা অনুষ্ঠিত

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৩ জুলাই ঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধা অঞ্চলত মৰিগাঁও সদৰ থানাৰ আৰক্ষী আৰু গাঁৱৰক্ষী বাহিনীৰ যৌথ উদ্যোগত মাদক দ্ৰব্য আৰু ড্ৰাগছ, বাল্যবিবাহ, শিশু শ্ৰমিক তথা বিভিন্ন অসমাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে এখন সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সজাগতা সভাত স্থানীয় ৰাইজৰ উল্লেখযোগ্য অংশগ্ৰহণ লক্ষ্য কৰা যায়। সভাত উপস্থিত থাকে মৰিগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভবেন দাসে নিজৰ ভাষণত বৰ্তমান সমাজত মাদক দ্ৰব্যৰ ভয়ংকৰ প্ৰভাৱ সম্পৰ্কে বিশদভাৱে ব্যাখ্যা কৰে। তেওঁ বিশেষকৈ যুৱ প্ৰজন্মক ড্ৰাগছৰ পৰা দূৰত থাকিবলৈ আহ্বান জনায় আৰু অভিভাৱকসকলকো অধিক সতৰ্ক হ'বলৈ পৰামৰ্শ দিয়ে। ইয়াৰ উপৰিও গাঁৱৰক্ষী বাহিনীৰ চক্ৰ বিষয়া দিগন্ত কলিতাই গাঁও অঞ্চলত আইন-শৃংখলা ৰক্ষা আৰু সমাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত গাঁৱৰক্ষী বাহিনীৰ ভূমিকা সম্পৰ্কে আলোকপাত কৰে। সভাত উপস্থিত সহ-সম্পাদক ভক্ত বৰা আৰু জিলা আছুৰ সভাপতি দিব্যজ্যোতি চৌধুৰীয়ে বাল্যবিবাহ আৰু শিশু শ্ৰমিক প্ৰথাৰ বিৰুদ্ধে তীব্ৰ মত প্ৰকাশ কৰি সমাজখনক এইবোৰ কু-প্ৰথাৰ পৰা মুক্ত কৰাৰ বাবে একত্ৰিত প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত সাংবাদিক পুলিন কাকতিসহ বহু সংখ্যক সচেতন নাগৰিকে অংশগ্ৰহণ কৰে। সভাৰ জৰিয়তে ৰাইজৰ মাজত বিভিন্ন সামাজিক সমস্যাৰ বিৰুদ্ধে সজাগতা বৃদ্ধি পোৱাৰ লগতে আইন-শৃংখলা ৰক্ষাত সৰ্বসাধাৰণৰ সহযোগিতা অতি গুৰুত্বপূৰ্ণ বুলি মত প্ৰকাশ কৰা হয়।

## ড° চাৰুস্মিতা মহন্ত, ৰাহুলজ্যোতি বৰা আৰু শেৱালি গোস্বামী কলিতাক বিশেষ সম্বৰ্ধনা

# নাহৰবাৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ অভিনন্দন আৰু সম্বৰ্ধনা সভা সম্পন্ন

**অসম বাৰ্তা, সোণাপুৰ, ১৩ জুলাই ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত দৰং জিলা সাহিত্য সভাৰ নাহৰবাৰী স্বৰ্ণ শাখা সাহিত্য সভা আৰু নাহৰবাৰী আঞ্চলিক ক্ৰীড়া আৰু যুৱ কল্যাণ সংঘৰ যুটীয়া উদ্যোগত আজি নিজচপাইস্থিত শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ সভাগৃহত এখন অভিনন্দন আৰু সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে সমবেত গীত পৰিৱেশন কৰা হয়। ইয়াৰ পাছতে নাহৰবাৰী আঞ্চলিক ক্ৰীড়া আৰু যুৱ কল্যাণ সংঘৰ সভাপতি মানস প্ৰতীম বৰুৱাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰে। পশ্চিম মঙলদৈ আঞ্চলিক পঞ্চায়তৰ সদস্য অমৰেন্দ্ৰ ডেকাই অনুষ্ঠান উদ্বোধন কৰে। বিশিষ্ট লেখক মলয় বৰুৱাই নিৰ্দিষ্ট বক্তা হিচাপে বক্তব্য আগবঢ়ায়। সুলভ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশিষ্ট অতিথি হিচাপে 'দৌৰাংগ বাৰ্তা'ৰ সম্পাদক চাহাবুদ্দিন আহমেদ আৰু সমাজকৰ্মী সাধিৰাম বৰা উপস্থিত থাকে। উক্ত অনুষ্ঠানতে ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত (HSLC) আৰু উচ্চতৰ মাধ্যমিক (HS) চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ১৯ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়। লগতে দেওমৰনৈ বি.এড. মহাবিদ্যালয়ৰ অধ্যক্ষা ড° চাৰুস্মিতা মহন্ত, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা আৰু ২০২৫ বৰ্ষৰ অসম চৰকাৰৰ যুৱ লেখক বঁটা প্ৰাপক ৰাহুলজ্যোতি বৰাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বৰ্ণিল বাস্তৱ শিৰমে মনোমোহা বাঁহীবাদন পৰিৱেশন কৰি উপস্থিত দৰ্শক-শ্ৰোতাক মুগ্ধ কৰে। উল্লেখ্য যে, আজিৰ অনুষ্ঠানত নাহৰবাৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰণৱ নাৰায়ণ বৰা, উপ-সভাপতি সূৰ্য কুমাৰ শৰ্মা, প্ৰাক্তন সম্পাদক হিতেশ শৰ্মা, জিতুমনি ডেকা, ডিম্বেশ্বৰ শৰ্মা, অনন্ত গোস্বামী, হৰেন্দ্ৰ বৰা, পানীৰাম বৰা, নাহৰবাৰী আঞ্চলিক ক্ৰীড়া আৰু যুৱ কল্যাণ সংঘৰ মদন শইকীয়া, কুশল বৰুৱা, মুকুল শৰ্মা আদিকে ধৰি বিষয়ববীয়া আৰু অৰ্ধশতাধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। অসম সংগীত পৰিৱেশনৰ মাজেৰে উক্ত অনুষ্ঠানৰ সফল সামৰণি পৰে।

# গোসাঁইগাঁৱত এবিভিপিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পাঞ্জা খেল প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৩ জুলাই ঃ** ১৯৪৯ চনৰ ৯ জুলাইত প্ৰতিষ্ঠা হোৱা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ চমুকৈ এভিবিপিৰ ৭৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি যোৱা ৯ জুলাইৰ পৰা সাত দিনীয়া কাৰ্যক্ৰমেৰে দেশজুৰি পালিত হোৱা এবিভিপিৰ প্ৰতিষ্ঠা দিৱসৰ অংশ হিচাপে গোসাঁইগাঁৱতো সংগঠনটোৰ গোসাঁইগাঁও শাখাৰ উদ্যোগত বিবিধ কাৰ্যসূচীৰে আজি প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। গোসাঁইগাঁও চহৰৰ তিনিআলি স্থিত সেৱাকুঞ্জত ভাৰত মাতাৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰে নগৰৰ সেৱা প্ৰমুখ প্ৰকাশ পাল আৰু বডোলেণ্ড সাংবাদিক সংস্থাৰ সভাপতি শংকৰ চৌধুৰীয়ে। ইয়াৰ পিছতে জিলা ৰাষ্ট্ৰীয় কলা মঞ্চ সংযোজক প্ৰিয়ংকা ৰায়ে সাংগঠনিক গীত পৰিৱেশন কৰে। আমন্ত্ৰিত অতিথি শংকৰ চৌধুৰীয়ে বৰ্তমান সময়ত যুৱ সমাজৰ শৈক্ষিক, নৈতিক, শাৰীৰিক, মানসিক আদি বিভিন্ন দিশ উত্তৰণৰ ক্ষেত্ৰত সংগঠনৰ দায়বদ্ধতা তথা কৰ্তব্য সম্পৰ্কত বক্তব্য ৰাখে। আনহাতে অনুষ্ঠানটোৰ সৈতে সংগতি ৰাখি সদৌ অসম ভিত্তিত এখন পাঞ্জা খেল প্ৰতিযোগিতাও অনুষ্ঠিত হয়। বিভিন্ন প্ৰান্তৰ পৰা অহা ৫০ ৰো অধিক ল'ৰা পাঞ্জা খেলুৱৈ অংশ লোৱা প্ৰতিযোগিতাখন ওজন ভিত্তিক তিনিটা ভিন্ন শাখাত অনুষ্ঠিত হয়। লগতে ছোৱালী সকলৰ মাজত এখন মেহেন্দী প্ৰতিযোগিতাও অনুষ্ঠিত হয়। কোকৰাঝাৰৰ পৰা আমন্ত্ৰিত ৰাষ্ট্ৰীয় স্তৰৰ পাঞ্জা খেলুৱৈ অভয় বাচফৰ আৰু বাৰবিছাৰ প্ৰিয়ম সাহা বিচাৰক হিচাপে উপস্থিত থকা প্ৰতিযোগিতাখনৰ অন্তত বিজয়ী সকলক নগদ ধনেৰে পুৰস্কৃত কৰা হয়। অনুষ্ঠানটোত সংগঠনটোৰ ধুবুৰী বিভাগৰ সহ সংযোজক গৌৰীশ ঘোষ, গোসাঁইগাঁও নগৰ শাখাৰ সম্পাদক অনীক কুমাৰ পোদ্দাৰ, যুটীয়া সম্পাদিকা চন্দনা ৰায়ৰ উপৰি অন্যান্য কৰ্মকৰ্তা সকল উপস্থিত থাকে।

# কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ জ্যেষ্ঠ ভ্ৰাতৃ মিষ্ট প্ৰসাদ সোণোৱাল দেহাৱসান

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ জুলাই ঃ** কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ জ্যেষ্ঠ ভ্ৰাতৃ, ভাৰতীয় ষ্টেট বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া মিষ্ট প্ৰসাদ সোণোৱাল দীৰ্ঘদিন ৰোগাক্ৰান্ত হৈ থকাৰ পিছত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত কালি ৮৩ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুৰ খবৰে সোণোৱালৰ জন্মগৃহ ডিব্ৰুগড় জিলাৰ বিন্ধাকটা মুলুক গাঁৱৰ লগতে ডিব্ৰুগড়তো শোকৰ ছাঁ পৰে। প্ৰয়াত মিষ্ট প্ৰসাদ সোণোৱালৰ ব্যক্তিগত জীৱন আছিল এক কৰুণ স্মৃতিৰে ভৰা। উল্লেখযোগ্য যে আজিৰ পৰা প্ৰায় ২২ বছৰ পূৰ্বে অৰ্থাৎ ২০০৪ চনৰ ৫ জুলাইত নগাঁৱৰ কলিয়াবৰত সংঘটিত এক মৰ্মান্তিক পথ দুৰ্ঘটনাত তেওঁৰ পত্নী, পুত্ৰ আৰু কন্যাকো হেৰুৱাবলগীয়া হৈছিল। পৰিয়ালটোৰ এই আকস্মিক বিপৰ্যয়ৰ পাছত তেওঁ চৰম মানসিক আঘাতৰ মাজেৰে দিন অতিবাহিত কৰিবলগীয়া হৈছিল। মিষ্ট প্ৰসাদ সোণোৱালৰ মৃত্যুত ডিব্ৰুগড় জিলা বিজেপি সভাপতি দুলাল বৰাৰ লগতে বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠন তথা শুভাকাংক্ষীসকলে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। জীৱনৰ এক গভীৰ শূন্যতাৰ দিন: সৰ্বানন্দ সোণোৱালজ্যেষ্ঠ ভাতৃ মিষ্ট প্ৰসাদ সোণোৱালৰ মৃত্যুত শোকাহত হৈছে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। জ্যেষ্ঠ ভাতৃৰ স্মৃতিক সুঁৱৰি মন্ত্ৰীগৰাকীয়ে কয়- তেওঁ আছিল মোৰ জীৱনৰ অন্যতম পথ প্ৰদৰ্শক, অফুৰন্ত সাহস আৰু প্ৰেৰণাৰ উৎস। শৈশৱৰ পৰাই জীৱনৰ খোজে খোজে ককাইদেউৰ স্নেহ, অনুশাসন, ত্যাগ আৰু মূল্যবোধে মোক সঠিক পথত আগবাঢ়িবলৈ অনুপ্ৰাণিত কৰিছিল। মানুহৰ দুখ-বেদনা অনুভৱ কৰিবলৈ, সমাজ আৰু দেশৰ হকে নিষ্ঠা, সততা আৰু দায়িত্ববোধে কাম কৰি যাবলৈ তেওঁ মোক সদায় প্ৰেৰণা যোগাই ছিল। ককাইদেউ কায়িকভাৱে আমাৰ মাজত নাথাকিলেও তেওঁৰ আদৰ্শ আৰু আশীৰ্বাদ প্ৰতিটো ক্ষণতে মোৰ লগত থাকিব।

# ডিব্ৰুগড়ত মইনা পাৰিজাতৰ সভাত প্ৰাক্তন ৯০ দশকৰ পৰা জড়িত প্ৰাক্তন সভাপতি শিক্ষাবিদ অমূল্য গোস্বামীক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ জুলাই ঃ** ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ প্ৰাক্তন সভাপতি, বিশিষ্ট শিক্ষাবিদ অমূল্য গোস্বামীক কালি সম্বৰ্ধনা জনোৱা হয়। ডিব্ৰুগড় চিৰিংচাপৰিৰ বসন্ত নগৰত অৱস্থিত সূৰ্য্যশিখা মইনা পাৰিজাতৰ আতিথ্যত আৰু ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উদ্যোগত অনুষ্ঠিত সভাত উপস্থিত থাকে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ সভাপতি ৰঞ্জন দত্ত, সম্পাদিকা মামনি শৰ্মাৰ লগতে শিশুবন্ধু হীৰণ্য সেনাপতি, উপসভাপতি অজয় দত্ত, সদৌ অসম মইনা পাৰিজাতৰ আজীৱন সদস্যা নিজৰা গগৈ, ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ বিশেষ পৰামৰ্শ দাতা নৰেন চক্ৰৱৰ্তী, সূৰ্যশিখা, মইনা পাৰিজাতৰ সভাপতি জীৱনজ্যোতি দুৱৰা, সম্পাদক ৰিপুঞ্জয় বৰুৱাকে আদি কৰি বহুকেইজন বিশিষ্ট ব্যক্তি, অভিভাৱক আৰু মইনাসকল। সম্বৰ্ধিত ব্যৰেণ্য ব্যক্তি অমূল্য গোস্বামীয়ে ৯০ দশকৰ পৰা জড়িত থকা মইনা পাৰিজাতৰ অতীতৰ ক্ষণবোৰ সোঁৱৰি নষ্টালজিক হৈ পৰে। সকলো শিশু মইনা পাৰিজাতৰ লগত সংপৃক্ত হোৱাৰ আহ্বানেৰে অনুষ্ঠানটিৰ উত্তৰোত্তৰ কামনা কৰে। মইনাসকলৰ গীত মাতেৰে সমগ্ৰ পৰিবেশটো জীপাল হৈ পৰে। জিলাৰ সভাপতি ৰঞ্জন দত্তইকয় যে-মইনা পাৰিজাতৰ হকে ত্যাগ কষ্ট স্বীকাৰ কৰা সকলো জনেই শ্ৰদ্ধেয়, তেখেতসকলে দেখুৱাই দিয়া বাটেৰে জিলা মইনা পাৰিজাতে সমগ্ৰ শিশুসকলকে এটি উজ্জ্বল ভৱিষ্যত প্ৰদানত প্ৰতিজ্ঞাবদ্ধ। শিশুবন্ধু হীৰণ্য সেনাপতিও মইনা পাৰিজাতৰ আদৰ্শেৰে সকলো শিশুকে বাট লৈ ভাল মানুহ হ'বলৈ পৰামৰ্শ দিয়ে।

# ছয়গাঁৱত শিংঘাটত চাঞ্চল্যৰ হত্যাকাণ্ড; হাত-ভৰি বান্ধি আদা ব্যৱসায়ী আমজেদ খানক হত্যা কৰি গুচি গ'ল দুৰ্বৃত্তই

## হত্যাৰ কাৰণ জানিব পৰা হোৱা নাই; অব্যাহত আৰক্ষীৰ তদন্ত

**অসম বাৰ্তা, ছয়গাঁও, ১৩ জুলাই ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত সংঘটিত হৈছে চাঞ্চল্যকৰ হত্যাকাণ্ড। আজি পুৱা স্থানীয় লোকে হাত-ভৰি বান্ধি থোৱা অৱস্থাত উদ্ধাৰ কৰে এগৰাকী ব্যৱসায়িক। আদা ব্যৱসায়ী আমজাদ খান ওৰফে দ্বীপক দুৰ্বৃত্তৰ হত্যা কৰি গুচি যায়। হত্যা কৰাতে দুৰ্বৃত্তই সীমাবদ্ধ নাথাকি লণ্ডভণ্ড কৰিলে ঘৰৰ আচবাব আৰু গড্ৰেজ। ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত শিংখাট-ঢেকেনাবড়ী গাঁৱৰ আমজেদ খান ওৰফে দ্বীপক হত্যা কৰাৰ সময়ত পত্নী-কন্যা আৰু মাতৃ উপস্থিত নাছিল। জানিব পৰা মতে গৰমৰ বন্ধ বাবে গুৱাহাটীৰ ভনীয়েকৰ ঘৰত আছিল পত্নী, মাতৃ কণমানি কন্যা। কাষৰ কোঠাসমূহত আছিল ভাৰাতীয়া। ৰহস্যৰ বিষয় ঘৰৰ আচবাব আদি ভাঙি লণ্ডভণ্ড কৰাৰ সময়তো কিয় সাৰ নাপালে ভাৰতীয়া। ঘটনাস্থলীত ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱৰা আৰু পলাশবাৰী সম জিলাৰ আৰক্ষী অধীক্ষক ডেইজী গগৈ উপস্থিত হৈ ইতিমধ্যে আৰম্ভ কৰিছে তদন্ত প্ৰক্ৰিয়া। ঘটনাৰ প্ৰকৃত কাৰণ জানিব পৰা হোৱা নাই যদিও আৰক্ষীৰ জোৰদাৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ হৈছে। স্থানীয় ৰাইজে শীঘ্ৰে দোষীক শাস্তিৰ দাবী জনাইছে।

# মন্ত্ৰী অজন্তা নেওগৰ বকোত ৬৫ বিঘা ভূমিত নিৰ্মীয়মান সংহত বৃদ্ধাশ্ৰম আৰু শিশু প্ৰতিপালন কেন্দ্ৰ পৰিদৰ্শন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৩ জুলাই ঃ** মহিলা আৰু শিশু বিকাশ আৰু পৰ্যটন মন্ত্ৰী অজন্তা নেওগে ৰবিবাৰে কামৰূপ জিলাৰ বকোৰ বামুণীগাঁৱত নিৰ্মীয়মান "সংহত বৃদ্ধাশ্ৰম আৰু শিশু প্ৰতিপালন কেন্দ্ৰ"ৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। প্ৰায় ৮৫ কোটি টকা ব্যয়সাপেক্ষে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমবাৰৰ বাবে এইদৰে এক বৃহৎ পৰিসৰত নিৰ্মাণ কৰা অনুষ্ঠানটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে কামৰ মানক লৈ কোনোধৰণৰ আপোচ নকৰিবলৈ নিৰ্দেশ দিয়ে। চলিত বৰ্ষৰ অক্টোবৰ মাহৰ ভিতৰতে কেন্দ্ৰটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে কামৰ গতি ত্বৰান্বিত কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। এই ভ্ৰমণকালত তেওঁ বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা সভাত মিলিত হয়। তেওঁ কয় যে এই কেন্দ্ৰটো এটা সংস্কাৰমূলক অনুষ্ঠান আৰু ইয়াৰ নিৰ্মাণৰ ক্ষেত্ৰত সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰাটো প্ৰধান অগ্ৰাধিকাৰ হ'ব লাগিব। শিশুৰ সুৰক্ষা আৰু যত্ন জুভেনাইল জাষ্টিচ আইনৰ অধীনত নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ প্ৰতিটো গৃহতে যোগাভ্যাসৰ বাবে উপযুক্ত কক্ষ, পুথিভঁৰাল আদি নিৰ্মাণৰ দিশসমূহ বিতংভাৱে পৰ্যালোচনা কৰে। তেওঁ ইয়াত থাকিবলগীয়া বয়োজ্যেষ্ঠ আৱাসীসকলক এটা মৰ্যাদাসম্পন্ন, সুৰক্ষিত আৰু আৰামদায়ক জীৱন দিয়াৰ বাবে



প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ বিতং প্ৰকল্প প্ৰতিবেদন অনুসৰি কোনো ধৰণৰ গাফিলতি নকৰাকৈ কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত এই অনুষ্ঠানটোৱে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে ৬৫ বিঘা ভূমিত নিৰ্মাণ কৰি থকা এই সংহত কেন্দ্ৰত শিশু আৰু বয়োজ্যেষ্ঠসকলৰ বাবে সুকীয়া গৃহ থাকিব। এই গৃহসমূহত একে সময়তে ৩৪৪জন ল'ৰা-ছোৱালী, কিশোৰ-কিশোৰী, বিশেষভাৱে সক্ষম ল'ৰা-ছোৱালী আৰু বৃদ্ধ আৱাসী থাকিব পাৰিব। এই কেন্দ্ৰত বিনোদন কক্ষ, প্ৰেক্ষাগৃহ, শ্ৰেণীকোঠা, পৰামৰ্শ দান কক্ষ আদি থাকিব। ইয়াৰ লগতে আৱাসীসকলৰ চিকিৎসাৰ বাবে এখন চিকিৎসালয়ো থাকিব।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন